

অহিংসা পৰম ধৰ্ম



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী ।

মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ

# অসমীয়া সাহিত্য চয়নিকা (নতুন)

প্ৰথম ভাগ

(নৱম শ্ৰেণীৰ বাবে)

D2N2X3



মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰ

## পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্যবিধি আৰু অনাময় ব্যৱস্থা

**ছাত্ৰ-ছাত্ৰীৰ বাবে ঃ**

- যিকোনো খাদ্যবস্তু স্পৰ্শ কৰাৰ আগতে হাত দুখন ভালদৰে ধুই ল'বা। লগতে তোমাৰ পৰিয়ালৰ বাকীবোৰ সদস্যকো এই কাৰ্য কৰাৰ বাবে উৎসাহিত কৰিবা।
- তোমাৰ ঘৰ আৰু বিদ্যালয়ৰ চৌপাশৰ পৰিবেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবা আৰু তোমাৰ চুবুৰীয়া অঞ্চলসমূহো যাতে পৰিষ্কাৰ হৈ থাকে তাৰ প্ৰতি লক্ষ্য ৰাখিবা।
- খাদ্য খোৱাৰ বাবে ব্যৱহাৰ কৰা কাঁহী-বাটিবোৰ ভালদৰে ধুই ল'বা যাতে সেইবোৰ বীজাণু মুক্ত হয়।
- ৰন্ধাৰ আগতে শাক-পাচলি ভালদৰে যাতে ধোৱা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিবা।
- খোৱাৰ আগত ফল-মূল, পাচলি আদি ভালদৰে ধুই ল'বা।
- নখ, চুলি আদি নিয়মীয়াকৈ কাটিবা আৰু চাফা কৰি ৰাখিবা।
- তোমাৰ ঘৰৰ চৌপাশ আৰু নলা-নৰ্দমাবোৰ চাফ-চিকুণকৈ ৰাখিবা যাতে মহ বা অন্য অনিষ্টকাৰী পতংগই তাত বংশ বৃদ্ধি কৰিব নোৱাৰে।
- খাদ্যবস্তু আৰু খোৱা পানী কেতিয়াও ঢাকনি নিদিয়াকৈ নাৰাখিবা।
- সদায় ফিল্টাৰ কৰা আৰু বিশুদ্ধিকৃত পানীহে খাবা।
- তোমাৰ বিদ্যালয়ৰ আৰু ঘৰৰ চৌহদত নলী-নৰ্দমাৰ নিৰ্মাণৰ লগতে ইয়াক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ওপৰত গুৰুত্ব দিবা।
- তোমাৰ বিদ্যালয়ৰ আৰু ঘৰৰ চৌহদ আৰু চৌপাশে পানী জমা হ'বলৈ দিব নালাগে। জমা হৈ থকা পানীত মহে বংশ বৃদ্ধি কৰিবলৈ সুবিধা পায়।
- পিট, লেট্ৰিন, চেপ্টিক টেংক আদি নিৰ্মাণ নকৰিলে মানুহ আৰু জীৱ-জন্তুৰ মল-মূত্ৰ, পেলনীয়া গোটা আৱৰ্জনা, ব্যৱহাৰৰ পিছত বৈ যোৱা লেতেৰা পানী আদিয়ে স্বাস্থ্যৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে ঘৰ আৰু বিদ্যালয়ৰ চৌহদত মল-মূত্ৰ নিষ্কাশনৰ কাৰণে চেপ্টিক টেংক হোৱাটো আৱশ্যক।

N8V4F3

## পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্যবিধি আৰু অনাময় ব্যৱস্থা

**ছাত্ৰ-ছাত্ৰীৰ বাবে ঃ**

- আমাৰ বাসস্থানৰ ঘৰত কোনো আৱৰ্জনা বা অৱৰ্জনা জমা কৰি ৰখাৰ ব্যৱস্থা থাকিব নালাগে।
- অনাময় ব্যৱস্থাৰ অভাৱত মানুহে মুকলি ঠাইত শৌচ-প্ৰস্ৰাৱ কৰিব লগা হয়। ই জনস্বাস্থ্যৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। অনাময় ব্যৱস্থা সুলভ হোৱাৰ পিছতো অনেক বয়স্ক মানুহক মুকলি ঠাইত শৌচ প্ৰস্ৰাৱ কৰাৰ পৰা বিৰত ৰাখিব পৰা নাই। গতিকে অনাময় ব্যৱস্থাৰ সুলভ কৰাৰ উপৰিও মানুহৰ অভ্যাসৰ পৰিবৰ্তন অনাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। মানুহৰ মলত থকা বীজাণুৰ দ্বাৰা দূষিত খাদ্য, পানী, খোৱা আৰু ৰন্ধনত ব্যৱহৃত বাচন-বৰ্তন আদিৰ জৰিয়তে মানুহৰ শৰীৰত সোমাব পাৰে। বিশেষকৈ প্ৰজাতিৰ মাখি মলৰ দ্বাৰা আকৃষ্ট হয় আৰু মলতে বংশ বৃদ্ধি কৰে, লগতে মলত থকা বীজাণু বিয়পোৱাত ই ভূমিকা লয়। ইয়াৰ দ্বাৰা মাটিও দূষিত হয় আৰু এইদৰে মানুহৰ গাতৈ ৰোগৰ বীজাণু বিয়পে।
- পুনৰ ব্যৱহাৰযোগ্য সামগ্ৰীবোৰক ব্যৱহাৰৰ পিছত ভালদৰে চাফ কৰি থোৱা উচিত যাতে প্ৰয়োজনত ইয়াক পুনৰ ব্যৱহাৰ কৰিব পাৰি।
- বীজাণু নাশক আৰু কীটনাশক দ্ৰব্য নিয়মীয়াকৈ ব্যৱহাৰ কৰা উচিত। কিন্তু কীটনাশক দ্ৰব্য সাৱধানে আঁতৰীয়া ঠাইত ভালকৈ ৰাখিব লাগে।
- পৰিষ্কাৰ-পৰিচ্ছন্নতা, ব্যক্তিগত স্বাস্থ্যবিধি আৰু সুঅনাময় ব্যৱস্থাই এটা নিকা পৰিৱেশৰ সৃষ্টি কৰে, যিয়ে এটা সুস্বাস্থ্যৰ অধিকাৰী হোৱাত সহায় কৰে।

# অসমীয়া সাহিত্য চয়নিকা (নতুন)

## প্ৰথম ভাগ

## (নৱম শ্ৰেণীৰ বাবে)

D2M2X3


*সংকলন আৰু সম্পাদনা*

ড° ধৰণী লাহন

ড° তনয়জ্যোতি দুৱৰা

ড° লিপিমণি দত্ত

শ্ৰীপ্ৰাঞ্জল তালুকদাৰ

শ্ৰীজয়ন্ত মাধৱ বৰা

শ্ৰীৰঞ্জুমণি মহন্ত

***পুনৰীক্ষণ***

শ্ৰীৰাজীৱ শৰ্মা



**অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন**

**নিগম লিমিটেড, গুৱাহাটী**

**AXOMIA SAHITYA CHAYANIKA (NATUN) :** A textbook in Assamese MIL for Class-IX, prepared and approved by the Board of Secondary Education, Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam.

**FREE TEXTBOOK**

**All rights reserved :** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

© ঃ The Assam State Textbook Production and Publication Corporation Limited, Guwahati

**প্ৰথম প্ৰকাশ** ঃ ২০১৯
**দ্বিতীয় প্ৰকাশ** ঃ ২০২০

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

**প্ৰকাশক** ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

**ছপাশাল** ঃ **ৰবী প্ৰিন্টিং এণ্ড বাইণ্ডিং হাউচ**
গুৱাহাটী

# আগকথা

অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা ২০১৯ শৈক্ষিকবৰ্ষৰ পৰা কাৰ্যকৰী হোৱাকৈ আৰু নৱম শ্ৰেণীৰ অসমীয়া প্ৰথম ভাষা হিচাপে লোৱা ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ '**অসমীয়া সাহিত্য চয়নিকা**' নামৰ পাঠ্যপুথিখন প্ৰণয়ন কৰি উলিওৱা হৈছিল। এই সংস্কৰণত পূৰ্বৰ 'শংকৰ-মাধৱৰ মিলন' আৰু 'দুষ্যন্ত শকুন্তলাৰ পুণৰমিলন' — এই পাঠ দুটিৰ ঠাইত আনন্দ চন্দ্ৰ আগৰৱালাৰ 'সুখ' আৰু হেমচন্দ্ৰ বৰুৱাৰ 'সন্মান' শীৰ্ষক পাঠ দুটি সন্নিৱিষ্ট কৰা হৈছে। প্ৰতিটো পাঠৰ শেষত ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাধাৰাৰ উৎকৰ্ষ সাধন হ'ব পৰাকৈ 'ভাব-বিষয়ক' আৰু 'ভাষা-বিষয়ক' শীৰ্ষক প্ৰশ্ন কিছুমান সংলগ্ন কৰি দিয়া হৈছে। আশা কৰা হৈছে ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব।

পাঠ্যপুথিখনৰ পাণ্ডুলিপি কেইগৰাকীমান অভিজ্ঞ ব্যক্তিৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। তেখেতসকলে নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰি পাণ্ডুলিপিখন প্ৰস্তুত কৰা বাবে পৰিষদৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালোঁ।

পাঠ্যপুথিখনত অনিচ্ছাকৃতভাৱে যদি কোনো ভুল-ত্ৰুটি ৰৈ গৈছে তাক সংশোধনৰ বাবে গঠনমূলক পৰামৰ্শসহ আঙুলিয়াই দিলে আমি সাদৰে গ্ৰহণ কৰিম। sebatxbsuggest@gmail.com এই মেইলযোগে যিকোনো গঠনমূলক পৰামৰ্শ আমালৈ পঠাব পাৰিব।

**বামুণীমৈদাম, গুৱাহাটী**

**সচিব**
**অসম মাধ্যমিক শিক্ষা পৰিষদ**
**গুৱাহাটী-২১**

# সূচীপত্ৰ


| ক্ৰ.নং. | পাঠ | লিখকৰ নাম | পৃষ্ঠা |
|---|---|---|---|
| | **Group-A : বাধ্যতামূলক** | | |
| | **পদ্যাংশ** | | |
| ১. | শিশুলীলা | শ্ৰীমন্ত শংকৰদেৱ | ১ — ৬ |
| ২. | মানৱ বন্দনা | চন্দ্ৰকুমাৰ আগৰৱালা | ৭ — ৯ |
| ৩. | গীত আৰু ছবি | দুৰ্গেশ্বৰ শৰ্মা | ১০ — ১২ |
| ৪. | প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক | ড° ভূপেন হাজৰিকা | ১৩ — ১৭ |
| ৫. | মোৰ দেশ | হীৰেন ভট্টাচাৰ্য | ১৮ — ২০ |
| | **গদ্যাংশ** | | |
| ৬. | অন্যৰ প্ৰতি ব্যৱহাৰ | সত্যনাথ বৰা | ২১ — ২৫ |
| ৭. | সময় | নীলমণি ফুকন (জ্যেষ্ঠ) | ২৬ — ৩২ |
| ৮. | অন্ধবিশ্বাস আৰু কু-সংস্কাৰ | জয়ন্ত মাধৱ বৰা | ৩৩ —৪১ |
| ৯. | ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য | ড° হেমন্ত কুমাৰ শৰ্মা | ৪২ — ৪৯ |
| ১০. | পোহৰৰ বাটেৰে আগবঢ়া গাঁওখন | জ্যোতিপ্ৰসাদ বুঢ়াগোহাঞি | ৫০ — ৫৭ |
| ১১. | যুঁজ | ড° মৃণাল কলিতা | ৫৮— ৭২ |
| ১২. | লোকসংস্কৃতি | ড° নবীন চন্দ্ৰ শৰ্মা | ৭৩— ৭৯ |
| | **Group-B** | | |
| | **পদ্যাংশ** | | |
| ১৩. | হনুমন্তৰ লঙ্কাদৰ্শন | মাধৱ কন্দলী | ৮০ — ৮৫ |
| ১৪. | সুখ | আনন্দ চন্দ্ৰ আগৰৱালা | ৮৬— ৮৯ |
| | **গদ্যাংশ** | | |
| ১৫. | চোৰধৰা | শ্ৰীশ্ৰীমাধৱদেৱ | ৯০— ৯৩ |
| ১৬. | সন্মান | হেমচন্দ্ৰ বৰুৱা | ৯৪— ৯৬ |

**ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR CODE ব্যৱহাৰ কৰিব ঃ**

আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু install button স্পৰ্শ কৰক।

OR

Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক।

**মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি—**

1) অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক।
2) আপোনাৰ ভূমিকা বাছনি কৰক ছাত্ৰ/শিক্ষক/অন্য
3) QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক।
4) প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক।
5) পাঠ্যপুথিৰ QR Code ত Camera কেন্দ্ৰীভূত/দৃষ্টিপাত (Focus) কৰক।
6) QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক।

**Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি**

1) QR Code ৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েলকোড) দেখিব।
2) আপোনাৰ ব্ৰাউজাৰত Diksha.Gov.in/as/get টাইপ কৰক।
3) ৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktop ৰ চাৰ্চ বাৰডালত লিখক।
4) উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক।

U4U3C5

# শিশুলীলা

**শ্ৰীমন্ত শংকৰদেৱ**

দিনেক যশোদা নন্দ জায়া।
আপুনি মথন্ত দধি গৈয়া।।
কৃষ্ণৰ শৈশৱ লীলাক স্মৰি।
কৃষ্ণগীত গাৱন্ত সুন্দৰী।।
ক্ষৌম বস্ত্ৰ পিন্ধি দিব্য কাছে।
কটিত মেখলা বান্ধি আছে।।
পুত্ৰস্নেহে স্ৰৱে দুয়ো স্তন।
আজোড়ন্তে লড়ে ঘনে ঘন।।
ৰুণ ঝুণ কেয়ূৰ কঙ্কণ।
শ্ৰম জলে উজ্জ্বল বদন।।
কৰ্ণত কুণ্ডল দোলে আতি।
খসি পড়ে খোপাৰ মালতী।।
এহিমতে মথন্তে প্ৰয়াসি।
মাৱক ধৰিলা কৃষ্ণে আসি।।
মথনিত ধৰিয়া নিষেধি।
মথিবাক নেদে আউৰ দধি।।
হাসি কোলে লৈলা নন্দ জায়া।
দিলা স্তন পুত্ৰমুখ চায়া।।

দেখন্তে উথলি দুগ্ধ পড়ে।
পুত্ৰ এৰি গৈলন্ত লৰড়ে।।
স্তন পিবে নাপায়া কৃষ্ণৰ।
কাম্পে কোপে অৰুণ অধৰ।।
দশন কামুৰি আতি চাণ্ড।
শিলায়ে ভাঙ্গিলা দধিভাণ্ড।।
মহাকোপে কোঠা পশিলন্ত।
সিঞ্চিৰাই লৱণু ভুঞ্জন্ত।।
আসিলা যশোদা নমাই ক্ষীৰ।
দেখৈ হাণ্ডি ভাঙ্গিলা দধিৰ।।
জানিলা পুত্ৰৰ কৰ্ম গোপী।
হাসিয়া দেখিলা পশি খুপি।।
উড়ল উপৰে বসি হৰি।
ভুঞ্জন্ত লৱনু চুৰি কৰি।।
শিকিয়াৰ পৰা নমাই আনি।
বানৰকো দেন্ত দলি হানি।।
শঙ্কিত নয়নে নাহি সাৰি।
দেখিয়া যশোদা লৈলা বাড়ি।।
মাৰিবে আসন্ত জানি ডৰে।
দিলা লড় নামি উড়লৰে।।
পাচে পাচে যশোদা খেদন্ত।
ভয়ে লাগ মাৱক নেদন্ত।।
যাক যোগী নপাৱে ধ্যানত।
হেন হৰি পলান্ত ভয়ত।।
পুত্ৰক খেদন্ত মহাসতী।
শ্ৰোণী ভৰে আক্ৰমিলা গতি।।
বেগত মেলান ভৈল খোপা।
খসি পড়ে মালতীৰ থোপা।।
গোবিন্দে মাৱৰ শ্ৰম দেখি।
ৰহিল কান্দন্তে মুদি আখি।।
সভয় নয়ন চান্ত ডৰে।

যশোদা ধৰিল আসি কৰে।।
ভাণ্ড ভাঙ্গি আবে যাইবি কোথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা।।
সকল লৱণু কৈলি নাশ।
শুনি প্ৰভু ভৈলা মহাত্ৰাস।।
দেখি বাড়ি এৰিলাহা সতী।
কৃষ্ণক বান্ধিবে ভৈলা মতি।।
নাহি আদি অন্ত পূৰ্ব্বাপৰ।
পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ।।
তাহাঙ্ক তনয় মানি বলে।
যশোদা বান্ধন্ত উড়ুখলে।।
বান্ধন্ত কৃষ্ণক আনি ধৰি।
নোজোড়ে আঙ্গুল দুই জৰী।।

**কবি-পৰিচয় :**

নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯—১৫৬৮)-ৰ নগাঁৱৰ আলিপুখুৰীত জন্ম হয়। তেওঁ অকল ধৰ্মগুৰুৱেই নহয়, অসমীয়া সাহিত্যৰ গুৰি ধৰোঁতাও আছিল। শংকৰদেৱ অসমীয়া সাহিত্যৰ এগৰাকী যুগস্ৰষ্টা কবি তথা সাহিত্যিক। তেওঁ অসমীয়া জাতিৰ সংগঠক, সংস্কাৰক। ধৰ্মৰ লগতে সাহিত্য-সংস্কৃতিৰ প্ৰচাৰৰ অৰ্থেও সংস্কৃত গ্ৰন্থ অধ্যয়ন কৰি তাৰ পৰা তত্ত্বকথা আয়ত্ত কৰি গীত, পদ, নাট, উপাখ্যান আদি ৰচনা কৰিছিল। এইদৰেই তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যায়। শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ আছিল 'কীৰ্ত্তন-ঘোষা'। ইয়াৰ উপৰি ভাগৱতৰ কেইবাটাও স্কন্ধ, 'উত্তৰাকাণ্ড ৰামায়ণ' তেওঁ অসমীয়ালৈ অনুবাদ কৰে। 'ৰুক্মিণীহৰণ', 'হৰিশ্চন্দ্ৰ উপাখ্যান' আদি কাব্য ৰচনা কৰাৰ লগতে বৰগীতো ৰচনা কৰিছিল। 'ৰুক্মিণীহৰণ', 'পাৰিজাত হৰণ', 'কেলিগোপাল', 'কালিদমন', 'ৰামবিজয়' আদি অঙ্কীয়া নাট ৰচনা কৰিছিল। 'ভক্তিৰত্নাকৰ' শংকৰদেৱৰ এখন শ্ৰেষ্ঠ তত্ত্বমূলক গ্ৰন্থ। সংলাপবিহীন নাট 'চিহ্নযাত্ৰা'ৰে শংকৰদেৱে অসমীয়া নাট্যবুৰঞ্জীৰ পাতনি মেলিছিল।

সুদূৰ পোন্ধৰ শতিকাতে শংকৰদেৱে অসমীয়া ভাষা-সাহিত্যৰ কিদৰে উন্নতি সাধন কৰিছিল তাৰ আভাস ছাত্ৰ-ছাত্ৰীসকলে এই পাঠটিৰ জৰিয়তে পাব। কৃষ্ণই সাধাৰণ শিশু এটিৰ দৰে কৰা আচৰণবোৰে ছাত্ৰ-ছাত্ৰীৰ মনত আনন্দ দিব বুলিও আশা কৰা হৈছে।

**পাঠবোধ :**

শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'কীৰ্ত্তন-ঘোষা'ৰ 'শিশুলীলা' পাঠটিত ভক্তিৰসৰ অমৃত নিজৰা প্ৰবাহিত হৈছে। যশোদাৰ অচলা ভক্তিৰ বলত জগতৰ স্ৰষ্টা কৃষ্ণক পুত্ৰৰূপে লাভ কৰিছে। পৰম ব্ৰহ্ম হৈও তেওঁ যশোদাৰ পুত্ৰৰূপে ধৰা দিছে। পাঠটিত কবি শংকৰদেৱে কৃষ্ণৰ মানৱীয় লীলাৰ কথা কৈছে যদিও তাৰ আঁৰত ভগৱানৰ পৰমপুৰুষ স্বৰূপৰ ইংগিত দিছে। শিশুলীলাৰ আখ্যানভাগত কৃষ্ণ হৈ পৰিছে চিৰন্তন শিশুৰ এক মোহনীয় ৰূপ। এয়া যেন আমাৰ চিনাকি এক শিশুৰহে দুষ্টালি। কিন্তু এই বাল্যলীলাৰ আঁৰত লুকাই থকা জগত সৃষ্টিকাৰী ঈশ্বৰৰ প্ৰতি ভক্তিহে পাঠটিৰ মূল তাৎপৰ্য। বৈষ্ণৱ কবিজনাই কৃষ্ণৰ মানৱীয় কাৰ্যকলাপ বৰ সুন্দৰকৈ অংকন কৰিছে। অনুপম বৰ্ণনাৰীতি, মনোৰম ছন্দ আৰু শব্দ ব্যৱহাৰৰ সুষমাই 'শিশুলীলা' পাঠটিক এক সুকীয়া গাম্ভীৰ্য প্ৰদান কৰিছে।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| আউৰ | : | আৰু। |
| আখি | : | চকু। |
| আজোড়ন্তে | : | আজুৰি থাকোঁতে। |
| কঙ্কণ | : | খাৰু। |
| কোপে | : | খঙত। |
| খসি | : | খহি। |
| চাণ্ড | : | জোৰকৈ। |
| ছায়া | : | চাই। |
| ডৰে | : | ভয়তে। |
| দশন | : | দাঁত। |
| দিব্য | : | স্বৰ্গীয়। |
| দোলে | : | দুলি থাকে; লৰে। |
| নন্দজায়া | : | নন্দৰজাৰ পত্নী। |
| নিষেধি | : | বাধা দি। |
| পশিলন্ত | : | সোমালহি। |
| প্ৰয়াসি | : | যত্ন কৰি। |
| বদন | : | মুখ। |
| বসি | : | বহি। |
| ভুঞ্জন্ত | : | খালে। |
| মথনি | : | গাখীৰ ঘুঁটিবলৈ ব্যৱহাৰ কৰা এবিধ সঁজুলি। |

| | | |
|---|---|---|
| মহাত্ৰাস | : | খুব বেছি ভয় খোৱা। |
| মেলান | : | মেল খোৱা বা মুকলি হোৱা। |
| শিকিয়া | : | কোনো বস্তু ওপৰত আঁৰি থ'বৰ বাবে ৰচিৰে প্ৰস্তুত কৰা এবিধ সঁজুলি। |
| শ্ৰোণী ভৰে | : | নিতম্ব বা তপিনাৰ ভৰত। |
| সিঞ্চিৰাই | : | ছটিয়াই দি; সিঁচি দি। |
| স্ৰবৈ | : | বৈ থকা। |
| ক্ষৌম বস্ত্ৰ | : | পাটৰ কাপোৰ। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। অতি চমু প্ৰশ্নৰ উত্তৰ লিখা :

(ক) 'কৃষ্ণগীত গাৱন্ত সুন্দৰী'।।
—কৃষ্ণগীত গোৱা সুন্দৰীগৰাকী কোন?

(খ) 'কৰ্ণত কুণ্ডল দোলে আতি।'
—কাৰ কৰ্ণৰ কুণ্ডলৰ কথা কৈছে?

(গ) 'কাম্পে কোপে অৰুণ অধৰ।'
—ইয়াত কাৰ অৰুণ অধৰৰ কথা কৈছে?

(ঘ) 'মথনিত ধৰিয়া নিষেধি'।
—'মথনি' শব্দৰ অৰ্থ কি?

(ঙ) 'নোজোড়ে আঙ্গুল দুই জৰী'—ইয়াত কাৰ জৰীৰ নাটনি হৈছে?

(চ) 'ৰুণ ঝুণ কেয়ূৰ কঙ্কণ'।
—কাৰ কেয়ূৰ কঙ্কণৰ 'ৰুণ ঝুণ' শব্দৰ কথা ইয়াত কোৱা হৈছে?

২। 'শিশুলীলা' পাঠটিত ফুটি উঠা শ্ৰীকৃষ্ণৰ মানৱীয় ৰূপৰ বিষয়ে নিজৰ ভাষাৰে লিখা।

৩। শংকৰদেৱৰ মহত্তম সৃষ্টি 'কীৰ্তন-ঘোষা'ৰ বিষয়ে এটি চমুটোকা লিখা।

৪। 'শিশুলীলা' পাঠটিৰ অন্তৰ্নিহিত তাৎপৰ্য বুজাই লিখা।

৫। 'তাহাঙ্ক তনয় মানি বলে।
যশোদা বান্ধন্ত উডুখলে।'—কথাযাৰৰ অন্তৰ্নিহিত তাৎপৰ্য বুজাই লিখা।

৬। 'নাহি আদি অন্ত পূৰ্বাপৰ।
পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ।।'—ইয়াত কবিয়ে শিশু কৃষ্ণৰ ঐশ্বৰিক গুণৰ প্ৰকাশ কেনেদৰে কৰিছে বুজাই

লিখা।

৭। ব্যাখ্যা কৰা :

(ক) যাক যোগী নপাৰে ধ্যানত।
হেন হৰি পলান্ত ভয়ত।।

(খ) ভাণ্ড ভাঙ্গি আবে যাইবি কোথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা।।

(গ) পাচে পাচে যশোদা খেদন্ত।
ভয়ে লাগ মাৰক নেদন্ত।।

৮। 'শিশুলীলা' পাঠৰ আধাৰত শ্ৰীকৃষ্ণৰ নানা ধৰণৰ কাৰ্যৰ বিষয়ে নিজৰ ভাষাৰে বিৰৰি লিখা।

৯। 'মহাকোপে কোঠা পশিলন্ত
সিঞ্চিৰাই লৱণু ভুজন্ত।।'—কোনে অতি খঙেৰে কোঠাত সোমাইছিল? তেওঁ কিয় লৱণুবোৰ চাৰিওফালে ছটিয়াই খাইছিল বুজাই লিখা।

১০। কৃষ্ণক ধৰিবলৈ গৈ যশোদাৰ কেনে অৱস্থা হৈছিল বুজাই লিখা।

**ভাষা-বিষয়ক :**

১১। তলত দিয়া শব্দবোৰৰ এটা বা দুটাকৈ সমাৰ্থক শব্দ লিখা ঃ

| | | | |
|---|---|---|---|
| কৰ্ণ | অৰুণ | দধি | বস্ত্ৰ |
| বদন | লৱণু | কোপ | দশন |
| দুগ্ধ | ঈশ্বৰ। | | |

১২। তলৰ পুৰণি অসমীয়া শব্দবোৰৰ আধুনিক ৰূপ লিখা :
তাহাঙ্ক; নোজোৰে; খসি; ৰহিল; আসি; ভৈলা; আসন্ত; শিলায়ে; কাম্পে; মাৰক; বসি; প্ৰয়াসি; খেদন্ত।

১৩। তলৰ শব্দকেইটাত কি কি কাৰণত মূৰ্দ্ধন্য 'ণ' আৰু মূৰ্দ্ধন্য 'ষ' হৈছে বুজাই লিখা :
অৰুণ; কঙ্কণ; কৰ্ণ; শ্ৰোণী; ভাণ্ড; নিষেধি।

১৪। পাঠটোত থকা অসমাপিকা ক্ৰিয়া শব্দ পাঁচোটা বাছি উলিয়াই লিখা।

● ● ●

A2P7L6

# মানৱ বন্দনা

**চন্দ্ৰকুমাৰ আগৰৱালা**

আহিছে মানুহ গইছে মানুহ
মানুহ মযাপী জীৱ,
মানুহ সোঁতৰ অন্ত নাইকিয়া
বুলিলে মৰত কিয়?
মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।

**কবি-পৰিচয় :**

**চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) ঃ** অসমীয়া সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম। ৰোমাণ্টিক যুগৰ এগৰাকী শ্ৰেষ্ঠ কবি। কবিতা পুথি—'প্ৰতিমা' (১৯১৪) আৰু 'বীণ বৰাগী' (১৯২৩)। সম্পাদিত কাকত-আলোচনী—'জোনাকী', 'সাদিনীয়া অসমীয়া'।

**পাঠবোধ ঃ**

উদাৰ মানৱতাবাদ প্ৰকাশ পোৱা 'মানব বন্দনা' কবিতাটিৰ মাজেদি কবিৰ মানৱ সেৱাৰ মনোভাৱ অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। মানুহৰ পাৰস্পৰিক মৰম-চেনেহৰ জৰিয়তে যে এই মৰ্ত্যতেই স্বৰ্গৰ সুখ লাভ কৰিব পাৰি এই কথাও কবিতাটিত পৰিস্ফূত হৈছে। কবিতাটিৰ সাংগীতিক লয়ো ইয়াৰ আন এক বিশেষত্ব। মানুহৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাটোৱেই কবিতাটোৰ ঘাই উদ্দেশ্য।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| অৰ্ঘ্য | : | পূজাৰ উপকৰণ। |
| কেৱ | : | কেও, কোনো। |
| ধৰম | : | ধৰ্ম। |
| নিজাপী | : | সম্পূৰ্ণ নিজৰ। |
| ময়াপী | : | মায়া, মোহ, ভ্ৰান্তি উপজোৱা জীৱ। |
| পৰাৎপৰ | : | শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ, পৰম সত্য। |
| পাদ্য | : | ভৰি ধুবলৈ দিয়া পানী। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। চমু উত্তৰ লিখা ঃ

ক) 'মানুহেই পৰাৎপৰ' বোলা কথাযাৰৰ অৰ্থ কি?

খ) মানুহক 'ময়াপী জীৱ' বোলাৰ অৰ্থ কি?

গ) পাদ্য অৰ্ঘ্য লৈ মানুহক পূজা কৰাৰ অৰ্থ কি?

২। 'মানৱ বন্দনা' কবিতাটিৰ সাৰাংশ তোমাৰ নিজৰ কথাৰে বিৱৰি লিখা।

৩। 'এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।'—

কথাযাৰৰ অৰ্থ বুজাই লিখা।

৪। তাৎপৰ্য ব্যাখ্যা কৰা :

(ক) মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,

মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।

(খ) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় জয় মানৱ দেৱ।

**ভাষা-বিষয়ক :**

৫। সমাৰ্থক শব্দ লিখা ঃ
মানুহ; সংগ; পৃথিৱী; সোঁত; স্বৰ্গ; দেৱ।

৬। সংস্কৃত কৰ্ম, ধৰ্ম আদি শব্দৰ পৰা কৰম, ধৰম আদি শব্দৰ উৎপত্তি হৈছে। এনে কিছুমান শব্দ বাছি উলিয়াই এখন তালিকা প্ৰস্তুত কৰা।

● ● ●

# গীত আৰু ছবি

**দুৰ্গেশ্বৰ শৰ্মা**

কোনেও সেইটি গীত ভাল নুবুলিব
যিটি গীত বুজাইহে বুজে;
কোনেও সেইটি ছবি ভাল নেদেখিব
যাৰ মূল আটায়ে নুবুজে।
যিটি দেখি সকলোৱে একে ৰং পায়,
জগতৰো উলাহ বঢ়ায়,
সিহে পায় নিজে নিজে আলাসত ঠাই
সকলোৱে ভাল বুলি কয়।
যিমান নুবুজা হওঁ তথাপি শুনিলে
ভাল গীতে হৃদয় জগাব,
যিমান নজনা হওঁ চকুত পৰিলে
ভাল ছবি মনত সোমাব।
সদায় চকুৰে দেখা গছ-পাতটিও
ছবিটিত ভাল হৈ পৰে,
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে।
মিহি ভাব মিহি গতি কৌশলী বিদ্যাৰ
নাই মৃত্যু অজৰ-অমৰ,
য'তে পৰে ত'তে গজে, বিভিন্ন আকাৰ,
ঠাই বুজি দীঘল-ডাঙৰ।

## কবি-পৰিচয় ঃ

**দুৰ্গেশ্বৰ শৰ্মা (১৮৮২-১৯৬১)**-ৰ জন্ম যোৰহাটৰ পটীয়াগাঁৱত। পিতৃৰ নাম কমলেশ্বৰ শৰ্মা। যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৮৯৯ চনত এণ্ট্ৰেন্স পাছ কৰি কোচবিহাৰ কলেজত নাম লগায়। ইয়াৰ পৰাই ১৯০৩ চনত বি. এ. আৰু ১৯০৬ চনত আইনৰ পৰীক্ষা পাছ কৰি যোৰহাটতে ওকালতি আৰম্ভ কৰে। ১৯১১ চনত ই. এ. চি.-ৰূপে কামত যোগদান কৰি পৰৱৰ্তী সময়ত বিভিন্ন উচ্চ-পদবীলৈ পদোন্নতি লাভ কৰি অৱসৰ লয়। ১৯৬১ চনত গুৱাহাটীত তেওঁৰ মৃত্যু হয়। এগৰাকী কবি আৰু নাট্যকাৰ হিচাপে প্ৰসিদ্ধি লাভ কৰা দুৰ্গেশ্বৰ শৰ্মাৰ নাটককেইখন হৈছে— অমিত্ৰাক্ষৰ ছন্দত লিখা 'পাৰ্থ পৰাজয়' (১৯০৯), চে'ক্সপীয়েৰৰ 'এজ ইউ লাইক ইট'ৰ ভাঙনি 'চন্দ্ৰাৱলী' (১৯১০), 'পদ্মাৱতী', 'বালিবধ' আদি। কবিতাপুথি— 'অঞ্জলি' (১৯১০) আৰু 'নিবেদন' (১৯১৫)।

## পাঠবোধ ঃ

'গীত আৰু ছবি' কবিতাটোৰ জৰিয়তে কবিয়ে প্ৰকৃত গীত আৰু ছবিৰ সাৰ্বজনীন আবেদন আৰু মহত্ত্বৰ কথা কলাত্মক ৰূপত তুলি ধৰিছে।

### শব্দাৰ্থ আৰু টোকা ঃ

অজৰ-অমৰ ঃ যাৰ জন্মও নাই, মৃত্যুও নাই; চিৰস্থায়ী।

আলাস ঃ আকাশ; শূন্য।

মিহি ঃ সূক্ষ্ম; নিমজ; পাতল।

মূল ঃ প্ৰধান; গুৰি; ঘাই কাৰণ; গুৰি কথা।

### প্ৰশ্নাৱলী

### ভাব-বিষয়ক ঃ

১। চমু উত্তৰ দিয়া ঃ

(ক) কেনে গীত আৰু কেনে ছবিক কোনেও ভাল নোবোলে?

(খ) সদায় কাণেৰে শুনা সৰু কথাটিয়ে কেনেকৈ আমাৰ প্ৰাণ টানি ধৰে?

(গ) কবিৰ মতে কোনবোৰ বস্তু অজৰ-অমৰ?

(ঘ) কেনেকুৱা গীত আৰু ছবিক সকলোৱে ভাল বুলি কয়?

(ঙ) 'সিহে পায় নিজে নিজে আলাসত ঠাই'—ইয়াত 'আলাস' শব্দটোৰ অৰ্থ কি?

২। ভাল গীত আৰু ছবিৰ মহত্ত্ব কেনেকুৱা—কবিতাটোৰ সহায়ত বুজাই লিখা।

৩। সদায় চকুৰে দেখা গছ পাতটিও ছবিত কিয় ভাল হৈ পৰে বুলি তুমি ভাবা? নিজৰ মতামত আগবঢ়োৱা।

৪। কেনেকুৱা গীত আৰু ছবিক কোনেও ভাল নোবোলে আৰু কোনবোৰ গীত আৰু ছবিক সকলোৱে ভাল বুলি আদৰি লৈ আলাসত ঠাই দিয়ে নিজৰ ভাষাৰে বৰ্ণনা কৰা।

৫। 'গীত আৰু ছবি' কবিতাটোৰ সাৰাংশ লিখা।

৬। ব্যাখ্যা কৰা ঃ

(ক) সদায় চকুৰে দেখা গছ-পাতটিও
ছবিটিত ভাল হৈ পৰে,
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে।

(খ) 'মিহি ভাব মিহি গতি কৌশলী বিদ্যাৰ
নাই মৃত্যু অজৰ-অমৰ
য'তে পৰে ত'তে গজে, বিভিন্ন আকাৰ
ঠাই বুজি দীঘল-ডাঙৰ।'

**ভাষা-বিষয়ক ঃ**

৭। সমাৰ্থক শব্দ লিখা ঃ

জগত; উলাহ; চকু; সৰু; ভাল; কাণ।

৮। বাক্য ৰচনা কৰা ঃ

কৌশলী বিদ্যা; অজৰ-অমৰ; আলাসত ঠাই; ডাঙৰ-দীঘল।

৯। বিপৰীত শব্দ লিখা ঃ

মিহি; প্ৰাণ; মৃত্যু; মূল; ক্ষুদ্ৰ।

● ● ●

B4Y1D1

# প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক

ড° ভূপেন হাজৰিকা

প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক
তোমাৰ প্ৰাপ্য কি কোৱা?
মনৰ দুৱাৰ মেলি নিৰ্ভীকভাৱে ক'লোঁ।
তোমাৰ শক্তিখিনি দিয়া।
বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?
মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।

এদিন আকাশে ক'লে, জনৈক গীতিকাৰে
'অকণি আকাশ' দেখোঁ মাগে
তুমি কিয় আজি বাৰু কম্পিত কণ্ঠেৰে
মাগিছা সৰ্বাকাশ সত্তা?
মই ক'লোঁ, তুমিয়েতো কৈছিলা ৰাতিপুৱা
যিমানে বিলাই দিবা, সিমানে মহান হ'বা
তাৰে নাম সঁচা উদাৰতা।
সেয়েহে আকাশ তুমি দিব যদি খুজিছাই
সংকীৰ্ণতা এৰি দিয়া
অৱদান ৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।

মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

বজ্ৰৰ কণ্ঠেৰে ধুমুহাৰ শক্তিৰে
গীত গাই কঁপাম দিগন্ত
দানৱৰ সমাজতো গাম মানৱৰ গীত
কলিজাৰ সঁচা-সুৰ সিক্ত।

মুমূৰ্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ
আকাশ, ধুমুহা আৰু বজ্ৰক
তাৰ বাবে শতবাৰ প্ৰণিপাত কৰোঁ।

**কবি-পৰিচয় ঃ**

জন্ম শদিয়াত ১৯২৬ চনৰ ৮ চেপ্টেম্বৰত। গুৱাহাটী আৰু তেজপুৰত স্কুলীয়া শিক্ষা লাভ কৰে। গুৱাহাটীৰ কটন কলেজৰ পৰা আই. এ. পৰীক্ষাত উত্তীৰ্ণ হৈ বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ উপাধি লাভ কৰে। পৰৱৰ্তী সময়ত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰাও শিক্ষা বিজ্ঞানত স্নাতকোত্তৰ উপাধি লাভ কৰাৰ লগতে উক্ত বিশ্ববিদ্যালয়ৰ পৰাই পি. এইচ. ডি. উপাধি লাভ কৰে। বি. বৰুৱা মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনাৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰতো কাৰ্যনিৰ্বাহ কৰিছিল। অসাধাৰণ প্ৰতিভাৰ অধিকাৰী এইজনা ব্যক্তিয়ে ঘাইকৈ কণ্ঠশিল্পী, গীতিকাৰ, চলচ্চিত্ৰ পৰিচালক হিচাপে কেৱল অসম বা ভাৰততে নহয়, বিশ্বৰ বিভিন্ন স্থানত সমাদৰ পাবলৈ সক্ষম হৈছে। ১৯৫৬ চনত ‘এৰাবাটৰ সুৰ’ চলচ্চিত্ৰৰ যোগেদি চলচ্চিত্ৰ-পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছিল আৰু আঠখন অসমীয়া, এখন বাংলা আৰু এখন হিন্দী চলচ্চিত্ৰ পৰিচালনা কৰিছিল। ইয়াৰে কেইখনমান হ’ল ‘শকুন্তলা’ (১৯৬১), ‘প্ৰতিধ্বনি’ (১৯৬৪), ‘লটিঘটি’ (১৯৬৬), ‘চিকমিক বিজুলী’ (১৯৬৯), ‘চিৰাজ’ (১৯৮৮) আদি। অসমীয়া চলচ্চিত্ৰৰ লগতে বাংলা, হিন্দী, ভোজপুৰী, কাৰ্বি, বড়ো, মালায়ালম ভাষাৰ শতাধিক ছবিৰ সংগীত পৰিচালনা কৰিছিল। পৰিচালনা কৰা তথ্যচিত্ৰৰ সংখ্যা নখন। কেইবাখনো চলচ্চিত্ৰত অভিনয় কৰিছিল। সম্পাদিত আলোচনী ঃ ‘আমাৰ প্ৰতিনিধি’, ‘বিন্দু’, ‘প্ৰতিধ্বনি’ আদি। ৰচিত গ্ৰন্থ পঞ্চাশখনতকৈও অধিক। ড° হাজৰিকাই দেশে-বিদেশে অৰ্ধশতাধিক বঁটা-সন্মান লাভ কৰিছিল।

ইয়াৰ ভিতৰত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক, শ্ৰেষ্ঠ সংগীত-পৰিচালনাৰ ৰাষ্ট্ৰীয় বঁটা, দাদা চাহেব ফাল্কে বঁটা, পদ্মভূষণ, অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য সন্মান আদি বিশেষভাৱে উল্লেখযোগ্য। ২০১১ চনৰ ৫ নবেম্বৰত মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানি হাস্পাতালত দেহাৱসান ঘটে।

আধুনিক অসমীয়া তথা ভাৰতীয় গীতি-কবিতাৰ ইতিহাসত ড° হাজৰিকাৰ গীতি-কবিতাসমূহে এক বিশেষ স্থান লাভ কৰিছে। মানুহৰ হৃদয়ৰ বিচিত্ৰ ভাবানুভূতিৰ লগতে প্ৰকৃতি আৰু মানৰ সমাজ-সংস্কৃতিক তেওঁ সংগীতৰ মূৰ্চ্ছনাৰে বাঙ্ময় কৰি তুলি অত্যন্ত হৃদয়স্পৰ্শী আবেদনৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

খ্ৰীষ্টীয় ১৯৬৩ চনত ৰচিত এই গীতি কবিতাটিৰ জৰিয়তে গীতিকাৰে প্ৰকৃতি জগতৰ নানা উপাদানৰ পৰা নানা গুণ আহৰণ কৰি মহৎ মানৱীয় অনুভূতিৰ জয়গান গাব বিচাৰিছে।

**পাঠবোধ ঃ**

কবিতাটোত প্ৰবাহিত হৈ আছে মানৱতাৰ সুৰ। ধুমুহাৰ দৰে প্ৰচণ্ড শক্তি লাভ কৰি সমাজৰ উত্তৰণত সেই শক্তি প্ৰয়োগ কৰিবলৈ কবি আগ্ৰহী। বজ্ৰৰ দৰে নিৰ্ভীকতা আৰু উদাত্ত কণ্ঠেৰে মানৱতাৰ জনগান গাবলৈ কবিয়ে যেন ইচ্ছা প্ৰকাশ কৰিছে। আকাশৰ বিশালতাই কবিক যেন সোঁৱৰাই দিছে— সংকীৰ্ণতাৰ পৰিধি ভঙা এক মানৱিক উদাৰতাৰ কথা। মুমূৰ্ষু মানৱক মানৱতাবোধেৰে পুনৰ সঞ্জীৱিত কৰাটোৱেই কবিতাটোৰ মুখ্য অভিপ্ৰায়।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | |
|---|---|
| উদাত্ত কণ্ঠ | ঃ গুৰু-গম্ভীৰ মাত। |
| কাম্য | ঃ কামনা কৰা, বিচৰা। |
| জনৈক | ঃ অনিৰ্দিষ্ট কোনো এজন। |
| সত্তা | ঃ অস্তিত্ব; উপস্থিতি; বিদ্যমানতা। |
| সিক্ত | ঃ তিতা; আৰ্দ্ৰ; ভিজা। |
| মুমূৰ্ষু | ঃ মৃতপ্ৰায়। |
| প্ৰণিপাত | ঃ সেৱা। |
| মনৰ দুৱাৰ মেলি | ঃ অন্তঃকৰণেৰে; মুক্তভাৱে; অন্তৰত কোনো খোকোজা নৰখাকৈ। |
| বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে | ঃ বজ্ৰই হৃদয় উদঙাই স্বাভাৱিক শব্দৰেই ক'লে। |

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক ঃ**

১। চমু উত্তৰ দিয়া ঃ

(ক) কবিয়ে কাক সংকীৰ্ণতা এৰি দি পূৰ্ণ বিশালতা দিবলৈ আহ্বান জনাইছে?

(খ) কবিৰ প্ৰাপ্য কি তাক সুধি কোনে প্ৰশ্ন কৰিছিল?

(গ) কবিক বিশাল দৃষ্টি কোনে দিলে?

(ঘ) 'মুমূৰ্যু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ'—ইয়াত 'বিদ্যুৎ' শব্দই কি বুজাইছে?

(ঙ) প্ৰচণ্ড ধুমুহাই কবিক কি প্ৰশ্ন কৰিছিল?

২। বজ্ৰই কবিক কি কি দিলে?

৩। কবিয়ে 'সঁচা উদাৰতা' কথাষাৰেৰে কি বুজাব খুজিছে?

৪। কবিয়ে কিহৰ দ্বাৰা দিগন্ত কঁপাবলৈ মন মেলিছে চমুকৈ বুজাই লিখা।

৫। কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি কাৰ সমাজত কি গীত গাবলৈ সাজু হৈছে?

৬। আকাশ, ধুমুহা আৰু বজ্ৰক কবিয়ে কি কাৰণে প্ৰণিপাত জনাইছে বহলাই লিখা।

৪। ব্যাখ্যা কৰা ঃ

(ক) বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?
মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।

(খ) সেয়েহে আকাশ তুমি দিব যদি খুজিছাই
সংকীৰ্ণতা এৰি দিয়া
অৱদান-ৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।

(গ) মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

(ঘ) মুমূৰ্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ
আকাশ, ধুমুহা আৰু বজ্ৰক
তাৰ বাবে প্ৰণিপাত কৰোঁ।

**ভাষা-বিষয়ক ঃ**

৫। তলত দিয়া শব্দবোৰৰ সমাৰ্থক শব্দ লিখা ঃ
ধুমুহা; বুকু; কাম্য; সংকীৰ্ণতা; বিশাল; দানৱ; প্ৰণিপাত; সিক্ত।

৬। তলত দিয়া শব্দকেইটাত কি কাৰণে 'ণ' হৈছে লিখা ঃ
কণ্ঠ; পূৰ্ণ; প্ৰচণ্ড; সংকীৰ্ণতা; প্ৰণিপাত।

৭। তলত দিয়া শব্দকেইটাত কি কাৰণে 'ষ' হৈছে লিখা ঃ
মুমূৰ্ষু; দৃষ্টি।

৮। সন্ধি ভাঙা ঃ
দিগন্ত; সৰ্বাকাশ; সংকীৰ্ণ।

●●●

# মোৰ দেশ

হীৰেন ভট্টাচাৰ্য

মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ।
মোৰ প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই এই দেশৰ বুকুত ৰচে
শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন। মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ কলৰোল।

দেশে দেশে দেশ আছে। এনে বহু দেশৰ অৰঙে-দৰঙে
মই ঘূৰিছোঁ। বহু বন্ধুৰ স'তে হাতে হাতে হাত ধৰি ফুৰিছোঁ।
কেতিয়াবা সাগৰ পাৰত, কেতিয়াবা খেজুৰ তলত, নতুবা
পাহাৰতলিত খন্তেক জিৰাইছোঁ। বন্ধুৰ সতে প্ৰাণ খুলি
প্ৰাণৰ কথা পাতিছোঁ। তাৰ পিছত আকৌ আৰম্ভ কৰিছোঁ নতুন যাত্ৰা।

এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ। যাৰ বুকুৰ উমে মোক
দিছে ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য! জীৱনৰ নতুন অৰ্থ।
এই দেশৰ প্ৰতিটো পুৱাই মোলৈ লুকাই আনে ঐশ্বৰ্যৰ বিপুল সম্ভাৰ।
প্ৰতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ সুবাস। প্ৰতিটো ঋতুৱে
মোক দি যায় জীৱনৰ আশীৰ্বাদ।

এই দেশৰ বাবে মই জীয়াই আছোঁ। এই দেশৰ বাবে মই
জীয়াই থাকিবলৈ মৰণ পণ কৰিছোঁ। ৰণুৱা, বনুৱা, হালোৱা
এইসকলৰ মাজত মই আছোঁ— মোৰ দেশৰ বাবে। অনৈক্যৰ
মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।
জীৱনে-মৰণে, শয়নে-সপোনে এই দেশৰ আহ্বান মই শুনিছোঁ।

শত্ৰু-মিত্ৰ সকলোকে মই চিনিছোঁ। সিহঁতৰ অন্তৰ মই বিশ্বাসেৰে
জিনিছোঁ। শান্তিৰ চৰাইযুৰিক আঁজলি ভৰাই মই দিছোঁ— ভঁৰালৰ
এমুঠি ধান, পৰাণৰ একোটি গান।
আৰুতো মোৰ একো নাই!
মোৰ দেশ— মোৰ কল্লোলিত সপোনৰ উত্তাল তৰংগই
মোক লৈ যায় গভীৰৰ পৰা গভীৰতৰলৈ, আদৰ্শৰ
কঠিন পৰ্বত-মূললৈ...

**কবি-পৰিচয় :**

হীৰেন ভট্টাচাৰ্য (১৯৩২-২০১২) ৰ জন্ম যোৰহাটত। কেইবাখনো চহৰত স্কুলীয়া শিক্ষা গ্ৰহণ কৰে। গুৱাহাটীৰ ভোলানাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা আই.এ.পাছ কৰে। ছপাশালৰ কাম আৰু শিক্ষকতাৰ লগতে চিত্ৰবন প্ৰেছৰ গৰাকীও আছিল। ‘সুগন্ধি পখিলাৰ কবি’ হিচাপে জনাজাত। তেওঁৰ কবিতাপুথি হ’ল—‘ৰৌদ্ৰ কামনা’, ‘তোমাৰ বাঁহী’, ‘সুগন্ধি পখিলা’, ‘বিভিন্ন দিনৰ কবিতা’, ‘মোৰ প্ৰিয় বৰ্ণমালা’ ইত্যাদি। ‘শইচৰ পথাৰ মানুহ’ কবিতাপুথিৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।

**পাঠবোধ :**

‘মোৰ দেশ’ কবিতাটিত স্বদেশপ্ৰেমৰ নিভাঁজ ৰূপ জিলিকি উঠিছে। কবি তেওঁৰ শৈশৱ আৰু যৌৱন অতিবাহিত কৰা দেশখনৰ প্ৰতি সদায় দায়বদ্ধ। দেশৰ ঐক্য, সংহতি আৰু সম্প্ৰীতিৰ তেওঁ সদা সচেতন প্ৰহৰীস্বৰূপ। দেশৰ হকে কিবা এটা কৰাৰ প্ৰতিশ্ৰুতি কবিতাটিৰ মাজত জিলিকি আছে। কবিয়ে বিভিন্ন দেশ-বিদেশ ভ্ৰমণ কৰিছে যদিও সকলোৰে ওপৰত নিজৰ দেশক স্থান দিছে। প্ৰতিগৰাকী দেশবাসীৰ ৰক্তপ্ৰবাহত দেশানুৰাগ প্ৰবাহিত কৰিবলৈ কবিতাটিয়ে অনুপ্ৰাণিত কৰে।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| ঐশ্বৰ্য | — | বিপুল ধন-সম্পত্তি; বিভূতি। |
| কলৰোল | — | কলৰৱ। |
| পৰাণ | — | প্ৰাণ। |
| প্ৰাচুৰ্য | — | উভৈনদী হৈ থকা অৱস্থা; আধিক্য। |
| সুবাস | — | ভাল গোন্ধ; সুগন্ধি; সুৰভি। |

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক :**

১। (ক) হীৰেন ভট্টাচাৰ্যৰ ক'ত জন্ম হৈছিল?

(খ) হীৰেন ভট্টাচাৰ্যই সম্পাদনা কৰা দুখন কাকতৰ নাম লিখা।

(গ) দেশৰ প্ৰতিটো পুৰাই কবিৰ বাবে কি লুকাই আনিছে?

২। 'মোৰ দেশ' কবিতাটোৰ মূলভাৱ লিখা।

৩। ব্যাখ্যা কৰা ঃ

(ক) অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত
সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।

(খ) মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ কলৰোল।

৪। কবিতাটোত কবিৰ দেশপ্ৰেমৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা।

৫। প্ৰতিটো ঋতুৱে কবিক কি দি যায় বুলি কবিতাটোত উল্লেখ কৰিছে?

৬। শান্তিৰ চৰাইজনীক আঁজলি ভৰাই কবিয়ে কি দিছে?

**ভাষা-বিষয়ক :**

৭। সমাৰ্থক শব্দ লিখা :

দেশ, কাম, কলৰোল, সাগৰ, সপোন, বন্ধু, শেষ, সম্ভাৰ, শইচ, বুকু, তৰংগ, কল্লোল।

৮। বিপৰীতাৰ্থক শব্দ লিখা :

সপোন, দেশ, জীৱন, পাহাৰ, ঐক্য, সংহতি, শয়ন, বিশ্বাস, শত্ৰু।

● ● ●

T5L8H5

# অন্যৰ প্ৰতি ব্যৱহাৰ

**সত্যনাথ বৰা**

**(১৮৬০-১৯২৫)**

যিবিলাক মানুহেৰে সৈতে সম্বন্ধ জন্মে, বা যিবিলাকেৰে সৈতে সংসাৰত সমাজ পাতি থকা হয়, সেইবিলাক মানুহৰ ভিতৰত কাৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিলে বা কেনেকৈ চলিলে সুখে-সন্তোষে কাল নিয়াব পাৰি, সংসাৰ-যাত্ৰীয়ে তাক ভালকৈ জনা উচিত। ইয়াকে নজনাৰ নিমিত্তে বহুত মানুহে জীৱনত নানাবিধ উপদ্ৰৱ ভুগিবলৈ পায়। সজ ব্যৱহাৰ যদিও সজ চৰিত্ৰৰ গুণ তথাপি চৰিত্ৰ সজ হ'লেই ব্যৱহাৰ সজ হয় বুলি ভবা উচিত নহয়। অনেক চৰিত্ৰৱন্ত মানুহ ব্যৱহাৰৰ দোষত আনৰ হিংসা-গৰিহণাৰ ভাজন হয়। আকৌ অনেক কপটীয়া-ছলাহী মানুহো ব্যৱহাৰৰ গুণত সকলোৰে মৰম পায়। এতেকে ব্যৱহাৰ প্ৰণালীক সামান্য কথা বুলি উলাই ইতিকিং নকৰি মন দি শিকা উচিত।

মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ। স্বভাৱত বহুত দোষ থাকিলে মিঠা মাতৰ গুণত সৰবৰহী হ'ব পাৰি। তোমালৈ আনৰ মৰম-ভক্তি জন্মোৱা সজ ব্যৱহাৰৰ মুখীয়াল উদ্দেশ্য। ব্যৱহাৰত মিঠা মাতৰ নাটনি হ'লে সেই উদ্দেশ্য সিদ্ধ নহয়। মিঠা মাত ব্যৱহাৰৰ কলপ বা ৰহণৰ নিচিনা। গঢ়ত প্ৰতিমা বিতোপন হ'লেও ৰহণ নলগালে শুৱনি নহয়। সেই দৰে সজ ব্যৱহাৰত মিঠা মাতৰ ৰহণ নিদিলে সি মানুহৰ মনত সন্তোষ লগাব নোৱাৰে। মিঠা বস্তুৰ কলপ লগাইহে বেজেও অকটা দৰৱ ৰুগীয়াক দিয়ে।

অবাবত কেটেৰা মাত মাতি মানুহৰ মনত বেজাৰ দিয়া অযুগুত, কিন্তু নিৰ্বোধ খিংখিঙীয়া মানুহে ভৱিষ্যত নুগুণি কেটেৰা মাৰিহে মানুহৰ লগত কথা কয়। এই শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ। সিহঁতে মনে জানি কাৰো অহিত নকৰিলেও, কেৱল কঠুৱা মাতৰ দোষতেই সকলোৰে চকুৰ কুটা যেন হৈ পৰে; সিহঁতৰ গাত লক্ষ গুণ থাকিলেও অকল তিতা মাতেই সকলোকে ঢাকি পেলায়। তিতা মুখে

মাতিলে সহস্ৰ উপকাৰ মানুহে একেতিলে পাহৰে, অৰ্বুদ দানৰ ফল একে নিমিষতে লয় হয়। সেই দেখি জ্ঞানীসকলে দানত বিনয় বিধান কৰিছে।

নম্ৰতা সজ ব্যৱহাৰৰ অনুপান। উচিত অনুপানেৰে ঔষধ খালে সি বেছি গুণ দিয়ে। সেইদৰে সজ ব্যৱহাৰত নম্ৰতা মিহলালে তাৰো উপকাৰ সৰহ হয়। দম্ভালি কথা মানুহৰ কাণত কাঁড় ফুটা দিয়ে, সেই দেখি আনৰ লগত আলাপ-আচৰণ কৰোঁতে দম্ভালি এৰি নম্ৰ হোৱা উচিত। বহুতে ভাবে যে লোকৰ আগত নম্ৰ হ'লে নিজক সৰু বা লঘু কৰা হয়। এই বিশ্বাস ভুল। নম্ৰতা ডাঙৰ আশয়ৰ চিন; তাৰ পৰা আশয়ৰ উচ্চতাহে প্ৰকাশ পায়। নম্ৰতা এটা মনৰ গুণ, মিঠা মাত তাৰ ফল। মনত নম্ৰতাৰ ভাব থাকিলে মুখেৰে আপোনা-আপুনি মিঠা মাত ওলায়। মনত অহঙ্কাৰ ৰাখি মুখে নম্ৰ হ'লে মানুহক ছল কৰা হয়। তেনেকুৱা আচৰণ অনুচিত। ব্যৱহাৰত মনে-মুখে একে হ'বলৈ সততে চেষ্টা কৰা যুগুত।

আনৰ ভাল গুণ প্ৰয়োজন অনুসৰি ফুটাই বখনা উচিত। কোনো কোনোৱে ভাবিব পাৰে যে আনক বখানিলে নিজক সৰু পতা হয়, কিন্তু দৰাচল পক্ষত তাৰ পৰা বখানোতাৰ মহত্ত্বহে প্ৰকাশ পায়। গুণীৰ গুণ তাৰ মুখৰ আগত বখনা অযুগুত, মুখৰ আগত বখানিলে নিন্দা কৰা যেন হয় আৰু সিজনে তোমাক চাটুকাৰ বুলি ভবাৰো আটক নাই। সমুখত প্ৰশংসা কৰা চাটুকাৰৰ স্বভাৱ। চাটুকাৰক মূৰ্খ বা দাম্ভিক মানুহে ভাল পাব পাৰে; কিন্তু জ্ঞানী মানুহে ঘিণায়। কোনো মানুহৰ গুণৰ কথা তাৰ সমুখতেই ক'বলগীয়া হ'লে, সংক্ষেপ কৰি কোৱা উচিত, ব্যাখ্যা কৰি বহলাই কোৱা উচিত নহয়। এজনৰ গুণৰ কথা আন এজনৰ আগত কোৱাহে ভাল, কিয়নো তাৰ পৰা তোমাৰ সৰলতাৰ চিনাকি পোৱা যায়, আৰু গুণীজনৰো উপকাৰ হয়। মানুহে নিজৰ গুণৰ কথা নিজ মুখে আনৰ আগত ক'ব নোৱাৰে, সেই কাম বন্ধু-বান্ধৱৰ পৰা সিদ্ধ হ'ব লাগে।

সকলোৰে সৈতে মিলেৰে থাকিব খুজিলে আনৰ গুপ্ত কথা লুকাই ৰাখিবলৈ জানিব লাগে। গুপ্ত কথা লুকাই ৰাখিব পৰা এটা ডাঙৰ গুণ। অনেক মানুহে এই গুণৰ অভাৱত বন্ধু-বান্ধৱ হেৰুৱায় আৰু আনৰ গৰিহণা খায়। গুপ্ত কথা লুকাই ৰখা বৰ টান কাম নহয়, তুমি নকওঁ বুলি মন বান্ধি থাকিলে তাক কোনেও বলেৰে উলিয়াই নিব নোৱাৰে। কেতবিলাক মানুহে লগ-লগৰীয়াক হঁহুৱাবলৈ লোকৰ গুপ্ত কথা সদৰী কৰে। এই শ্ৰেণী মানুহৰ স্বভাৱ নিচেই পাতল। সিহঁতে লোকৰ বেয়া হওক বুলি মনে জানি গুপ্ত কথা প্ৰকাশ নকৰে, কেৱল পাতল স্বভাৱৰ দোষত হঠাৎ কেতিয়াবা কৈ পেলায়। সিহঁতে নিজৰ গুপ্ত কথাও পেটত ৰাখিব নোৱাৰে, তাকো আনৰ আগত কৈ নিজৰ বিপদ নিজে মাতি আনে। গুপ্ত কথা লোকৰেই হওক বা নিজৰেই হওক সদায় লুকাই ৰখা উচিত। লোকৰ গুপ্ত কথা প্ৰকাশ কৰিলে তাৰ কোপত পৰিব লাগে, আৰু নিজৰ গুপ্ত কথা প্ৰকাশ কৰিলে মানুহৰ গৰিহণা খাব লাগে। দুৰাচাৰ বা খিয়লীয়া মানুহৰ আগত নিজৰ গুপ্ত কথা ভাঙি ক'লে ভৱিষ্যতে হিংসা কৰিবলৈ সুচল কৰি দিয়া হয়। লোকৰ গুপ্ত কথা সম্বন্ধে আৰু বিবেচনা কৰা উচিত যে, যি মানুহে তোমাৰ আগত তাৰ গুপ্ত কথা ভাঙি কয়, তুমি সেই কথা বিশ্বাসত ৰাখিবা বুলি আশা কৰে; এনে স্থলত কথাটো প্ৰৌঢ়ী কৰি সমাজত তাক হাঁহিয়াতৰ পাত্ৰ কৰা কোনোমতে যুগুত নহয়, তেনে কৰিলে

বিশ্বাস ঘাতকতা কৰা হয়। যি কথা প্ৰকাশ কৰিলে দুজনৰ ভিতৰত কন্দল লাগিব পাৰে, তেনে কথাও সাৱধানে লুকাই ৰাখিব লাগে। এইদৰে গুপ্ত কথা লুকাই ৰাখিব পাৰিলে সকলোৰে সঁজাতী হ'ব পাৰি। যি মানুহে পেটত কথা ৰাখিব নোৱাৰে, সি আনৰ গুপ্ত কথা শুনিবলৈ হেঁপাহ কৰা উচিত নহয়, আৰু আনে ক'ব খুজিলেও শুনিবলৈ মান্তি হোৱা অনুচিত।

লোকৰ কথা খোঁচৰি ফুৰা বহুত মানুহৰ স্বভাৱ; কিন্তু তাৰ পৰা কাৰো কোনো উপকাৰ নহয়। যি আনৰ দোষ বিচাৰি ফুৰে সি তাৰ নীচ আশয়ৰ চিনাকি দিয়ে আৰু যাৰ দোষ বিচাৰে তাৰ কোপত পৰে। এতেকে সততে আনৰ দোষৰ ভাগ এৰি দি গুণৰ ভাগ ধৰাই শ্ৰেয়স্। কোনো মানুহৰ বিষয়ে কথা ক'ব লাগিলে তাৰ যি গুণ আছে তাকেহে কোৱা উচিত, নাইবা মুঠেই একো নোকোৱাও ভাল। যি মানুহে যি কথা শুনিবলৈ ভাল নাপায় সেই কথা তাৰ আগত কোৱা উচিত নহয়। কোনো মানুহৰ শৰীৰত কোনো খুঁত থাকিলে তাক ভেঙুচালি বা বিগতি কৰা অনুচিত। বিগতি, ভেঙুচালি বহুৱাৰ কাম, তেনে কাম আনে কৰা অযুগুত। সকলোৰে সৈতে গহীন হৈ চলাই ভাল, কিয়নো গহীনালিৰ লগত উপলুঙালি বা পাতলালি থাকিব নোৱাৰে। ভেঙুচালি উপলুঙালিৰ ফল। এতেকে য'ত উপলুঙালি নাই, তাত ভেঙুচালিও থাকিব নোৱাৰে। আনৰ আগত নিজৰ গুণৰ কথাও ক'ব নালাগে। নিজৰ মুখত নিজৰ গুণ আনৰ কাণত বিহ যেন লাগে। নিজৰ গুণ নিজে বখানিলে গুণৰ গৌৰৱো নাথাকে। আন মানুহৰ লগত মেল কৰোঁতে বিশেষ প্ৰয়োজন নাথাকিলে নিজৰ কথা সৰহকৈ নোকোৱাই ভাল।

পৃথিৱীত নানা ৰকমৰ মানুহ আছে, কোনো সাধু, কোনো চোৰ, কোনো শঠ, কোনো সৰল। কিন্তু কোনটো কোন বিধৰ তাক দেখিলেই চিনিব নোৱাৰি, কাৰণ বহুত চোৰেও আনক ছলিবলৈ সাধুৰ ভাও ধৰে। এতেকে অচিনাকি মানুহক পোন প্ৰথমে বিশ্বাস কৰা যুগুত নহয়। কোনো মানুহক শঠ বুলি জানিব পাৰিলে তাৰ লগত সম্বন্ধ ছিঙি দিয়া উচিত। শঠৰ লগত সম্বন্ধ ৰাখিলে শঠতাক প্ৰশ্ৰয় দিয়া হয়।

সংসাৰত মানুহৰ অৱস্থা সদায় সমানে নাথাকে। একালৰ আঢ্যৱন্ত একালত দৰিদ্ৰ হয়। তেনেকুৱা মানুহৰ লগত ব্যৱহাৰ কৰোঁতে আঢ্যৱন্ত অৱস্থাত তাৰ লগত যেনে ৰূপে ব্যৱহাৰ কৰা হৈছিল, দৰিদ্ৰ অৱস্থাতো তেনে ৰূপেই ব্যৱহাৰ কৰা উচিত। আঢ্যৱন্ত অৱস্থাত মান দেখুৱাই দৰিদ্ৰ অৱস্থাত অমান্য কৰা ভাল নহয়। সুদিনত সৎকাৰ আৰু দুৰ্দিনত ইতিকিং কৰা সৰু মনৰ চিন। সামান্য মানুহ ডাঙৰ হ'লেও তাৰ প্ৰতি ব্যৱহাৰ সলোৱা উচিত, অৰ্থাৎ তাৰ লগত আগে যেনে ব্যৱহাৰ কৰিছিলা, বিদ্যা বুদ্ধিৰ বলত সি ডাঙৰ হৈ উঠাতো তেনে ব্যৱহাৰ কৰা উচিত নহয়। তেতিয়া সি তাৰ অৱস্থা অনুৰূপ মান-সৎকাৰ পাব লাগে।

কোনো কোনো মানুহে মান্যৱন্ত লোকক অমান্য কৰিলে পুৰুষালি কৰা যেন পায়, সেই দেখি ছল পালে অমান্য কৰিবলৈ নেৰে। কিন্তু সিহঁতে ভাবি নাচায় যে মান্যৱন্তক অমান্য কৰি তাৰ মূল্য কমাব নোৱাৰি। সোণৰ জেউতি অমান্য কৰিলে নকমে।

**লেখক-পৰিচয় :**

গুৱাহাটীৰ ভৰলুমুখত সত্যনাথ বৰা (১৮৬০-১৯২৫)-ৰ জন্ম হয়। সৰুৰে পৰাই সাহিত্যৰ প্ৰতি আকৰ্ষিত হয় আৰু বিভিন্ন বিষয়ত ৰচনা লিখি থৈ যায়। তেওঁৰ সাৰুৱা মৌলিক বিষয়ৰ ৰচনা 'আসাম বন্ধু', 'মৌ', 'জোনাকী', 'বিজুলী' আদি আলোচনীত প্ৰকাশ পায়। নিভাঁজ ঘৰুৱা গদ্যৰীতি আৰু জতুৱা-ঠাঁচৰ উপযুক্ত ব্যৱহাৰে ৰচনাসমূহক এক গভীৰ বৈশিষ্ট্য দান কৰিছে। 'সাৰথি' আৰু 'বহল ব্যাকৰণ' তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ।

পেচাত তেওঁ ওকালতি কৰিছিল যদিও কটন কলেজত অসমীয়া বিভাগৰ অধ্যাপক আৰু আৰ্ল ল কলেজত আইনৰ প্ৰবক্তা আছিল। 'জোনাকী' নামৰ মাহেকীয়া কাকতখন গুৱাহাটীৰ পৰা ওলোৱা সময়ত তেওঁ সম্পাদনা কৰিছিল।

**পাঠবোধ ঃ**

'অন্যৰ প্ৰতি ব্যৱহাৰ' পাঠটি 'সাৰথি' পুথিৰ পৰা সংগৃহীত। সজগুণৰ কৰ্ষণ বা অনুশীলনে ব্যক্তিত্ব বিকাশত অৰিহণা যোগায়। এজন মানুহৰ মাত-কথা, আচাৰ-ব্যৱহাৰত ব্যক্তিগৰাকীৰ চৰিত্ৰৰ বিভিন্ন দিশ প্ৰতিফলিত হয়। জীৱনৰ বাটত আগুৱাই যাওঁতে সততা, নিষ্ঠা, বিনয়, জ্যেষ্ঠজনৰ অভিজ্ঞতা, শাস্ত্ৰবাক্য আদিয়ে সাৰথিৰ কাম কৰে। চৰিত্ৰ গঠনত পাঠটিৱে ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সহায় কৰিব।

পাঠটিত ঊনবিংশ-বিংশ শতিকাৰ অসমীয়া গদ্যৰ চানেকি দেখিবলৈ পোৱা যায়। সত্যনাথ বৰাৰ বাক্যবোৰ চুটি চুটি আৰু সাৰগৰ্ভ। ভাষা সংযমিত আৰু গহীন প্ৰকৃতিৰ। কথাৰ আওপাক তেওঁৰ গদ্যত নাই। এই পাঠটিৰ জৰিয়তে লেখকে ছাত্ৰ-ছাত্ৰীসকলক জীৱন-যুদ্ধৰ আঁতি-গুৰি আৰু জীয়াই থকাৰ কৌশলবোৰ বুজাই দিবলৈ চেষ্টা কৰিছে। মানুহ সজ হোৱাৰ লগতে আনৰ অন্তৰ জয় কৰিবলৈ কেনে ব্যৱহাৰ কৰিব লাগিব সেই বিষয়েও পাঠটিত গুৰুত্ব আৰোপ কৰা হৈছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

অনুপান : দৰৱৰ লগত মিহলাই খোৱা আনুষঙ্গিক উপাদান।
আটক : অবৰোধ; অভাৱ; নাটনি।
চাটুকাৰ : ছলাহী কথাৰে আনৰ অন্তৰ জয় কৰা মানুহ; স্তাৱক।
প্ৰৌঢ়ী : জনাজাত, ব্যক্ত।
বিগতি : ইতিকিং।

**প্ৰশ্নাৱলী :**

**ভাব-বিষয়ক :**

১। (ক) 'সাৰথি' পুথিখন কাৰ ৰচনা?

(খ) কি নজনাৰ নিমিত্তে বহুত মানুহে জীৱনত নানাবিধ উপদ্ৰৱ ভুগিবলৈ পায়?

(গ) কোনটো শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ?

(ঘ) সজ ব্যৱহাৰৰ অনুপান কি?

(ঙ) মনত অহঙ্কাৰ ৰাখি মুখত নম্ৰ হ'লে মানুহক কি কৰা হয়?

(চ) 'এই শ্ৰেণীৰ মানুহৰ স্বভাৱ নিচেই পাতল।'— ইয়াত কোনটো শ্ৰেণীৰ মানুহৰ কথা কোৱা হৈছে?

(ছ) কাৰ লগত সম্বন্ধ ৰাখিলে শঠতাক প্ৰশ্ৰয় দিয়া হয়?

(জ) 'বহল ব্যাকৰণ' পুথিখন কাৰ ৰচনা?

২। **চমুকৈ বুজাই লিখা :**

(ক) ব্যৱহাৰ প্ৰণালীক সামান্য কথা বুলি কিয় উলাই কৰিব নোৱাৰি?

(খ) বিনয় ভাবত দান কৰিব লাগে বুলি জ্ঞানীসকলে কিয় কৈছে?

৩। **তাৎপৰ্য ব্যাখ্যা কৰা :**

(ক) নম্ৰতা সজ ব্যৱহাৰৰ অনুপান।

(খ) সোণৰ জেউতি অমান্য কৰিলে নকমে।

**ভাষা-বিষয়ক :**

৪। **বিপৰীতাৰ্থক শব্দ লিখা :**

সুখ; সন্তোষ; সজ; চৰিত্ৰৱন্ত; কপটীয়া; মিঠা; বিনয়; নম্ৰতা; লঘু; উচ্চ; নিন্দা; গুপ্ত; দোষ; গহীন; আঢ্যৱন্ত।

৫। **বাক্য ৰচনা কৰা :**

চকুৰ কুটা; পেটত কথা ৰাখ্।

● ● ●

R9C8U8

# সময়

**নীলমণি ফুকন (জ্যেষ্ঠ)**
**(১৮৮০-১৯৭৮)**

নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয়। দুয়ো বৈ নাথাকে, বৈ যায়। নৈৰ সোঁত যাওঁতে চকুৰে দেখি, সময়ৰ সোত এইদৰে বৈ নাযায়। কাৰ্যক্ষেত্ৰতহে তাৰ গম পোৱা যায়। কাৰ্যক্ৰম অনুসৰি সময় ভাগ কৰা হয়। সময়ৰ ডাঙৰ ভাগবিলাকেই যুগ, কল্প, শতাব্দী; মজলীয়া ভাগবিলাকেই ঋতু, বছৰ, মাহ আৰু সৰু ভাগবিলাকেই দিন-ৰাতি, প্ৰহৰ। তাৰো ভগ্নাংশবিলাক হৈছে দণ্ড, পল, অনুপল।

সময়ৰ এই ভাগবিলাক বিশেষ বিশেষ লক্ষণাক্ৰান্ত। এই কাৰণে হিন্দু শাস্ত্ৰমতে চাৰি যুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি থোৱা আছে। কলি যুগত কল্কি অৱতাৰৰ পিছত সত্যযুগৰ প্ৰৱৰ্তন, খ্ৰীষ্টানসকলৰ মতে মিলেনিয়াম বা হাজাৰ বছৰ যীশুৰ ৰাজত্ব, ইছলামৰ মতে শেষ ইমাম মেহদিৰ আগমন ইত্যাদি ঘটনাৱলীয়েই একো একো যুগৰ লক্ষণ। এই যুগবিলাকৰ পৰিৱৰ্তনেই কল্পান্তৰ, চাইক্লিক আদি বিভিন্ন নামত প্ৰখ্যাত। অৰ্থাৎ সময় সদায় বৃত্তাকাৰ গতিত ঘূৰিবই লাগিছে। কাৰ্য গতিকে এই বৃত্তৰ ব্যাস আৰু পৰিধিৰ বেছ-কম হয় বাবেই সময়ৰ বিভিন্ন বিভাগৰ কল্পনা।

একো একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্যকলাপ অৱলম্বন কৰিও সময়ৰ ভাগ কৰা হয়। ধৰ্ম, কলা, সাহিত্য, বুৰঞ্জী, কিংবদন্তি, যুদ্ধ-বিগ্ৰহ, ৰাজত্ব আদি বিষয়বিলাকে সময়ৰ একো একোটা ঢাপ তুলি সীমাবদ্ধ কৰি থৈ যায়। সংবৎ, শকাব্দ, খ্ৰীষ্টাব্দ, হিজৰি, শংকৰাব্দ, চৈতন্যাব্দ ইত্যাদি সময়বিভাগৰ গুৰিতে এনে একোটা স্মৰণীয় ঘটনা আছে।

প্ৰকৃতি জগতৰ গতি-বিধি লক্ষ্য কৰিও সময় নিৰূপণ কৰা হয়। ছয় ঋতুৰ উদ্ভৱ ইয়াতেই। জাৰত ঠেঁটুৰৈয়ে ধৰি ঠেৰেঙা হৈ থকা গছৰ ডালত কুঁহিপাত ওলালেই বসন্ত ঋতুৰ আগমন ধৰিব পাৰি। পদুম ফুলপাহ ৰাতিপুৱা মুকলি হৈ আৰু সন্ধিয়া জাপ গৈ সূৰ্য উদয় হোৱা আৰু অস্ত যোৱা সময়ছোৱা দেখুৱাই দিয়ে। বেলিফুল সূৰ্যৰ লগে লগে ঘূৰে। ইয়াক বেলি-ঘড়ীও বুলিব পাৰি। কঁঠালে মুচি পেলালে, আমে

মলিয়ালে, ধান পকিলে, বাঁহে গাজ মেলিলে, ঢাপত কেতেকী গোন্ধালে একো একোটা ঋতুৰ সম্ভেদ পোৱা যায়।

জীৱ-জন্তুৰ আচৰণতো সময় নিৰূপণ কৰিব পাৰি। কেঁকোৰা গাঁতত সোমালে, শামুকে পথাৰত দেখা দিলে, বালিমাহী চৰাই ওলালে, কুলি-কেতেকীয়ে মাতিলে, মাছে কণী পাৰিলে, চৰায়ে কুটা কঢ়িয়ালে, ভেকুলীয়ে টোৰটোৰালে, একো একোটা ঋতুৰ গম পোৱা যায়। গৰুৱে চৰা ঠাইৰ পৰা ধূলি উৰাই উলটি আহোঁতে গধূলি হোৱা দেখা যায়। শিয়ালে হোৱা দি দি প্ৰতি প্ৰহৰৰ বাতৰি দিয়ে। ফেঁচুৱে জালি দি, টঙিত পাৰই ৰুণ দি জনায় পোহৰ হ'বলৈ আৰু বেছি পৰ নাই। কুকুৰাৰ ডাকত ৰাতি পুৱাল বুলি মানুহে শোৱা ঢাৰি-পাটী এৰিবৰ উপক্ৰম কৰে।

আদিতে মানুহে প্ৰাকৃতিক জগতৰ পৰিৱৰ্তনবিলাক লক্ষ্য কৰি একো একোটা সাধাৰণ উপায়েৰে সময় নিৰূপণ কৰি কাম চলাইছিল। এঠাইলৈ যাবলৈ কিমান সময় লাগিব সেই কথা ৰিংটোৰে, তামোলখন খাই শেষ কৰা কথাটোৱে একেটা উশাহে নিৰ্দ্ধাৰিত কৰিছিল। বেলিটোৰ গতিৰ লগে লগে নিজৰ গাৰ ছাঁটো কিমান দীঘল-চুটি হয়, তাক চাই সময় ঠিক কৰিছিল।

উদ্ভাৱিকা শক্তিৰ বলত মানুহে লাহে লাহে সময় নিৰূপণ কৌশল উলিয়াবলৈ ধৰে। গ্ৰহ-নক্ষত্ৰৰ গতিৰ লগত সামঞ্জস্য ৰাখি সময়ৰ সম্বন্ধ স্থিৰ কৰি লয়। চন্দ্ৰ-সূৰ্যৰ গতি চাই দিন, মাহ গণনা কৰিবলৈ ধৰে। এইদৰে সময়ৰ সূক্ষ্মতম অংশ নিমিষ, মুহূৰ্তকো ধৰিব পৰা হ'ল। বিজ্ঞানৰ বলত ক্ৰমে সময় নিৰূপক যন্ত্ৰ-পাতি উলিয়াই এই ভাগবিলাক কৰায়ত্ত কৰি মানুহে যাৱতীয় কাম সম্পাদন কৰি আহিছে। মানুহে বৈজ্ঞানিক যন্ত্ৰ-পাতিৰ সহায়ত সময়ৰ ক্ষুদ্ৰতম অংশবিলাককো স্থিৰ কৰিব পাৰিছে যদিও সময়ৰ প্ৰকৃত যন্ত্ৰ-পাতি হৈছে কৰ্ম। কৰ্মৰ মাজেদি সময়ৰ গতি ধৰিব পাৰি। এলেহুৱাৰ দিনটো নাযায়-নুপুৱায়। কিন্তু কৰ্মী লোকৰ মানত দিনটো চকুৰ পচাৰতে গ'ল যেন লাগে। এই কাৰণেই বোধকৰো মানুহৰ এবছৰে দেৱতাৰ এদিন বুলি কোৱা হয়। মানুহৰ এক কল্প বা এহেজাৰ যুগে ব্ৰহ্মাৰ মাত্ৰ এদিন আৰু এৰাতি। বিশ্বব্ৰহ্মাণ্ডৰ খণ্ড আৰু মহাপ্ৰলয়ৰ মাজেদি ব্ৰহ্মাই সৃষ্টিৰ গতি অব্যাহত ৰাখিবলৈ কি বিৰাট কৰ্মক্ষেত্ৰ পাতিব লগা হৈছে, সেইকথা মানুহৰ কল্পনাৰো অতীত। ব্ৰহ্মাই যিমানখিনি সৃষ্টিৰ কাম কৰিব লগা হয় মানুহৰ দিন-ৰাতিৰ কামৰ তুলনাত যথাৰ্থতে এহেজাৰ যুগৰ কাম হৈ উঠে। মানুহৰ এক কল্পই ব্ৰহ্মাৰ এদিন আৰু এৰাতিৰ অৰ্থও এয়েই।

সময়ৰ সদ্ব্যৱহাৰ কৰা কথাৰ ওপৰতে তাৰ যথাৰ্থ মূল্য স্থিৰ কৰিব পাৰি। কৰিবলগীয়া কামখিনি শৃংখলা লগাই কৰি উঠিলেই সময়ৰ সদ্ব্যৱহাৰ কৰা হ'ল বুলি ক'ব পাৰি। শৃংখলা লগাই ৰে'লগাড়ীৰ সময় তালিকা নিৰূপণ কৰা হয় বাবেই কেৰ্কেটুৱাই গছে গছে বগাই ফুৰাৰ দৰে, মানুহে ইখন ৰেল এৰি সিখন ৰেলত উঠি দেশ-বিদেশ, বৰঘৰ-মাৰলঘৰ যেন কৰি ফুৰিব পাৰিছে। ঘৰখন চলোৱাৰ পৰা এখন ৰাজ্য চলোৱালৈকে সকলো কামতে শৃংখলাৰ মাজেদি সময়ৰ সদ্ব্যৱহাৰ নকৰিলে ঘৰ গুচি অচিৰেই বাঁহতল হৈ উঠে, ৰাজ্য গুচি অৰাজকতাত পৰিণত হয়।

সময়ৰ টিকনিডাল হেনো আগফালে। কাজেই সময়তকৈ দুখোজ সদায় আগবাঢ়ি যাব নোৱাৰিলে, সময়ে পাখিলগা কাঁড়ৰ দৰে উৰা মাৰিব খুজিলে, পাছফালৰ পৰা সেই টিকনিত ধৰি ৰখা টান হয়। এই কাৰণেই জ্ঞানী আৰু কৰ্মীলোকে নিৰ্ধাৰিত সময়ৰ দুই-চাৰি মিনিট আগেয়ে হ'লেও প্ৰস্তুত থাকে। 'ইস্ চকুৰ আগতেই ৰেলখন এৰিলে' বুলি আধা মিনিট সময় বেলি কৰি দিনটো ষ্টেচনত বৈ থাকিবলগীয়া হোৱা ঘটনাও নঘটা নহয়। নিৰ্দ্ধাৰিত সময়ত উপস্থিত হ'ব নোৱৰাত অৰ্থহানি, মনস্তাপ হোৱা দৃষ্টান্তও পোৱা যায়। পাছৰ পৰা বল দিয়া সেনা গৈ পোৱা পাঁচ মিনিট পলম হোৱা বাবেই দিগ্বিজয়ী নেপোলিয়নে ৱাটাৰ্লু যুদ্ধত ঘাটিল বুলি কোৱা আছে। যুদ্ধ-বিগ্ৰহত সময়ৰ মূল্য দিহে জয়ী হ'ব পাৰি, এই কথা ভালদৰে হৃদয়ংগম কৰি লাচিতে মোমায়েকৰ মূৰটো কাটিও কাৰ্যসিদ্ধি কৰিছিল। সেই কথা বুজিছিল বাবে লাচিত আজি মহাবীৰ।

সময় অমূল্য ধন বোলা কথাষাৰ সঁচা। একোজন ধনকুবেৰে এক মিনিটত হাজাৰ হাজাৰ টকা উপাৰ্জন কৰে। এজন মানুহে হয়তো গোটেই জীৱনত একেলগে হাজাৰ টকা চকুৰে নেদেখে। ঘোঁৰা চেকুৰত এক মুহূৰ্তৰ আগতে অহা ঘোঁৰাৰ গিৰিহঁতে লক্ষ লক্ষ টকা পোৱাৰ দৃষ্টান্ত আছে। ঘণ্টাত কুৰি মাইল যোৱা লৰী-মটৰ এখনৰ উপাৰ্জন ঘণ্টাত দুমাইল যোৱা গৰুগাড়ীখনৰ সমান হ'ব নোৱাৰে। ঘনাই মাকোটো মাৰিব পৰা শিপিনীয়ে দিনটোত উলিওৱা দুখন গামোচাৰ মূল্য তিনিবাৰ টৌঁৱাই মাকো মাৰি দিনটোত উলিওৱা এখন গামোচাৰ মূল্যতকৈ নিশ্চয় বেছি। পৰীক্ষাত প্ৰশ্নকাকত পিটিকি থাকি সময় নষ্ট কৰা পৰীক্ষাৰ্থীতকৈ তলৰ মূৰ ওপৰ কৰিবলৈ সময় নোপোৱা পৰীক্ষাৰ্থীয়ে নম্বৰ বেছি পাবই পাব।

সময়ৰ শৰ মাৰিব নাজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা, সেই শৰে শহা এটাকো মাৰিব নোৱাৰে। ভোক চৰি যোৱাৰ পিছত মাছে-মঙহে এগাল খালেও পিত্তৰ বাহ গুচোৱা টান। বতৰ চাই কঠীয়া নেপেলালে জেঠৰ বৰখৰত সিঁচিলে গুণ নধৰে। চোৰে সিন্ধি দি বৰপেৰাটো উলিয়াই নিয়াৰ পাছত সিন্ধিৰ মুখত চোৰ ধৰিবলৈ খাপ দি থাকিলে বয়বস্তু উলিয়াই লৈ পথাৰৰ মূৰত পেলাই থৈ যোৱা শুদা পেৰাটোকে পোৱাৰ আশা নাথাকে। ৰোগে দেখা দিওঁতেই দুপালি ঔষধৰ ব্যৱস্থা নকৰিলে, ৰোগীক তুলসী-গুৰিলৈ উলিয়াই ধনন্তৰী মাতিলেও কাম নিদিয়ে। কৰ্মী লোকৰ সময়ৰ ভাগবিলাক দেখিলে আচৰিত হ'ব লাগে। মহাত্মা গান্ধীৰ চৌবিশ ঘণ্টাৰ কাৰ্যতালিকা চালেই এই কথাৰ গম ধৰিব পাৰি। পৰুৱাৰ দৰে লানি নিছিগা কামেও তেওঁক জুমুৰি দি ধৰিব নোৱাৰে। এওঁলোকৰ মানত সময়ৰ সুৰুঙা বোলা ঠাই এডোখৰ নাই। সুৰুঙা থাকিলেও সি ভগা বেৰত জলঙা নহয়, বাঁহীৰ ফুটাকেইটাহে। বাঁহীত মুখ দিয়া মাত্ৰেই আঙুলিবিলাক তাত নাচি উঠি সপ্তসুৰৰ ঢৌ তুলি দিয়ে। বিশ্ৰাম বোলা কথাটো তেওঁলোকৰ মানত বিশেষ ৰকমৰ শ্ৰমহে, তাৰ পৰা বিৰতি নহয়। তেওঁলোকে কৰ্মৰ পৰা অব্যাহতি নোলোৱা সাধাৰণ দুদিনীয়া জীৱন যাপন কৰিও অনন্ত সময়ক কৰ্মগ্ৰন্থিৰে বান্ধি অনন্ত কাললৈ অমৰধাম লাভ কৰে। সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইটকেইডালত নাই।

**লেখক-পৰিচয় :**

**নীলমণি ফুকন (১৮৮০-১৯৭৮)-ৰ** ডিব্ৰুগড় জিলাত জন্ম হয়। পিতৃ লম্বোদৰ খাৰঘৰীয়া ফুকন। স্কুলীয়া শিক্ষা ডিব্ৰুগড়ত, কটন কলেজত এফ এ আৰু কোচবিহাৰৰ পৰা বি এ আৰু কলকাতাত আইন শিক্ষা গ্ৰহণ কৰে। জৰ্জ ইন্সষ্টিটিউট হাইস্কুলৰ প্ৰধান শিক্ষক আৰু পিছলৈ চাহবাগিচাৰ ব্যৱসায়ী। কংগ্ৰেছত যোগ দি বিধানসভাৰ সদস্য হয়। সাহিত্য কৃতি হ'ল— 'সাহিত্য-কলা', 'চিন্তামণি', 'জ্যোতিকণা', 'মানসী', 'সন্ধানী'। 'আলোচনী' আৰু 'ন-জোন' কাকতৰ সম্পাদক। অসম সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনৰ সভাপতিৰ আসন শুৱনি কৰে।

পাঠটিয়ে সময় সম্পৰ্কে সচেতনতাৰ ভাব সৃষ্টি কৰিববলৈ আৰু তাৰ উচিত ব্যৱহাৰ সম্পৰ্কে শুদ্ধ জ্ঞান দিববলৈ সক্ষম হ'ব। বিভিন্ন ধৰ্ম সম্পৰ্কে কিছু আভাস, প্ৰকৃতি জগতৰ পৰিবৰ্তনৰ প্ৰতি সজাগতা, লগতে প্ৰাণীজগতৰ আচৰণ সম্পৰ্কে কিছু আভাস, অতীতত সময় সম্বন্ধে ধাৰণা ইত্যাদি দিশৰ পৰা সময়ৰ মূল্যায়ন কৰাত সহায় কৰিব। লগতে বিজ্ঞানৰ আৱিষ্কাৰ, জ্যামিতি, বুৰঞ্জী সম্বন্ধেও জ্ঞান আহৰণ কৰাত সহায় কৰিব। ইয়াৰ উপৰিও জতুৱা-ঠাঁচ আৰু যোজনাৰ বিষয়েও জানিব পাৰিব।

**পাঠবোধ :**

সময়ানুৱৰ্তিতা 'সময়' পাঠৰ কেন্দ্ৰীয় বিষয়। সময় সচেতনতা আৰু তাৰ উচিত ব্যৱহাৰৰ জৰিয়তে শৃংখলিত জীৱন-যাপনৰ পথ পাঠটিত নিদেৰ্শিত হৈছে। ঘড়ীৰ কাঁইটকেইডালে সময় সূচিত কৰে যদিও কৰ্মৰ জৰিয়তেহে প্ৰকৃতাৰ্থত সময়ৰ মূল্যায়ন কৰিব পাৰি। সময়ৰ সদ্ব্যৱহাৰ কৰি উৎকৃষ্ট কৰ্ম-চানেকি ৰাখি যোৱাটোৱেই সময়ৰ প্ৰকৃত মূল্যায়ন।

চুটি চুটি বাক্য-গাঁথনি, স্পষ্ট ভাব, বাহুল্যবৰ্জিত পোনপটীয়া ভাষা আৰু প্ৰতিপাদ্য বিষয়ৰ সমৰ্থনত উদাহৰণৰ উত্থাপন লেখকৰ গদ্যৰ অন্যতম বিশেষত্ব।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| কল্প | : | হিন্দু শাস্ত্ৰমতে ব্ৰহ্মাৰ এদিন এৰাতি; এই কালৰ দৈৰ্ঘ এহেজাৰ যুগ বা চাৰিশ বত্ৰিশ কোটি বছৰ। |
| কল্পান্তৰ | : | এটা কল্পৰ পৰা আন এটা কল্পলৈ পৰিবৰ্তন। |
| ঢাৰি-পাটি | : | বিছনা। |
| বতৰ চাই কঠীয়া পেলা | : | সুযোগ বুজি কাম কৰা। |
| বাঁহতল | : | বিশৃংখল বা অশান্তিকৰ ঠাই বা অৱস্থা। |
| বেলিঘড়ী | : | বেলিফুল বা সূৰ্যমুখী ফুল। সূৰ্যৰ লগে লগে ঘূৰে। এই ফুলে ঘড়ীৰ নিচিনাকৈ সূৰ্য থকা স্থান লৈ সময় নিৰ্ণয় কৰে। সময়ৰ হিচাপ দিয়ে কাৰণে বেলিঘড়ী বোলা হয়। |

যুগ : কালৰ এটা ভাগ। যুগ বুলিলে— সত্য, ত্ৰেতা, দ্বাপৰ, কলি— চাৰিটাকে প্ৰধানকৈ বুজায়। সময়ৰ এটা বৃহৎ ভাগ।

লানি-নিছিগা : ধাৰাবাহিক গতি।

সপ্তসুৰ : সংগীতৰ সাতোটা সুৰ (সা ৰে গা মা পা ধা নি)।

কুবেৰ : ধনাধিপতি যক্ষৰাজ। তপস্যাৰ ফলত ব্ৰহ্মাৰ বৰ লাভ কৰি তেওঁ অমৰ হয় আৰু দেৱতাৰ সমমৰ্যাদা নাপালেও পুষ্পৰথ লাভ কৰে। ৰাৱণে যুদ্ধত পৰাস্ত কৰি সেই ৰথ হস্তগত কৰে। পিছত তেওঁ কৈলাসত বাস কৰিবলৈ লয়।

নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয় : নৈৰ সোঁত বৈ নাথাকে, ই উভতিও নাহে। এবাৰ যি বৈ গ'ল গ'লেই। ঠিক তেনেদৰে সময়ৰ সোঁত বৈ যায়। কিন্তু ইয়াক চকুৰে দেখা নাযায়। এবাৰ পাৰ হৈ যোৱা সময় পুনৰ ঘূৰাই পোৱা নাযায়। সময়ৰ গতিৰ তীব্ৰতা প্ৰকাশ কৰিবলৈ গৈ নৈৰ সোঁতৰ লগত ৰিজাইছে।

সময়ৰ টিকনিডাল হেনো আগফালে : সাধাৰণতে মানুহৰ মূৰৰ টিকনিডাল পিছফালে থাকে। কিন্তু সময়ৰ কাল্পনিক টিকনিডাল আগফালে। সময়ৰ টিকনিত ধৰিবলৈ হ'লে সময়তকৈ আগবাঢ়ি থাকিব লাগিব। অৰ্থাৎ সময় দ্ৰুত গতিত আগবাঢ়ি যায়। ইয়াক ক'তো ধৰি বন্ধ কৰি ৰাখিব নোৱাৰি। ইয়াৰ দ্বাৰা সময়ৰ বিশেষত্ব বুজাবলৈ বিচৰা হৈছে।

সময়ৰ শৰ মাৰিব নাজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা : এবিধ শৰ হ'ল কাঁড়। ইয়াক ধনুত গুণ লগাই জীৱ-জন্তু নিধন কাৰ্যত ব্যৱহাৰ কৰা হয়। শৰপহু হ'ল এক শ্ৰেণীৰ তীব্ৰবেগী পহু। ইয়াৰ মঙহ খাবলৈ সোৱাদ। সেই সোৱাদ লগা অৰ্থাৎ ভাল লগা বা কামত অহা লাভদায়ক কোনো এটা ঘটনা ঘটিবলৈ হ'লে উচিত সময়ত কাম কৰিব পাৰিব লাগিব। অৰ্থাৎ সময়ৰ যথোপযুক্ত ব্যৱহাৰৰ কথা ক'বলৈ গৈ এই উপমাটি প্ৰয়োগ কৰা হৈছে।

সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইটকেইডালত নাই : তীব্ৰ বেগত সময় আগবাঢ়ে। যদিও ঘড়ীৰ দ্বাৰা সময় নিৰূপণ কৰা হয়, কামৰ হিচাপেৰেহে প্ৰকৃততে সময় নিৰূপণ কৰিব লাগে।

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। চমু উত্তৰ দিয়া :

(ক) সময়ক কিহৰ লগত তুলনা কৰিব পাৰি?

(খ) কিহৰ ওপৰত ভিত্তি কৰি সময় ভাগ কৰা হয়?

(গ) সময়ৰ ডাঙৰ ভাগবোৰ কি কি?

(ঘ) সময়ৰ দণ্ড, পল, অনুপলক কি বোলা হয়?

(ঙ) সময় কি গতিত ঘূৰে?

২। তাৎপৰ্য ব্যাখ্যা কৰা :

(ক) এলেহুৱাৰ দিন নাযায় নুপুৱায়।

(খ) মানুহৰ এক কল্পই ব্ৰহ্মাৰ এদিন।

(গ) কৰ্মৰ মাজেদি সময়ৰ গতি ধৰিব পাৰি।

৩। পাঠটিৰ লেখকৰ সাহিত্যৰাজিৰ পৰিচয় দিয়া।

৪। চাৰিটা-পাঁচোটা বাক্যত উত্তৰ দিয়া :

(ক) প্ৰাকৃতিক জগত বুলিলে কাক বুজায়?

(খ) কোনো ঘটনাৰ ওপৰত ভিত্তি কৰি কিদৰে সময় ভাগ কৰিব পাৰি?

(গ) লক্ষণাক্ৰান্ত মানে কি?

(ঘ) বিজ্ঞানৰ আৱিষ্কাৰৰ আগতে মানুহে কিহৰ ওপৰত ভিত্তি কৰি সময় সম্পৰ্কে অৱগত হৈছিল?

৫। তলৰ প্ৰশ্নকেইটাৰ অন্তৰ্নিহিত ভাব বিশ্লেষণ কৰা :

(ক) সময়ৰ এই ভাগবিলাক বিশেষ বিশেষ লক্ষণাক্ৰান্ত।

(খ) সময়ৰ টিকনিডাল হেনো আগফালে।

(গ) সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইটকেইডালত নাই।

(ঘ) সময় অমূল্য ধন বোলা কথাষাৰ সঁচা।

৬। 'প্ৰাকৃতিক জগতৰ গতি-বিধি লক্ষ্য কৰিও সময় নিৰূপণ কৰা হয়'—
প্ৰাকৃতিক জগতৰ গতি-বিধিবোৰ কি কি? কেনেকৈ এই গতি-বিধিৰ দ্বাৰা সময় নিৰ্ণয় কৰিব পাৰি?

৭। 'নিয়মানুৱৰ্তিতা আৰু সময়ৰ সদ্ব্যৱহাৰ' — ইয়াকে বিষয় হিচাপে লৈ এটি টোকা যুগুত কৰা।

**ভাষা-বিষয়ক :**

৮। ভাব সম্প্ৰসাৰণ কৰা :

(ক) আইৰো বাৰ্তা গংগাৰো যাত্ৰা।

(খ) ৰাইজে নখ জোকাৰিলে নৈ বয়।

(গ) সময়ৰ শৰ মাৰিব নাজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা।

৯। সন্ধি ভাঙা :

শকাব্দ; খ্ৰীষ্টাব্দ; শংকৰাব্দ; চৈতন্যাব্দ; লক্ষণাক্ৰান্ত; কল্পান্তৰ; কৰায়ত্ত; মনস্তাপ।

১০।পাঠটিত থকা কেইটামান যুৰীয়া শব্দ ব্যৱহাৰ কৰি বাক্য সাজা।

১১।সময়ৰ সদ্ব্যৱহাৰ কৰি তুমি কেনেদৰে উপকৃত হৈছা— ইয়াকে জনাই তুমি তোমাৰ আইতাৰালৈ এখন চিঠি লিখা।

● ● ●

Z7K1I5

# অন্ধবিশ্বাস আৰু কুসংস্কাৰ

**জয়ন্ত মাধৱ বৰা**

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল—"অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।" একবিংশ শতিকাৰ বাবেই এক অভিশাপ। সাম্প্ৰতিক অসমৰ কাৰণে জ্বলন্ত সামাজিক সমস্যা।

দূষিত বায়ু, অবাঞ্চিত বিশৃংখল শব্দ, মাটি, পানী এইবোৰৰ প্ৰদূষণে আমাৰ চৌপাশৰ পৰিৱেশ যেনেদৰে প্ৰদূষিত কৰি মানুহৰ সুস্থ জীৱন ধাৰণ প্ৰণালীত প্ৰতিকূলতাৰ সৃষ্টি কৰে, ঠিক সেইদৰে অন্ধবিশ্বাস আৰু কু-সংস্কাৰেও প্ৰেম, মমতা, মানৱতা আদি মানৱীয় প্ৰমূল্যসমূহক আঘাত কৰি সভ্য মানৱ সমাজ এখনক কলুষিত কৰে। জনজীৱনৰ সুস্থ জীৱন-ধাৰণৰ ব্যৱস্থাটোক বিপৰ্যস্ত কৰি সমাজখনক অশান্ত আৰু অস্থিৰ কৰি তোলে। অথচ এই অন্ধবিশ্বাস, কুসংস্কাৰ, উৰাবাতৰিৰ অপপ্ৰচাৰ মানুহেই সৃষ্টি কৰে। মানুহেই মানুহৰ শত্ৰু হৈ পৰে। সেই অৰ্থত অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।

**অন্ধবিশ্বাস, কুসংস্কাৰ আৰু উৰাবাতৰি বুলি কোনবোৰক কোৱা হয় ঃ**

যিবোৰ বিশ্বাস বা ধাৰণা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়, বিজ্ঞানে যিবোৰ বিশ্বাসক, ধাৰণাক, ঘটনাক অসত্য আৰু অমূলক বুলি প্ৰতিপন্ন কৰিছে সেইবোৰেই অন্ধবিশ্বাস। যিবোৰ নীতি-নিয়ম, ব্যৱস্থা, পৰম্পৰা এখন সুস্থ সমাজৰ পৰিপন্থী, সমাজৰ অগ্ৰগতিত গতিৰোধক হৈ থিয় দিয়ে সেইবোৰেই কুসংস্কাৰ। সংস্কাৰ এক জীৱন-পদ্ধতি। কিন্তু সেই সংস্কাৰে যদি মানুহৰ সভ্যতাক নতুন নতুন চিন্তাৰে উজ্জীৱিত কৰি সময়ৰ লগত দৌৰাৰ পৰিবৰ্তে স্থিতাৱস্থাক বাহাল ৰাখে, তেন্তে সেই সংস্কাৰ আদৰণীয় নহয়। কুসংস্কাৰে মানুহৰ চিন্তাৰ দিগন্তক প্ৰসাৰিত নকৰে। আকৌ যিবোৰ বাতৰি সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়, অথচ অজ্ঞতাৰ কাৰণে বা মানুহক উত্তেজিত কৰি তুলিবৰ বাবেই উদ্দেশ্যপ্ৰণোদিতভাৱে

প্ৰচাৰ কৰা হয় আৰু চিন্তাশূন্য, বিবেকশূন্য কিছু লোকে সেই বাতৰিক সত্য বুলি বিশ্বাসো কৰে, সেয়াই উৰাবাতৰি।

অতীজৰে পৰা আমাৰ সমাজখন অন্ধবিশ্বাসে আৱৰি থকাৰ উদাহৰণ বহুত পোৱা যায়। ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অসম যেতিয়া বৃটিছৰ অধীনলৈ আহিল, সেই সময়তে উজনি অসমৰ শদিয়ালৈ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে আহিছিল মিছনেৰীসকল। শদিয়াত মিছনেৰীসকল বহু প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈছিল। শদিয়াৰ সেমেকা জলবায়ুত তেওঁলোকৰ অসুখ আৰম্ভ হৈছিল। কলেৰাত আক্ৰান্ত হৈছিল। কেৱল মিছনেৰীসকলেই নহয়, সেই সময়ত কলেৰাত স্থানীয় লোকসকলো আক্ৰান্ত হৈছিল। মিছনেৰীসকলে স্থানীয় লোকসকলক কলেৰাৰ পৰা উপশম পাবৰ বাবে কলেৰা নিৰ্মূলৰ বড়ি খাবলৈ দিছিল। কিন্তু স্থানীয় লোকসকলে সেই বড়ি খাবলৈ অস্বীকাৰ কৰিছিল। তেওঁলোকে ভাবিছিল কোনোবা অপদেৱতাৰ কু-প্ৰভাৱৰ বাবেহে কলেৰাৰ দৰে বেমাৰবোৰ হৈছে। সেইহেতু বেমাৰ ভাল হ'বৰ বাবে বড়ি খোৱাৰ পৰিবৰ্তে পূজা-পাতল কৰিবলৈ আৰম্ভ কৰিছিল। তন্ত্ৰ-মন্ত্ৰ, বেজৰ সহায় লৈছিল। দৰৱ খোৱাৰ পৰিবৰ্তে বেজৰ মন্ত্ৰপূত পানীহে খাইছিল। সেই পানী খাই মানুহ বেছিকৈহে মৃত্যুমুখত পৰিছিল। অসুখ ভাল হ'বৰ বাবে বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা ঔষধ খাব লাগে। তাৰ পৰিৱৰ্তে সেয়া কোনো অপদেৱতাৰ কাম, অপদেৱতাক পূজা-পাতল দি সন্তুষ্ট কৰিলেই অসুখ ভাল হৈ যাব, এনেধৰণৰ বিশ্বাসবোৰেই হ'ল অন্ধবিশ্বাসৰ উদাহৰণ।

আকৌ স্থানীয় কিছু লোকে উপায়হীন হৈ মিছনেৰীসকলৰ পৰা কলেৰা উপশম হোৱাৰ বড়ি খাইছিল। কিন্তু সমাজৰ বাকী লোকসকলে মিছনেৰীসকলৰ পৰা লৈ বড়ি খোৱা লোকসকলক জাত গ'ল বুলি অপবাদ দি সমাজৰ পৰা এঘৰীয়া কৰিছিল। বেলেগ ধৰ্মৰ মানুহৰ হাতৰ পৰা কিবা খালেই জাত-কুল যায়, এইবোৰ কুসংস্কাৰৰ উদাহৰণ। ধৰ্ম, জাত-কুল লৈ আমাৰ সমাজত বহুতো কুসংস্কাৰ আছে। এই কুসংস্কাৰবোৰে বহু সময়ত জটিল সামাজিক সমস্যাৰ সৃষ্টি কৰে।

ভূতক লৈও আমাৰ সমাজত বহুত অন্ধবিশ্বাস আছে। গ্ৰামাঞ্চলত আজিও ৰাতি ভূত ওলায় বুলি বহুতে বিশ্বাস কৰে। দিনত বৰগছৰ তলত বুঢ়াডাঙৰীয়া ওলায় বুলি গুজব ৰটে। ফুটুকানিৰ মাজত যখিনীয়ে কিৰিলি পাৰি হাঁহে বুলি কাহিনী শুনায়। সৰু ল'ৰা-ছোৱালীক ভূতৰ ভয় দেখুৱাই খাবলৈ, শুবলৈ বাধ্য কৰায়। যখিনী আৰু বুঢ়াডাঙৰীয়াৰ ভয় দেখুৱাই সৰু ল'ৰা-ছোৱালীক নদীৰ পাৰলৈ, পুখুৰীৰ পাৰলৈ যোৱাত বাধা দিয়ে। কিন্তু ডাঙৰসকলে এবাৰো ভাবি নেচায় যে সৰুতে মনত সুমুৱাই দিয়া এই ভ্ৰান্ত বিশ্বাসেই সৰু ল'ৰা-ছোৱালীবোৰ ডাঙৰ হোৱাৰ পিছতো অন্ধবিশ্বাস হিচাপে মনত খোপনি পুতি বহে। ফলস্বৰূপে গধূলি হ'লেই অকলে বাহিৰলৈ যাবলৈ ভয় কৰে। জয়াল ঠাই পাৰ হওঁতে ভয়ত পেপুৱা লাগে। কেৱল গাঁও অঞ্চলতে নহয়, চহৰাঞ্চলতো

ল'ৰা-ছোৱালীৰ মনত ভূতৰ ভয় আছে। ল'ৰা-ছোৱালীৰে নহয়, ডাঙৰৰো আছে। এইবোৰো অন্ধবিশ্বাসৰ উদাহৰণ। ভূত-প্ৰেত, যখিনী-ডাইনী এইবোৰৰ অস্তিত্ব বিজ্ঞানে নস্যাৎ কৰিছে।

বৰ্তমান সময়তো আমাৰ সমাজত বিশেষকৈ গ্ৰামাঞ্চলবোৰত 'ডাইনী'ক লৈ এক অন্ধবিশ্বাসে গা কৰি উঠিছে। ইয়াৰ পৰিণামস্বৰূপে বহুত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আনকি সংঘৰ্ষ বা হত্যা আদি অমানৱীয় ক্ৰিয়া-কলাপো সংঘটিত হৈছে। 'ডাইনী'—এক সামাজিক ব্যাধি, এক কল্পিত সন্ত্ৰাস। ডাইনী এক ভ্ৰান্ত বিশ্বাস। অঞ্চলটোত কাৰোবাৰ ঘৰত অসুখ হৈছে। দৰব খাইছে ভাল পোৱা নাই। হয়তো উপযুক্ত চিকিৎসা কৰা হোৱা নাই; কিন্তু প্ৰচাৰ কৰি দিয়ে এইবুলি যে ডাইনীৰ কাৰণেই অঞ্চলটোৰ প্ৰায়বোৰ পৰিয়ালত অসুখ-বিসুখে দেখা দিছে। ডাইনীৰ কাৰণেই অসুখ ভাল হোৱা নাই। এই যে উদ্দেশ্যপ্ৰণোদিতভাৱে এটা ভ্ৰান্ত ধাৰণা মানুহৰ মনৰ মাজত সুমুৱাই দিয়া হয়, সেই ধাৰণাটো লাহে লাহে ইজনৰ পৰা সিজনলৈ বিয়পিবলৈ ধৰে। এটা সময়ত ডাইনী বুলি চিহ্নিতজনৰ দৈনন্দিন জীৱনৰ সৰু সৰু বিসংগতিবোৰ অপদেৱতাৰ কালিকা লগা কাৰ্য বুলি সকলোৱে ভাবিবলৈ আৰম্ভ কৰে। আচলতে ডাইনী বুলি সন্দেহ কৰা মানুহজনৰ তেনেকুৱা কোনো বিসংগতি নাথাকে। অন্ততঃ বিজ্ঞানে সেই কথা আজিলৈকে প্ৰমাণ কৰিব পৰা নাই। অথচ অঞ্চলটোৰ কিছুলোকৰ অসুখ, অপায়-অমংগলৰ বাবে এগৰাকী লোকক ডাইনী সজাই সমস্ত দোষ তেওঁৰ ওপৰত জাপি দিয়ে। আচলতে ডাইনী বুলি একো নাই। কিছু লোকে ঈৰ্ষান্বিত হৈ বা স্বাৰ্থসিদ্ধিৰ বাবে এই অপপ্ৰচাৰ চলায়।

কাৰোবাৰ গাত 'আই' লম্ভে বুলি, 'শিৱ' লম্ভে বুলি, কিবা ঐশ্বৰিক শক্তি আহি গাত সোমাই বুলি মাজে মাজে হৈ চৈ হোৱা শুনা যায়। অদ্ভুত কথা কিছুমান সেই সময়ত প্ৰকাশ হয়। 'আই' গৰাকীয়ে বা 'শিৱ' লম্ভাজনে বা 'ঐশ্বৰিক শক্তি' লাভ কৰাজনে হেনো চুই দিলেই সকলো বেমাৰ ভাল হৈ যায়। মূৰত হাতখন থ'লেই সকলো সমস্যাৰ সমাধান হৈ যায়। তেওঁৰ হাতেদি দিয়া পানী অমৃত সমান। খালে সৌভাগ্যই লগ দিয়ে। এনেধৰণৰ কথাই তোলপাৰ লগায়। আশ্চৰ্যকৰ কথাটো হ'ল একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতিৰ যুগতো হাতত দামী স্মাৰ্ট ফোন লৈ শিক্ষিত মানুহৰ লানি নিচিগা সোঁত বয় সেই 'আই'ৰ, সেই 'শিৱ'ৰ, সেই ঐশ্বৰিক শক্তি লাভ কৰা বুলি গুজব ওলোৱাজনৰ ভৰি দুটা চুবলৈ, তেওঁৰ কাযত থকা পাত্ৰটোৰ পৰা পানী খাবলৈ। সেই পাত্ৰৰ পানী কিমান লেতেৰা ঠিক নাই, সৌভাগ্যৱান হোৱাৰ লোভত সেই লেতেৰা পানীকে পৰম শ্ৰদ্ধাৰে মুখত দিয়ে। আচলতে এইবোৰ অন্ধবিশ্বাসৰে ফল। সহজভাৱে টকা ঘটিবলৈ খুব চতুৰালিৰে কৰা এইবোৰ দুষ্ট লোকৰ কাম।

'সোপাধৰা' আন এক অন্ধবিশ্বাস। কিছুমান ঠাইত 'ল'ৰাধৰা' বুলিও মানুহৰ মাজত প্ৰচলিত।

এই সম্পৰ্কত উৰাবাতৰি এনেদৰে ওলায় যে বেলেগ ঠাইৰ পৰা বেলেগ দেহাবয়বৰ এজন বা দুজন লোক আহি সেই ঠাইৰ সৰু ল'ৰাৰ মুখত সোপা মাৰি ধৰি লৈ যায়। এনে ধৰণৰ গুজৱ ওলালেই মানুহে সত্যাসত্য বিচাৰ নকৰি অচিনাকি আৰু সচৰাচৰ নেদেখা দেহাবয়বৰ মানুহ দেখিলেই আক্ৰমণ কৰি এক অপ্ৰীতিকৰ অমানৱীয় পৰিস্থিতিৰ সৃষ্টি কৰে। এনেধৰণৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, উৰাবাতৰি হ'ল মানৱ সভ্যতাৰ বাবে একো একোটা ভয়ংকৰ অভিশাপ।

**অন্ধবিশ্বাস, কুসংস্কাৰৰ কাৰণসমূহ ঃ**

কি কাৰণে মানুহ অন্ধবিশ্বাসী হয়? কি কাৰণে মানুহে কুসংস্কাৰকে সংস্কাৰ বুলি গ্ৰহণ কৰে? কি কাৰণে এজন মানুহে উৰাবাতৰি প্ৰচাৰ কৰে আৰু কি কাৰণে সমাজৰ বাকী মানুহে বিনাদ্বিধাই চিন্তাশূন্যভাৱে সেই উৰাবাতৰিকে, সেই অপপ্ৰচাৰকে সত্য বুলি মানি লয়?

**প্ৰথম কাৰণ ঃ** সম্প্ৰতি অসমৰ সাক্ষৰতাৰ হাৰ ৭৩.১৮ শতাংশ। পুৰুষৰ ৭৮.৮১ শতাংশ আৰু মহিলাৰ ৬৭.২৭ শতাংশ। সেই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে শিক্ষাৰ অভাৱৰ বাবে বুলি কোৱাতকৈ জ্ঞানৰ অভাৱৰ বাবেহে মানুহ কুসংস্কাৰ, অন্ধবিশ্বাসৰ বশৱৰ্তী হয় বুলি ক'ব পাৰি। জ্ঞানৰ অভাৱৰ বাবেই এজন মানুহে তেওঁৰ আৱেগক নিয়ন্ত্ৰণ কৰি ৰাখিব নোৱাৰে। ৭৩.১৮ শতাংশ মানুহ শিক্ষিত হোৱাৰ পিছতো জ্ঞানৰ অভাৱ বুলি কিয় কোৱা হৈছে? কাৰণ আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হ'লেই মানুহক জ্ঞানী বুলি ক'ব নোৱাৰি। বৰঞ্চ আজিৰ পৰা বহু বছৰৰ আগেয়েই আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নোহোৱা আমাৰ সমাজৰ বহু লোকৰ চিন্তাধাৰা ইমান আধুনিক, বিজ্ঞানসন্মত আৰু বৈপ্লৱিক আছিল যে সেই চিন্তা আজিও প্ৰাসংগিক আৰু মানৱ সমাজৰ বাবে হিতকৰ বুলি প্ৰমাণিত হৈছে। শংকৰদেৱৰ বৈষ্ণৱ দৰ্শনৰ মূলমন্ত্ৰই আছিল মানৱতা, যি দৰ্শন আজিও বন্দিত আৰু ভৱিষ্যতলৈও বন্দিত হৈ থাকিব। কিন্তু বৰ্তমান যুগৰ উন্মত্ত ভোগবাদে শিক্ষাক জ্ঞান আহৰণৰ আহিলাৰ পৰিৱৰ্তে এটা চাকৰি লাভ কৰাৰ অনিবাৰ্য পথ হিচাপেহে পৰিণত কৰাইছে। কৃচ্ছ্ৰ-সাধনাই হ'ল জীৱনৰ সৰ্বশ্ৰেষ্ঠ সাধনা। অথচ এই কৃচ্ছ্ৰ-সাধনাৰ পৰা আজিৰ মানুহক বহু দূৰলৈ আঁতৰাই নিছে ভোগ-বিলাস আৰু সস্তীয়া আনন্দ আহৰণৰ প্ৰৱণতাই। সমাজত বিশৃংখল পৰিৱেশ সৃষ্টি হোৱাৰ, অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ, অমানৱীয় কাৰ্য-কলাপ সংঘটিত হোৱাৰ এটা অন্যতম কাৰণ হৈছে বৰ্তমান সময়ৰ মানুহৰ অনিয়ন্ত্ৰিত আৱেগ। আৱেগ নিয়ন্ত্ৰণ কৰিব নোৱৰাৰ এটা মূল কাৰণ হৈছে অধ্যয়নবিমুখিতা। মানুহ শিক্ষিত হৈছে, কিন্তু সেই অনুপাতে হৈছে অধ্যয়নবিমুখ।

**দ্বিতীয় কাৰণ ঃ** প্ৰত্যেক মানুহেই নিজৰ স্বভাৱ, চৰিত্ৰ আৰু জীৱনৰ পৰা পোৱা শিক্ষাৰ ওপৰত ভিত্তি কৰি সন্মুখত দেখা ঘটনা একোটাক বিশ্লেষণ কৰে। ঘটনাটোত তেওঁৰ ভূমিকা ইতিবাচক হ'ব নে নেতিবাচক হ'ব, সেইটো নিৰ্ভৰ কৰে তেওঁৰ দৃষ্টিভংগীৰ ওপৰত। আচলতে প্ৰতিটো কথাই

ইতিবাচক দৃষ্টিভংগীৰে চাব লাগে। তেতিয়াই প্ৰতিটো সমস্যাৰ সমাধান হয় খুব সহজ আৰু শান্তিপূৰ্ণভাৱে। কিন্তু ভোগসৰ্বস্ব, অধ্যয়নবিমুখ, গভীৰ চিন্তাৰে নিজক উজ্জ্বলাব নোৱৰা আজিৰ প্ৰায়বোৰ মানুহে কথাবোৰ, সন্মুখত ঘটা ঘটনাবোৰ প্ৰায়ে নেতিবাচক দৃষ্টিভংগীৰে চায়। ইতিবাচক চিন্তা কৰিব নোৱৰা সমাজক পংগু সমাজ বুলি গণ্য কৰা হয়। সদায় নেতিবাচক কথা শুনি শুনি আমনি লাগি মানুহে ভাবিবলৈ বাধ্য হৈছে—সমাজত ভাল খবৰ নোহোৱাই হ'ল নেকি? আচলতে সমাজত ভাল কাম বহুত হৈ আছে। নেতিবাচক খবৰৰ ভীৰৰ মাজত সেইবোৰ হেৰাই গৈছে। সকলোৰে এবাৰৰ বাবে যদি ইতিবাচক চিন্তাক গুৰুত্ব দিবলৈ আৰম্ভ কৰে, তেনেহ'লে ফলাফলবোৰো ইতিবাচক হ'ব। হেৰাই যাব সমাজৰ পৰা সকলো নেতিবাচক চিন্তা আৰু ধাৰণা। লগে লগে অপ্ৰীতিকৰ অমানৱীয় ঘটনাবোৰো সমাজত নঘটা হ'ব।

**তৃতীয় কাৰণ ঃ** যিবিলাক মানুহক ভাল কাম কৰাৰ দায়িত্ব দিয়া হৈছে, দেখা গৈছে ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থসিদ্ধিৰ বাবে সেই দায়িত্বশীল মানুহবোৰেও কেতিয়াবা সমাজৰ বাবে নেতিবাচক কাম কৰে। নেতৃস্থানীয় ব্যক্তিসকলৰ তেনে কাম-কাজ তেওঁৰ অনুগামীসকলেও অনুকৰণ কৰিবলৈ আৰম্ভ কৰে। এনে কাৰ্য সমাজৰ কাৰণে কেতিয়াবা ভয়ংকৰভাৱে ক্ষতিকাৰক হৈ পৰে।

**চতুৰ্থ কাৰণ ঃ** শিক্ষাৰ এক অন্যতম অংগ হৈছে ভ্ৰমণ। ভ্ৰমণৰ যোগেদি মানুহে নজনা কথা জানে, বিভিন্নজনৰ লগত পৰিচয় ঘটে। ভ্ৰমণে মনৰ পৰিধি বহল কৰে। ভিতৰুৱা যোগাযোগ ব্যৱস্থাৰ সুবিধা নথকা অঞ্চলৰ বহু লোকে মনৰ ভাৱ বাহিৰৰ অঞ্চলৰ লোকৰ সৈতে বিনিময় কৰাৰ সুবিধা নাপায়। বিনিময় যদি নহয়েই, মনৰ দিগন্ত প্ৰসাৰিত হ'ব কেনেকৈ? অন্ধবিশ্বাসী হোৱাৰ, কু-সংস্কাৰ সাৰটি থকাৰ ইও এটা কাৰণ। কিন্তু ভিতৰুৱা অঞ্চলতো প্ৰচণ্ড আশাবাদী, যোগাত্মক চিন্তাৰ মানুহ নোহোৱা নহয়। সংখ্যাত কম হ'ব পাৰে। সেই মানুহখিনিয়েই ঠাইখনৰ উন্নয়নৰ বাবে অহৰহ লাগি থাকে।

**পঞ্চম কাৰণ ঃ** স্বাৰ্থপূৰণৰ বাবেও কিছুমান অসৎ প্ৰবৃত্তিৰ লোকে কেতিয়াবা সমাজত অন্ধবিশ্বাস বিয়পাই দিয়ে। উৰাবাতৰিৰে মানুহক উত্তেজিত কৰি তোলে। ইমান চতুৰালিৰে এই অন্ধবিশ্বাসবোৰ প্ৰচাৰ কৰে যে অশিক্ষিত মানুহৰ কথা বাদেই শিক্ষিত সমাজেও সেইবোৰ বিশ্বাস কৰি লয়। তাৰ দ্বাৰা সেই অসৎ প্ৰবৃত্তিৰ লোকজনৰ কিবা এটা স্বাৰ্থ সিদ্ধি হয়, কিন্তু ঘটিব নলগীয়া অমানৱীয় ঘটনা এটাও হয়তো ঘটি যায়। কিছুমান দুষ্ট প্ৰকৃতিৰ লোকে সমাজক ভীতিগ্ৰস্ত আৰু অস্থিৰ কৰি তুলিবলৈও উৰাবাতৰি প্ৰচাৰ কৰে। এনেধৰণৰ উৰাবাতৰি আৰু অন্ধবিশ্বাসৰ কথা সেইজনে বিশ্বাস নকৰিব, যিজনে কথাবোৰ যুক্তিৰে বিচাৰ কৰে। তেনেকুৱা এটা মনৰ অধিকাৰী সেইজনহে হয়, যিজন অধ্যয়নৰ দ্বাৰা বাস্তৱমুখী জ্ঞানেৰে সমৃদ্ধ হয়।

**ষষ্ঠ কাৰণ ঃ** আৰু এটা প্ৰৱণতা আছে আমাৰ মাজত। কষ্ট নকৰাকৈ কম আয়াসতে আমাক সকলো লাগে। কষ্ট নকৰাকৈ সাফল্য লাগে, কষ্ট নকৰাকৈ ধন-সম্পত্তি ঘটিবলৈ লাগে, ভোগ-বিলাসত মত্ত হ'বলৈ লাগে। সহজে সকলো পাবৰ বাবেও অন্ধবিশ্বাসী হয়।

**সপ্তম কাৰণ ঃ** মূল কথাটো হ'ল মনোবৃত্তি। অন্ধবিশ্বাস, কু-সংস্কাৰৰ গৰাহত নপৰিবৰ বাবে লাগিব এটা যুক্তিবাদী মন, লাগিব বিজ্ঞানমনস্কতা। আচলতে আমি বিজ্ঞান এটা বিষয় হিচাপে গণ্য কৰোঁ। ভাবো, বিজ্ঞান কেৱল শ্ৰেণীকোঠাত পঢ়া এটা বিষয়। সেই কাৰণেই বিজ্ঞান বিষয়টো বৰ টান টান লাগে। সেই কাৰণেই বিজ্ঞান বুলি ক'লে ভয় লাগে। প্ৰকৃত অৰ্থত বিজ্ঞান কেৱল এটা বিষয় নহয়। বিজ্ঞান এক সংস্কৃতি। বিজ্ঞান এক সভ্যতা। বিজ্ঞান সৰ্বব্যাপী। বিজ্ঞান জীৱন ধাৰণৰ এটা প্ৰণালী। কেৱল শ্ৰেণীকোঠাৰ ভিতৰতেই নহয়, আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে বিজ্ঞানৰ আৱশ্যক। সাধাৰণ মানুহে যে বিজ্ঞান বুজিব নোৱাৰে এনে নহয়। সকলোৱে বিজ্ঞান বুজিব পাৰে আৰু ক'ব নোৱৰাকৈয়ে সকলোৱে বিজ্ঞানৰ ধাৰণাসমূহ, সূত্ৰসমূহ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিও আছে। মনোবৃত্তি বিজ্ঞানৰ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত হ'লেহে মানুহৰ মনৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰ কৰিব পৰা যাব।

**নিয়ন্ত্ৰণ ব্যৱস্থা ঃ**

অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আঁতৰ কৰাৰ ক্ষেত্ৰত সজাগতা হ'ল এটা শক্তিশালী আহিলা। সজাগতা মানে সভা পাতি ভাষণ দিয়াটো নহয়। সজাগতা মানে ৰাস্তাই ৰাস্তাই শোভাযাত্ৰা কৰাটো নহয়। বিদ্যালয়ৰ পাঠ্যক্ৰমত এই বিষয়টো অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যটোৱেই হৈছে যাতে সৰুৰে পৰা ছাত্ৰ-ছাত্ৰীয়ে বুজি পায় অন্ধবিশ্বাস, কুসংস্কাৰৰ ভয়াবহতা। অন্ধবিশ্বাস, কুসংস্কাৰে যে সমাজ এখনক পংগু কৰে, একৈশ শতিকাৰ সমাজ এখনক যে আকৌ আদিম স্তৰলৈ লৈ যায় সেইটো বুজি পাব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত ৰচনা প্ৰতিযোগিতা বা তেনেধৰণৰ অন্যান্য প্ৰতিযোগিতাৰে ছাত্ৰ-ছাত্ৰীক জড়িত কৰিও সজাগতা আনিব পৰা যায়।

তথ্যচিত্ৰ বা তেনেধৰণৰ প্ৰচাৰ মাধ্যমৰ জৰিয়তে জনসাধাৰণৰ মাজত সজাগতা অনাটো খুব জৰুৰী। সকলোৱে বুজিব লাগিব যে 'ডাইনী' অথবা 'সোপাধৰা'ৰ দৰে অন্ধবিশ্বাসৰ সুযোগ গ্ৰহণ কৰি এচাম স্বাৰ্থপৰ লোকে সমাজত হত্যাৰ দৰে অসামাজিক আৰু অমানৱীয় কাৰ্য সমাধা কৰিছে। সাধাৰণতে দেখা গৈছে, সম্পত্তিৰ লোভত বা ওচৰ-চুবুৰীয়া কাৰোবাৰ যদি উন্নতি হয় তেওঁৰ প্ৰতি ঈৰ্ষান্বিত হৈও সেই বিশেষ মানুহঘৰৰ কাৰোবাক 'ডাইনী' বুলি অভিহিত কৰি অসৎ মনোবৃত্তিৰ মানুহে সামাজিক উৎপীড়ন চলায়। এনেদৰে স্বাৰ্থসিদ্ধিৰ বাবেই 'সোপাধৰা'ৰ অপপ্ৰচাৰ চলায়। কেতিয়াবা হত্যাৰ দৰে জঘন্য ঘটনাও সংঘটিত হয়।

'ডাইনী' অথবা 'সোপাধৰা' বিষয়টো সমাজৰ আৱেগ-অনুভূতি আৰু ভুল বুজা-বুজিৰ সাধাৰণ ঘটনা হিচাপে ৰেহাই দিয়াটো একেবাৰে উচিত নহয়। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে উদাসীনতাই স্বাৰ্থান্বেষী লোকক উৎসাহিত কৰে।

**মনত ৰখা জৰুৰী ঃ**

দেখা গৈছে যে 'ডাইনী' বুলি উৰাবাতৰি প্ৰচাৰৰ ফলস্বৰূপে যি বৰ্বৰ ঘটনা সংঘটিত হয়, সেই অমানৱীয় ঘটনাত শতকৰা নব্বৈ ভাগৰো অধিক ক্ষেত্ৰত মহিলাসকলেই আক্ৰান্ত হয়। 'সোপাধৰা' বুলি উৰাবাতৰি প্ৰচাৰৰ ফলস্বৰূপে অচিনাকি আৰু প্ৰায় ক্ষেত্ৰতে বিশেষভাৱে সক্ষম লোকেই আক্ৰান্ত হোৱা দেখা গৈছে। এইবোৰে সমাজক পশ্চাদপদ কৰি ৰাখে। সেয়েহে অন্যান্য সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাসমূহ সমাধানৰ লগতে জনসাধাৰণৰ মাজত সামাজিক মনস্তাত্ত্বিক জাগৰণৰো সৃষ্টি কৰা উচিত।

**লেখক-পৰিচয় ঃ**

গল্পকাৰ, ঔপন্যাসিক জয়ন্ত মাধৱ বৰা শিক্ষা বিভাগৰ এগৰাকী বিষয়া। বৰ্তমান অসম সচিবালয়, দিছপুৰত কৰ্মৰত। পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীধাৰী জয়ন্ত মাধৱ বৰাৰ এতিয়ালৈকে ৮ খন গল্প সংকলন, ১৩ খন উপন্যাস, ২ খন গৱেষণামূলক গ্ৰন্থ, ৫ খন অনুবাদ গ্ৰন্থ, ৫ খন শিশু গ্ৰন্থ প্ৰকাশ পাইছে। ইয়াৰ উপৰিও ৩ খন গ্ৰন্থ সম্পাদনা কৰিছে, ৩ খন আলোচনী আৰু ৭ খন স্মৃতিগ্ৰন্থ সম্পাদনা কৰিছে। অনাতাঁৰ কেন্দ্ৰ যোগে ৬ খন নাটক আৰু বহু কথিকা, গুৱাহাটী দূৰদৰ্শন আৰু ব্যক্তিগত চেনেলযোগে জয়ন্ত মাধৱ বৰাৰ কাহিনী আৰু চিত্ৰনাট্যৰে ৬৪ খন ধাৰাবাহিক আৰু ১২ খন তথ্যচিত্ৰ প্ৰচাৰিত হৈছে। ১ খন চলচিত্ৰৰ চিত্ৰনাট্য কৰিছে। বাতৰি কাকত, আলোচনীত বহু প্ৰবন্ধ, গল্প, উপন্যাস প্ৰকাশিত হৈ থাকে। জিলা প্ৰাথমিক শিক্ষা আঁচনি আৰু সৰ্বশিক্ষা অভিযানত কৰ্মৰত অৱস্থাত শিক্ষা বিভাগৰ বহু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ কৰিছে।

**সন্মান ঃ**

(১) "অমৃত" উপন্যাসৰ বাবে ১৯৮৭ চনত অসম সাহিত্য সভাৰ গিৰিধৰ শৰ্মা বঁটা লাভ
(২) "জাকৈয়া ছোৱালী" গল্প সংকলনৰ বাবে ২০১৩ চনত অসম সাহিত্য সভাৰ অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা লাভ
(৩) "মৰিয়াহোলা" উপন্যাসৰ বাবে ২০১৪ চনত গোলাঘাট জিলা সাহিত্য সভাৰ চৈয়দ আব্দুল মালিক বঁটা লাভ
(৪) "মৰিয়াহোলা" উপন্যাসৰ বাবে ২০১৭ চনত সাহিত্য অকাডেমী বঁটা লাভ
(৫) ২০১৯ চনত ডঃ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সাহিত্য বঁটা লাভ।

**শব্দাৰ্থ আৰু টোকা ঃ**

অপদেৱতা : অহিত বা অপকাৰ সধা দেৱতা; ভূত-প্ৰেত।
অবাঞ্ছিত : যিটো বাঞ্ছা কৰা নহয়, বিচৰা নহয়।
ইতিবাচক : কোনো কথা বা কামৰ প্ৰতি সন্মতিসূচক।
কলুষিত : কলংকযুক্ত ।
গতিৰোধক : গতিক বাধা দিয়া ব্যবস্থা।
গুজৱ : উৰাবাতৰি।
দেহাবয়ব : দেহৰ গঠন; দেহৰ অবয়ব।
নেতিবাচক : অসন্মতি প্ৰকাশ কৰা, ঋণাত্মক।
প্ৰতিকূলতা : বিপৰীত অৱস্থা, বাধা।
প্ৰমূল্য : মানদণ্ড, বিশেষ মূল্য।
বন্দিত : যাক বন্দনা কৰা হয়, পূজনীয়।
বড়ি : ঔষধৰ সৰু ঘূৰণীয়া গুটি।
ভ্ৰান্ত বিশ্বাস : ভুল ধাৰণা।
মনস্তাত্ত্বিক : মনৰ প্ৰকৃতি সম্পৰ্কীয়।

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক ঃ**

১। চমু উত্তৰ দিয়া ঃ

(ক) উৰাবাতৰি মানে কি?

(খ) কুসংস্কাৰ বুলিলে কি বুজা?

(গ) 'অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।'—কথাষাৰ কোনে কৈছিল?

(ঘ) কোনখন সন্ধিৰ পিছত আৰু কেতিয়া অসম বৃটিছৰ অধীনলৈ যায়?

(ঙ) অসমলৈ আহি শদিয়াৰ সেমেকা জলবায়ুত মিছনেৰীসকল কেনে ধৰণৰ ৰোগত আক্ৰান্ত হৈছিল?

২। অন্ধবিশ্বাস মানে? অন্ধবিশ্বাসে সমাজত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে লিখা।

৩। কি কি কাৰণত অন্ধবিশ্বাস, কুসংস্কাৰৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হয়?

৪। অন্ধবিশ্বাস, কুসংস্কাৰ আদি নিয়ন্ত্ৰণ কৰিবলৈ কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিব পাৰি?

৫। 'ডাইনী', 'সোপাধৰা'—এইবোৰ অন্ধবিশ্বাস। অন্ধবিশ্বাস বুলি জানিও কিছু লোকে এই বিষয় দুটাক লৈ উৰাবাতৰি প্ৰচাৰ কৰে আৰু বহু লোকে বিশ্বাস কৰিও লয়। ইয়াৰ কাৰণ কি কি বুলি ভাবা?

৬। তোমালোকৰ অঞ্চলত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আদি তোমাৰ চকুত পৰিছে নেকি? সেইবোৰ নিৰাময়ৰ বাবে তোমাৰ ফালৰ পৰা কি কি ব্যৱস্থা ল'বা—এই বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

৭। ব্যাখ্যা কৰা ঃ

(ক) অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।

(খ) সংস্কাৰ এক জীৱন পদ্ধতি।

(গ) মানুহ শিক্ষিত হৈছে, কিন্তু সেই অনুপাতে হৈছে অধ্যয়নবিমুখ।

**ভাষা-বিষয়ক ঃ**

৮। উদাহৰণটো চাই বাকীকেইটা কৰা ঃ

উদাহৰণ ঃ মানবীয় — অমানবীয়।

সজাগতা; সামাজিক; ৰাজনৈতিক; সাংবিধানিক; প্ৰচাৰ।

৯। তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ লিখা ঃ

ইতিবাচক; সৎ; যোগাত্মক; সক্ষম; উচিত; অভিশাপ।

১০। পাঠত উল্লেখ থকা পাঁচোটা যুৰীয়া শব্দ বিচাৰি উলিওৱা।

১১। বাক্য ৰচনা কৰা ঃ

মৌলিক অধিকাৰ; অমানবীয় কাৰ্য; প্ৰচাৰ মাধ্যম; সজাগতা সভা; স্বাৰ্থান্বেষী লোক; আদিম স্তৰ।

F5F5S6

# ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য

**ড° হেমন্ত কুমাৰ শৰ্মা**

ভাৰতবৰ্ষ এখন অতি পুৰণি সুসভ্য ঐতিহ্যপূৰ্ণ দেশ। কেইবা হাজাৰ বছৰ আগতে যেতিয়া পৃথিৱীৰ বহুতো দেশ অজ্ঞান আন্ধাৰত বুৰ গৈ আছিল, তেতিয়া ভাৰতবৰ্ষই দৰ্শন, বিজ্ঞান, সাহিত্য, সুকুমাৰ কলা আদি বিষয়ত উন্নতিৰ উচ্চ শিখৰত উপনীত হৈছিল। ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। ভৌগোলিক অৱস্থাত আৰু বিভিন্ন সময়ত ভাৰতলৈ অহা বিভিন্ন মানৱ জাতিৰ ধৰ্ম-ভাষা, আচাৰ-ব্যৱহাৰ, কলা-সংস্কৃতি আদি বিষয়ত ভাৰতৰ বিচিত্ৰতা লক্ষ্য কৰিব পাৰি।

ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থান বৈচিত্ৰ্যপূৰ্ণ, ইয়াৰ এফালে সুউচ্চ পৰ্বতমালা, আনফালে সুগভীৰ সাগৰ-মহাসাগৰ, এফালে বিস্তীৰ্ণ সমতল ভূমি, আনফালে বিৰাট মালভূমি, এফালে দ্বীপমালা, আনফালে হ্ৰদ-জলাশয়, এফালে গ্ৰীষ্মৰ তীব্ৰতা, আনফালে শীতৰ কঠোৰতা, এফালে মৌচুমীৰ তাণ্ডৱ-নৃত্য, আনফালে শুকান মৰুভূমি।

ভাৰতীয় লোকসকলৰ গোষ্ঠীগত বা জাতিগত বৈচিত্ৰ্যও মন কৰিবলগীয়া। প্ৰাগৈতিহাসিক যুগত যিসকল ভাৰতীয় লোকে পৰ্বতৰ গুহা বা গছৰ ধোন্দত বসবাস কৰিছিল, তেওঁলোকক আদিম অধিবাসী বোলে। বৰ্তমান মধ্যভাৰত, বিহাৰ, উৰিষ্যা আদিত বাস কৰা কোল, মুণ্ডা, চাওঁতাল আদি এওঁলোকৰ বংশধৰ। ভাতৰবৰ্ষলৈ অহা এটি সুপ্ৰাচীন মানৱ গোষ্ঠী হ'ল দ্ৰাবিড়সকল। তেওঁলোকে পোনতে পাঞ্জাব অঞ্চলত বাস কৰিছিল যদিও আৰ্যসকলৰ হেঁচাত দ্ৰাবিড়সকল দক্ষিণ ভাৰতলৈ যাবলৈ বাধ্য হ'ল। দক্ষিণ ভাৰতৰ তামিল, তেলেগু, কৰ্ণাড় আদি লোক দ্ৰাবিড়সকলৰ বংশধৰ। পুৰণি কালত আৰু দুটি মানৱগোষ্ঠী উত্তৰ-পূব চুকেদি সোমাই ভাৰতবৰ্ষত স্থায়ীভাৱে বসতি কৰিবলৈ লৈছিল। তেওঁলোক হ'ল অষ্ট্ৰিক আৰু মংগোলীয় অষ্ট্ৰিক গোষ্ঠীৰ লোক। নগা, বড়ো, মিছিং, কাৰ্বি, গাৰো আদি লোকসকল মংগোলীয় গোষ্ঠীৰ।

দ্ৰাবিড়সকলে উত্তৰ ভাৰতত বসবাস কৰি থকা সময়তেই অৰ্থাৎ প্ৰায় চাৰি হাজাৰ বছৰ আগতে আৰ্য্য নামে এটি মানৱগোষ্ঠী উত্তৰ-পশ্চিম ফালেদি ভাৰতত সোমায়। তেওঁলোকে দ্ৰাবিড়সকলক দক্ষিণ ভাৰতবৰ্ষলৈ

খেদি প্ৰথমে পাঞ্জাব আৰু পাছত গোটেই উত্তৰ আৰু পূব-ভাৰতত স্থায়ীভাৱে বসতি কৰিবলৈ লয়। আৰ্য্যসকলৰ পৰাই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ— আদি বৰ্ণৰ সৃষ্টি হয়। উল্লেখযোগ্য যে ভাৰতবৰ্ষলৈ অহা এই মানৱগোষ্ঠীসমূহৰ শাৰীৰিক গঠন আৰু ভাষা-সংস্কৃতি একেবাৰেই পৃথক আছিল।

আৰ্য্যসকলৰ পাছতো ভাৰতলৈ অহা বিদেশীৰ সোঁত বন্ধ হোৱা নাছিল। ভাৰতবৰ্ষলৈ পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা মানুহৰ সোঁত বৈ আহিছে। আৰ্য্যসকল অহাৰ অনেক কালৰ পাছত এছিয়া আৰু ইউৰোপৰ পৰা কেইবাটাও প্ৰবল পৰাক্ৰমী জাতি আহি ভাৰতবৰ্ষত ৰাজ্য স্থাপন কৰে। সেইসকলৰ ভিতৰত শক, কুশান, পাঠান, মোগল, পৰ্তুগীজ, ইংৰাজ, ফৰাচী আদিয়েই প্ৰধান। এই বিজেতাসকলৰ ভিতৰত সৰহভাগেই ভাৰতবৰ্ষকে আপোন কৰি লৈ ভাৰতীয়ৰ লগতে নিজক মিলাই দিছিল।

পূব আৰু দক্ষিণ ভাৰতৰ মানুহৰ প্ৰধান খাদ্য ভাত; কিন্তু উত্তৰ, মধ্য আৰু পশ্চিম ভাৰতীয় লোকৰ প্ৰধান আহাৰ ৰুটি। উত্তৰ, দক্ষিণ আৰু পশ্চিম ভাৰতৰ উচ্চ হিন্দুৰ মাজত মাছ-মাংস নচলে। কিন্তু পূব ভাৰতৰ সকলো লোকেই মাছ-মাংস খায়। পূব ভাৰতৰ মতা মানুহে পোন্ধ মাৰি চুৰিয়া পিন্ধে, কিন্তু দক্ষিণ ভাৰতীয় লোকে পোন্ধ নামাৰি লুঙীৰ দৰে চুৰিয়া পিন্ধে। উত্তৰ ভাৰতত পায়জামাৰ আদৰ বেছি। অৱশ্যে বৰ্তমানে শিক্ষিত সমাজত লংপেণ্টৰ প্ৰচলনেই অধিক। ভাৰতীয় তিৰোতাৰ প্ৰধান সাজ শাৰী যদিও অসমীয়া তিৰোতাই মেখেলা-চাদৰ আৰু উত্তৰ ভাৰতৰ তিৰোতাসকলে সাধাৰণতে চুড়িদাৰ, পায়জমা পৰিধান কৰে।

ভাৰতবৰ্ষত বাস কৰা লোকসকল হিন্দু, বৌদ্ধ, জৈন, শিখ, ইছলাম, খ্ৰীষ্টান আদি বিভিন্ন ধৰ্মাৱলম্বী। ধৰ্মৰ এই বিচিত্ৰতাই ভাৰতীয় মানুহৰ আচাৰ-অনুষ্ঠান আদিতো বৈচিত্ৰ্যৰ সৃষ্টি কৰিছে। তদুপৰি অঞ্চলবিশেষে মানুহৰ সামাজিক ৰীতি-নীতি, খাদ্য, সাজ-পাৰ আদিতো বৈশিষ্ট্য আনিছে।

ভাৰতবাসীৰ ভাষাৰ বৈচিত্ৰ্যও মন কৰিবলগীয়া। পৃথিৱীৰ দ্বিতীয় জনাকীৰ্ণ দেশ ভাৰতবৰ্ষত অসমীয়া, বঙলা, হিন্দী, উৰিয়া, তামিল, তেলেগু আদি পোন্ধৰটা আঞ্চলিক ভাষা আৰু কেইবাশ উপভাষা চলে। ভাষা বা অঞ্চল অনুসৰি ভাৰতীয়সকলৰ সুকীয়া সুকীয়া বৈশিষ্ট্যও আছে। বিভিন্ন ভৌগোলিক পৰিৱেশ, জাতি-ধৰ্ম, ভাষা-সংস্কৃতিৰে ভৰা ভাৰতবৰ্ষক বাৰেবৰণীয়া ফুলৰ এখনি মনোৰম ফুলনি বুলিব পাৰি।

ভাৰতৰ এনেবোৰ বৈচিত্ৰ্যৰ কথা ভাবিলে স্বাভাৱিকতে মনত এটি প্ৰশ্নৰ উদয় হয়। ইমানবোৰ আঞ্চলিক, ভাষিক, ধৰ্মীয় বা সাংস্কৃতিক পাৰ্থক্য সত্বেও হাজাৰ হাজাৰ বছৰ ধৰি পৃথিৱীৰ এই বিৰাট ভূভাগৰ লোকসকল কেনেকৈ বাৰু এক ভাৰতীয় হৈ আছে? অৱশ্যে ৰাজনৈতিক শক্তি লাভ আৰু ধৰ্মীয় কাৰণ হেতু ভাৰতবৰ্ষৰ দুটা অঞ্চলৰ লোক, ভাৰতবৰ্ষৰ পৰা ফাটি গৈ স্বাধীন ৰাষ্ট্ৰ হিচাপে থাকিল যদিও প্ৰাচীন ভাৰতৰ একতা— উদাৰতাৰ সুৰ আজিও একেদৰেই ধ্বনিত হৈ আছে। ইয়াৰ প্ৰধান কাৰণসমূহ থূলমূলভাৱে ফঁহিয়াই চাব পাৰি।

পৰ্বত-পাহাৰ, নৈ-সাগৰ, সমভূমি-মালভূমি আৰু জলবায়ুৰ বৈশিষ্ট্য থকা সত্ত্বেও ভাৰতবৰ্ষৰ ৰত্নগৰ্ভা মনোৰমা প্ৰকৃতিয়ে যুগ যুগ ধৰি যিসকল বিদেশীক আকৰ্ষণ কৰি আনিছে, তেওঁলোকে অৰ্থনৈতিক কাৰণত নিজৰ দেশক পাহৰি ভাৰতবৰ্ষকেই আপোন দেশ বুলি সাবটি লৈছে। দ্বিতীয়তে ভাৰতবৰ্ষ ঋষি-মুনিৰ দেশ, তপস্বী-সাধকৰ দেশ। এই দেশতেই ব্যাস, বাল্মীকি, বশিষ্ঠ, বিশ্বামিত্ৰ আদি ত্ৰিকালজ্ঞ ঋষিসকলৰ জন্ম হৈছিল। এই দেশতেই ভগৱান বুদ্ধ, মহাবীৰ, শংকৰাচাৰ্য, ৰামানুজ, ৰামানন্দ, কবীৰ, নানক, শংকৰদেৱ আদি মহাপুৰুষসকলে ত্যাগৰ মন্ত্ৰ, উদাৰতাৰ বাণী আৰু আধ্যাত্মিকতাৰ আদৰ্শ প্ৰচাৰ কৰি গৈছে, আৰু সেইবোৰৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰতবাসীয়ে ভাষা, ধৰ্ম আৰু আঞ্চলিক পাৰ্থক্য পাহৰি আপোন ভাই-ভনীৰ দৰে মিলিজুলি থাকিবলৈ লৈছে।

তৃতীয়তে, যিবোৰে বিভিন্ন দিশত ভাৰতৰ বৈচিত্ৰ্য আনিছে, সেইবোৰেই আকৌ স্থান বিশেষে ঐক্যৰ সেতু নিৰ্মাণ কৰি দিছে, যেন ই বহুৰঙী সূতাৰে গঁথা এখনি ফুলাম দলিচাহে। উদাহৰণ স্বৰূপে অসমত থকা হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টিয়ান আদি লোকসকলে ধৰ্মীয় দিশত বিভিন্ন আদৰ্শ পোষণ কৰে; কিন্তু তেওঁলোকৰ মাতৃভাষা অসমীয়াই তেওঁলোকক এক অসমীয়া জাতিৰূপে বান্ধি ৰাখিছে। আনহাতে অসমীয়া হিন্দু এজনৰ ভাষা আৰু আচাৰ-নীতি দক্ষিণ ভাৰতৰ হিন্দু এজনৰ ভাষা আৰু আচাৰ-নীতিৰ মাজত বিভিন্নতা থাকিলেও ধৰ্মীয় বান্ধোনে দুয়োজনকে এক কৰি ৰাখিছে। অন্যান্য ধৰ্মাৱলম্বী লোকৰ ক্ষেত্ৰতো একে কথাকেই ক'ব পাৰি। সেইকাৰণে যেতিয়া এজন ধৰ্মপ্ৰাণ অসমীয়া ব্যক্তিয়ে অসমৰ বাহিৰৰ কোনো ধৰ্মানুষ্ঠানত যোগ দিয়ে, তেতিয়া তেওঁৰ মনলৈ এনে ভাব অহাটোৱেই স্বাভাৱিক যে ভাষাৰ বিভিন্নতা সত্ত্বেও ধৰ্মানুষ্ঠানত যোগ দিয়া অন্যান্য ব্যক্তি আৰু তেওঁৰ মাজত যেন ভালেখিনি মিল আছে।

চতুৰ্থতে, ভাষাৰ বিভিন্নতা থকা সত্ত্বেও আৰু বিভিন্ন ভাৰতীয় ভাষাত অগণন গ্ৰন্থ ৰচিত হৈছে যদিও সেইবোৰৰ মাজত ভাব-চিন্তাধাৰাৰ ঐক্য লক্ষ্য ৰাখিব পাৰি। বেদ-উপনিষদ, গীতা-ভাগৱত, ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থয়ো প্ৰাচীন কালৰে পৰা ভাৰতবাসীৰ চিন্তাধাৰা আৰু আদৰ্শৰ ক্ষেত্ৰত ঐক্যভাব গঢ়াত সহায়ক হৈছে। প্ৰাচীন যুগত সংস্কৃত ভাষাই এই ঐক্য সাধনত বিশেষ বৰঙণি যোগাইছিল। উত্তৰ দক্ষিণৰ ঐক্য আৰু সম্প্ৰীতি প্ৰতিষ্ঠাতো সংস্কৃত ভাষাত ৰচিত গ্ৰন্থসমূহেও অনেক সহায় কৰি আহিছে।

পঞ্চমতে, ঐক্য স্থাপনৰ ক্ষেত্ৰত সুকুমাৰ কলা আৰু সংস্কৃতিৰ বৰঙণিও উলাই কৰিব নোৱাৰি। সংগীত, চিত্ৰকলা, ভাস্কৰ্য্য, স্থাপত্য আদিয়েই হ'ল সুকুমাৰ কলা। ভাৰতীয় বিভিন্ন সংগীত, চিত্ৰকলা, স্থাপত্য-ভাস্কৰ্য্য আদিয়ে প্ৰাচীন কালৰে পৰা ভাৰতবাসীক একতাৰ এনাজৰীৰে বান্ধি ৰাখিছে। ভাৰতবৰ্ষত অনুষ্ঠিত কিছুমান উৎসৱ-পাৰ্বণেও ভাৰতবাসীক ঐক্যবদ্ধভাৱে ৰখাত সহায় কৰিছে। পোন্ধৰ আগষ্ট, গণতন্ত্ৰ দিৱস, হিন্দুৰ জন্মাষ্টমী, শিৱৰাত্ৰি, দেৱালী, হোলি আদি আৰু অন্য ধৰ্মৰ ধৰ্মীয় উৎসৱৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি।

ভাৰতীয় সংস্কৃতি এক সমন্বয়ৰ বস্তু। যুগে যুগে স্বকীয় সংস্কৃতি লৈ বিভিন্ন জাতি-উপজাতি ভাৰতবৰ্ষলৈ আহিছে; কিন্তু কোনেও কেৱল নিজৰটোকে ধৰি ৰাখিব পৰা নাই। পূৰ্বৰে পৰা ভাৰতবৰ্ষত চলি থকা বিৰাট সাংস্কৃতিক প্ৰবাহত তেওঁলোকৰ সংস্কৃতি মিলি গ'ল, সমন্বয় সাধন হ'ল।

সামৰণিত ক'ব পাৰি যে ভাষাগত, ধৰ্মগত বা অঞ্চলগত পাৰ্থক্য থকা সত্ত্বেও ভাৰতীয় লোকৰ মাজত এটি সামূহিক মিল আছে; সেয়ে হ'ল সাংস্কৃতিক মিল। এই মিলৰ কাৰণেই এজন ভাৰতীয় মুছলমান বা খ্ৰীষ্টান, মক্কাত বা জেৰুজালেমত থাকিলেও তেওঁৰ প্ৰথম পৰিচয় হ'ব ভাৰতীয়হে। কাৰণ তেওঁৰ গাত ভাৰতীয় সংস্কৃতিৰ চাপ বিদ্যমান।

ভাৰতবৰ্ষক যদি ভাৰতমাতা বোলা হয়, তেন্তে ভাৰতৰ বৈচিত্ৰ্যবোৰ হ'ল— সেই মাতাৰ বিভিন্ন অংগ-প্ৰত্যংগ আৰু ভাৰতৰ ঐক্য হ'ল ভাৰতমাতাৰ অবিনাশী আত্মা।

**লেখক-পৰিচয় :**

নলবাৰীৰ অন্তৰ্গত পিপলিবাৰী গাঁৱত ড° হেমন্ত কুমাৰ শৰ্মাৰ জন্ম হয়। কটন কলেজৰ অসমীয়া বিভাগত অধ্যাপনা কৰি থকা কালতেই ১৯৯২ খ্ৰীষ্টাব্দৰ ১৮ জানুৱাৰীত তেওঁৰ মৃত্যু হয়। তেওঁ অসম সাহিত্য সভা, অসম জনকৃষ্টি সমাজ আদি সাহিত্য আৰু সংস্কৃতি বিষয়ক অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত আছিল। ড° শৰ্মাই একুৰিৰো অধিক গ্ৰন্থ ৰচনা তথা সম্পাদনা কৰি থৈ গৈছে। 'অসমীয়া সাহিত্যৰ দৃষ্টিপাত', 'অসমীয়া সাহিত্যৰ ৰেঙনি', 'সাহিত্য বিচিত্ৰা', 'সাহিত্যৰ জেউতি', 'কাবেৰীৰ পাৰে পাৰে', 'স্মৃতিৰ পলাশ', 'সেই মালাধাৰি', 'ৰাখি বন্ধন', 'সন্ধ্যাৰাগ', 'জীৱনী সৌৰভ' আদি তেওঁ ৰচনা কৰা পুথি। 'অসমীয়া লোকগীতি সঞ্চয়ন', 'কামৰূপী লোকগীত-সংগ্ৰহ' আৰু 'কিংবদন্তিৰ সাধু', তেওঁৰ উল্লেখযোগ্য সংকলন। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা কৰি পি. এইচ. ডি. লাভ কৰে।

**পাঠবোধ :**

এই পাঠটিৰ মাজেৰে লেখকে ভাৰতবৰ্ষৰ নিচিনা এখন বিশাল দেশৰ সাংস্কৃতিক সমন্বয়ৰ বিষয়ে এক সময়োপযোগী আৰু অতি গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়াইছে। বিভিন্ন ভাষা-ভাষী, ধৰ্মাৱলম্বী মানুহ বসবাস কৰা সত্ত্বেও সকলোৰে মাজত এক সামূহিক মিল আছে। সেয়া হৈছে আমি সকলো এক ভাৰতীয়। লেখকে ভাৰতীয়সকলৰ মাজত বিৰাজমান ভাষিক-সাংস্কৃতিক সমন্বয়ৰ অনেক উদাহৰণ দাঙি ধৰিছে।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| অগণন | : | অলেখ। |
| অবাৰিত | : | বাধা নোহোৱা, মুকলি। |
| অবিনাশী | : | যাৰ বিনাশ নাই, যাৰ ধ্বংস নাই। |

| | | |
|---|---|---|
| আত্মা | : | সৰ্বব্যাপী চৈতন্য। প্ৰাণ; জীৱজগতৰ প্ৰাণস্বৰূপ। |
| আৱহমান | : | চিৰকাল চলি থকা। |
| উলাই | : | তুচ্চ, উলংঘা। |
| গোষ্ঠী | : | বংশ, জাতি, দল, সমুদায়। |
| জনাকীৰ্ণ | : | মানুহেৰে ভৰা। |
| ত্ৰিকালজ্ঞ | : | ত্ৰিকাল অৰ্থাৎ অতীত, বৰ্তমান আৰু ভৱিষ্যত কালৰ বিষয়ে যিসকলে জানে। |
| তাণ্ডৱ নৃত্য | : | উদ্ধত নৃত্য; পৌৰুষ-পূৰ্ণ নৃত্য বিশেষ। |
| দৰ্শন | : | দৃষ্টি, জ্ঞান, তত্ত্ব, তত্ত্বজ্ঞান। দৰ্শনত জাগ্ৰত জীৱন, জগত আৰু ঈশ্বৰ সম্বন্ধীয় আলোচনা থাকে। |
| দুটা অঞ্চলৰ লোক | : | পশ্চিম পাকিস্তান আৰু বাংলাদেশ। |
| প্ৰাগৈতিহাসিক | : | যি যুগৰ বিষয়ে ইতিহাসে আমাক বিশেষ সমল দিব নোৱাৰে; বুৰঞ্জীয়ে ঢুকি নোপোৱা যুগ। |
| বিস্তীৰ্ণ | : | বিশাল, বিপুল, বহল। |
| ভাস্কৰ্য্য | : | শিল, ধাতু আদিৰে মূৰ্তি সজা বিদ্যা। |
| সংগীত | : | গীত, বাদ্য আৰু নৃত্যৰ সমলয়ক সংগীত বোলে। |
| সমন্বয় | : | সংযোগ, মিলন। |
| সম্প্ৰীতি | : | প্ৰীতি, পাৰস্পৰিক মিলা-প্ৰীতি। |
| সুউচ্চ | : | অতি ওখ। |
| সুকুমাৰ কলা | : | কবিতা, সংগীত, চিত্ৰবিদ্যা, স্থাপত্য আৰু ভাস্কৰ্য্য— এই পাঁচবিধক সুকুমাৰ কলা বোলে। |
| উপনিষদ | : | বৈদিক সাহিত্যৰ শেহতীয়া ধৰ্মগ্ৰন্থ। গুৰু-শিষ্যৰ কথোপকথনৰ যোগেদি ইয়াত ঈশ্বৰৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াক বেদান্তও বোলা হয়। ই বেদৰ ঘাই ভাগ। এই ভাগত পৰমেশ্বৰৰ বিষয়ে বাদানুবাদ আছে। |
| কবীৰ | : | কবীৰ (১৫ শতিকা) ৰামানন্দৰ শিষ্য। এগৰাকী ধৰ্ম প্ৰচাৰক। কবীৰৰ দোহাবোৰ গভীৰ ভাৱপূৰ্ণ। |
| গীতা | : | ই বেদব্যাস প্ৰণিত এখন হিন্দু ধৰ্মপুথি। ইয়াত শ্ৰীকৃষ্ণই অৰ্জুনক কৰ্ম, যোগ, জ্ঞান, ভক্তি আদিৰ বিষয়ে দিয়া হিত উপদেশ আছে। ই এখন দাৰ্শনিক গ্ৰন্থ। |
| চৈতন্যদেৱ | : | বৈষ্ণৱ ধৰ্ম প্ৰচাৰক। নৱদ্বীপত চৈতন্যদেৱ(১৪৮৬-১৫৩৩)-ৰ জন্ম হৈছিল। |

| | | |
|---|---|---|
| জেৰুজালেম | : | প্ৰাচীন পেলেষ্টাইনৰ অন্তৰ্গত এখন নগৰ। ইয়াত খ্ৰীষ্টধৰ্ম প্ৰৱৰ্তক যীচুৰ জন্ম হৈছিল। |
| নানক | : | নানক (১৪৬০-১৫৩১) শিখধৰ্মৰ প্ৰৱৰ্তক। লাহোৰৰ ওচৰত নানকান গাঁৱত তেওঁৰ জন্ম হৈছিল। তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত ধৰ্মই শিখ ধৰ্ম। |
| বশিষ্ঠ | : | ব্ৰহ্মাৰ মানসপুত্ৰ আৰু মন্ত্ৰদ্ৰষ্টা ঋষি। সূৰ্যবংশৰ ৰজাসকলৰ কুল পুৰোহিত। গুৱাহাটী নগৰৰ দক্ষিণফালে পৰ্বতৰ কাণত থকা এখন তীৰ্থস্থান, ইয়াত বশিষ্ঠই আশ্ৰম কৰি আছিল। |
| বাল্মীকি | : | আদিকাব্য ৰামায়ণ ৰচয়িতা মহৰ্ষি। আদিকবি। তমসা নদীৰ পাৰত বাল্মীকিৰ আশ্ৰম আছিল। |
| বিশ্বামিত্ৰ | : | চন্দ্ৰবংশীয় গাধিৰজাৰ পুত্ৰ, এজনা ঋষি, এওঁ মন্ত্ৰদ্ৰষ্টা আছিল। এওঁ তপস্যাৰ বলেৰে ক্ষত্ৰিয় কুলৰ পৰা ব্ৰাহ্মণত্ব লাভ কৰে। এওঁ ৰাজৰ্ষি হৈছিল। |
| বুদ্ধ | : | বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক। বুদ্ধদেৱৰ আচল নাম সিদ্ধাৰ্থ, গৌতম আৰু শাক্যসিংহ। তেওঁৰ পিতাকৰ নাম শুদ্ধোধন আৰু মাকৰ নাম মায়াদেৱী। বুদ্ধগয়াৰ বোধিবৃক্ষৰ তলত তেওঁ পৰম জ্ঞান লাভ কৰে। তেতিয়াৰ পৰা সিদ্ধাৰ্থৰ নাম হয় বুদ্ধ। বুদ্ধ শব্দৰ অৰ্থ জ্ঞানী। বুদ্ধদেৱে বৌদ্ধধৰ্ম প্ৰৱৰ্তন কৰিছিল। বুদ্ধক বিষ্ণুৰ নৱম অৱতাৰ বুলি ধৰা হয়। |
| বেদ | : | বেদ সনাতন ধৰ্মৰ প্ৰধান গ্ৰন্থ। বেদ চাৰিখন— ঋক, যজু, সাম আৰু অথৰ্ব। |
| ব্যাস | : | মহাভাৰত আৰু অষ্টাদশ পুৰাণ প্ৰণেতা বুলি খ্যাত আৰু বেদ বিভাগ-কৰ্তা এগৰাকী ঋষি। |
| ভাগৱত | : | ওঠৰখন পুৰাণৰ ভিতৰত ভাগৱত পুৰাণ অন্যতম। এই নামেৰে দুখন পুৰাণ আছে- এখন শ্ৰীমদ্ভাগৱত আৰু আনখন দেৱী ভাগৱত। |
| মক্কা | : | আৰব দেশৰ ৰাজধানী আছিল। প্ৰাচীন চহৰ। ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদৰ জন্ম স্থান। |
| মহাবীৰ | : | জৈন ধৰ্মৰ প্ৰৱৰ্তক। তেওঁৰ প্ৰকৃত নাম বৰ্দ্ধমান। উত্তৰ বিহাৰৰ বৈশালী নগৰৰ ওচৰত বৰ্ধমানৰ জন্ম হৈছিল। প্ৰায় ত্ৰিশ বছৰৰ গাৰ্হস্থ্য জীৱন যাপন কৰি থাকোঁতে সংসাৰ ত্যাগ কৰে। অৱশেষত তেওঁ জিন (ৰিপুজয়ী) আৰু নিগ্ৰন্থ (সংসাৰ বন্ধন বিমুক্ত) ৰূপে পৰিচিত হয়। এই সময়তে বৰ্দ্ধমানে মহাবীৰ নাম লাভ কৰে। |

| | | |
|---|---|---|
| ৰামানন্দ | : | এগৰাকী বিখ্যাত ধৰ্ম প্ৰচাৰক আৰু কবি। ৰামানন্দৰ শিষ্য কবীৰ। |
| ৰামানুজ | : | বিখ্যাত দাৰ্শনিক পণ্ডিত। একাদশ শতিকাৰ দাক্ষিণাত্যৰ কোল ৰাজ্যত (বৰ্তমান কৰ্ণাটক ৰাজ্যত) ৰামানুজৰ জন্ম হৈছিল। |
| ৰামায়ণ | : | কবি বাল্মীকিৰ দ্বাৰা সংস্কৃতত ৰচিত আদি মহাকাব্য। ইয়াত ৰামচন্দ্ৰৰ জন্ম আৰু কাৰ্যবিলাক বাল্মীকিয়ে বৰ্ণনা কৰিছে। প্ৰাক বৈষ্ণৱ যুগৰ কবি মাধৱ কন্দলীয়ে সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰে। |
| শক | : | যাযাবৰ জাতি বিশেষ। পোনতে অক্ষুনদীৰ পাৰত এওঁলোকে বাস কৰিছিল। পাছত এই জাতিয়ে যাযাবৰী অভ্যাস এৰি গৃহস্থ বৃত্তি গ্ৰহণ কৰে। এই জাতিটো পাঁচোটা শাখাত বিভক্ত হৈ পৰে। তাৰ ভিতৰত কুশান বংশই শ্ৰেষ্ঠ। কুশান বংশৰ শ্ৰেষ্ঠ ৰজা আছিল কনিষ্ক। |
| শংকৰাচাৰ্য | : | শংকৰাচাৰ্য (৭৮৮-৮২০) জগত প্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত। বৰ্তমান কেৰেলা ৰাজ্যৰ কলাদিত এওঁৰ জন্ম। বেদান্ত দৰ্শন বা অদ্বৈতবাদী দৰ্শনৰ প্ৰচাৰক। গীতা, উপনিষদ, বেদান্তৰ টীকা আৰু 'মোহমুগ্ধ' আদি ৰচনা কৰা বিখ্যাত প্ৰাচীন পণ্ডিত। |
| স্থাপত্য | : | স্থাপন কৰা বিদ্যা অৰ্থাৎ ঘৰ আদি নিৰ্মাণৰ কলা-কৌশল। গৃহনিৰ্মাণ বিদ্যা। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। অতি চমু উত্তৰ দিয়া :

(ক) প্ৰাগৈতিহাসিক যুগত যিসকল ভাৰতীয় লোক পৰ্বতৰ গুহা বা গছৰ ধোন্দত বাস কৰিছিল তেওঁলোকক কি বোলা হৈছিল?

(খ) বুদ্ধদেৱৰ আচল নাম কি?

(গ) মহাভাৰত আৰু অষ্টাদশ পুৰাণ প্ৰণেতা কোন?

(ঘ) কুশান বংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম কি?

(ঙ) জৈন ধৰ্মৰ প্ৰৱৰ্তক কোন?

২। কি কি বিষয়ত ভাৰতবৰ্ষৰ বিচিত্ৰতা লক্ষ্য কৰিব পাৰি পাঠৰ সহায়ত লিখা।

৩। ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থান কি কাৰণে বৈচিত্ৰ্যপূৰ্ণ বুলি কোৱা হৈছে লিখা।

৪। আৰ্যসকল ভাৰতলৈ অহাৰ পাছত পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা ইয়ালৈ অহা মানুহৰ সোঁতৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

৫। ভাৰতৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত থকা খাদ্য প্ৰকৰণৰ বিষয়ে লিখা।

৬। ভাৰতৰ বিভিন্ন ঠাইৰ মানুহৰ সাজ-পাৰৰ বিষয়ে পাঠত উল্লেখ থকাৰ দৰে চমুকৈ বৰ্ণনা কৰা।

৭। আৰ্য্যসকলৰ পাছত ভাৰতবৰ্ষলৈ অহা দুটা বিদেশী জাতিৰ পৰিচয় দিয়া।

৮। "যিবোৰে বিভিন্ন দিশত ভাৰতৰ বৈচিত্ৰ্য আনিছে সেইবোৰেই আকৌ স্থান বিশেষে ঐক্যৰ সেতু নিৰ্মাণ কৰি দিছে।" — এই কথাষাৰৰ মাজেদি কি বুজাবলৈ চেষ্টা কৰা হৈছে চমুকৈ লিখা।

৯। "ঐক্য স্থাপনৰ ক্ষেত্ৰত সুকুমাৰ কলা আৰু সংস্কৃতিৰ বৰঙণিও উলাই কৰিব নোৱাৰি।' — এই কথাষাৰৰ যুক্তিযুক্ততা চমুকৈ বিশ্লেষণ কৰা।

১০। "ভাৰতীয় সংস্কৃতি এক সমন্বয়ৰ বস্তু।" — তাৎপৰ্য ব্যাখ্যা কৰা।

১১। চমু উত্তৰ লিখা ঃ

(ক) কোনবোৰ লোক মংগোলীয় গোষ্ঠীৰ।

(খ) সুকুমাৰ কলা কোনবিলাক?

(গ) কি কি গ্ৰন্থই প্ৰাচীন কালৰেপৰাই ভাৰতবাসীৰ চিন্তাধাৰা আৰু আদৰ্শৰ ক্ষেত্ৰত ঐক্যভাৱ গঢ়াত সহায় কৰিছে?

১২। কি কি পাৰ্থক্য থকা সত্বেও ভাৰতীয় লোকসকলৰ মাজত এটি সামূহিক মিল আছে?

১৩। উত্তৰ ভাৰতৰ তিৰোতাসকলে সাধাৰণতে কেনে ধৰণৰ পোছাক পৰিধান কৰে তাৰ এটি বৰ্ণনা দিয়া।

১৪। চমুটোকা লিখা ঃ

(ক) সুকুমাৰ কলা (খ) সংগীত (গ) কুশান

(ঘ) ব্যাস (ঙ) মক্কা (চ) বশিষ্ঠ।

১৫। "ভাৰতবৰ্ষ এখন অতি সুসভ্য ঐতিহ্যপূৰ্ণ দেশ।"

— কথাষাৰ বহলাই লিখা।

১৬। তোমাৰ দৈনন্দিন খাদ্যসম্ভাৰত বাহিৰৰ কোন কোন মানৱজাতিৰ খাদ্যাভ্যাস পোৱা যায় চমুকৈ লিখা।

**ভাষা বিষয়ক :**

১৭। তলৰ শব্দবোৰৰ সন্ধি ভাঙা :

অনুষ্ঠান; জনাকীৰ্ণ; স্বাধীন; জন্মাষ্টমী

১৮। তলৰ শব্দবোৰৰ প্ৰত্যয় নিৰ্ণয় কৰা :

শাৰীৰিক; সামাজিক; সুকীয়া; ভৌগোলিক; ফুলনি; ভাৰতীয়; ফুলাম; অৱিনাশী; বাল্মীকি।

১৯। প্ৰত্যেকৰে এটা বা দুটাকৈ সমাৰ্থক শব্দ লিখা :

হেতু; পৃথিৱী; গ্ৰন্থ; মাতা।

২০। বিপৰীত শব্দ লিখা।

পাৰ্থক্য; ত্যাগ; বৈচিত্ৰ্য; প্ৰাচীন।

● ● ●

G9S1X7

# পোহৰৰ বাটেৰে আগবঢ়া গাঁওখন

**জ্যোতিপ্ৰসাদ বুঢ়াগোহাঞি**

ৰাজস্থানৰ ৰাজধানী জয়পুৰৰ পৰা ৩৫০ কিলোমিটাৰ আঁতৰত এখন গাঁও। গাঁওখনৰ নাম হৈছে পিপলান্ত্ৰি। গাঁও হ'লেও পিপলান্ত্ৰি এতিয়া কেৱল ভাৰতৰেই নহয়, পৃথিৱীৰ ভিতৰতে এখন বিখ্যাত গাঁও। আমি ভাৰতীয় হিচাপে এই গাঁওখনক লৈ গৌৰৱ কৰোঁ। কিহৰ কাৰণে এই গাঁওখন পৃথিৱীৰ এখন বিখ্যাত গাঁও হিচাপে পৰিগণিত হৈছে, সেয়া জানিলে সকলোৱে নিজৰ গাঁওখনক পিপলান্ত্ৰিৰ দৰে গঢ়ি তুলিবলৈ চেষ্টা কৰিব। ৰাজছমন্দ নামৰ জিলাখনৰ অন্তৰ্গত তথা ৰাজপুত বীৰ মহাৰাণা প্ৰতাপৰ জন্মস্থান উদয়পুৰৰ পৰা সাত কিলোমিটাৰ আঁতৰত অৱস্থিত পিপলান্ত্ৰি গাঁৱে সকলোকে এনে আৰ্হি দেখুৱাবলৈ সক্ষম হৈছে যে মানুহে কৰোঁ বুলিলে সকলো কামেই কৰিব পাৰে। কেৱল হাতে-কামে আৰু পৰিকল্পনাৰে কামবোৰ আগুৱাই নিলেই হ'ল। ধৈৰ্য, একাগ্ৰতা, সাহস আৰু নিয়ম-শৃংখলা মানি চলি সকলোৱে একেলগে হাত আগবঢ়ালে অসম্ভৱ বুলি ভাবি থকা কামো অনায়াসে সম্পন্ন হয়। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে এই গাঁওখনৰ বিষয়ে জানি ইয়াৰ কাম-কাজ আৰু মহান আদৰ্শক সাৱোগত কৰিলে দেশৰ প্ৰতিখন গাঁৱেই সমৃদ্ধিশালী হৈ উঠিব বুলি আশা কৰিব পাৰি।

বৰ্তমান সকলোৱে আদৰ্শ গাঁও হিচাপে পৰিগণিত হোৱা পিপলান্ত্ৰি গাঁওখনে এসময়ত পৰিৱেশ প্ৰদূষণ আৰু খেতি-বাতিৰ বাবে পানীৰ নাটনিত ভুগিছিল। ইয়াৰ ফলত পিপলান্ত্ৰি গাঁৱৰ লোকসকলৰ অৱস্থা অতি দুখ লগা হৈছিল। প্ৰাকৃতিক সম্পদত অতিশয় চহকী হোৱা সত্ত্বেও গাঁওখনৰ মানুহে জীয়াই থাকিবলৈ কঠোৰ সংগ্ৰাম কৰিছিল। মাৰ্বল পাথৰৰ বাবে 'গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ'ত স্থান লাভ কৰা পিপলান্ত্ৰি গাঁৱত ডাঙৰ ডাঙৰ ব্যৱসায়ীসকলে বৃহৎ বৃহৎ মাৰ্বল পাথৰৰ খনি আৰম্ভ কৰে। এই বৃহৎ খনিবোৰৰ ফলত প্ৰকৃতি ধ্বংস হোৱাৰ লগে লগে প্ৰাকৃতিক সম্পদো ব্যৱসায়ীৰ হাতলৈ যায়। মাৰ্বল পাথৰ আহৰণৰ বাবে খনিবোৰত দিনে-নিশাই কাম চলাৰ ফলত পিপলান্ত্ৰি গাঁৱৰ পৰিৱেশ

প্ৰদূষিত হয়। মানুহে অলপমান বিশুদ্ধ বতাহৰ বাবে হাহাকাৰ কৰিবলগীয়া হয়। গছ-গছনিৰ সংখ্যাও দ্ৰুতগতিত কমি অহাৰ ফলত বৰষুণৰ পৰিমাণ কম হয়। বৰষুণৰ পৰিমাণ কম হোৱাত গাঁৱৰ মানুহে খেতি-বাতি কৰিবলৈ পানী বিচাৰি হাহাকাৰ কৰিবলগীয়া হয়। নৈ, জলাশয়, পুখুৰী আদিৰ পানীও প্ৰদূষিত হয়। উপায়হীন হৈ মানুহে সেই পানীকে খোৱাৰ বাবে ব্যৱহাৰ কৰাৰ উপৰিও আন আন কামতো ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। ইয়াৰ ফলত বেমাৰ-আজাৰৰ পৰিমাণো বৃদ্ধি হয়। আনহাতে, গছ-গছনি নোহোৱাৰ ফলত ভূ-গৰ্ভত পানীৰ স্তৰো বহু তললৈ নামি যায়। কৃষিভূমিৰ উৰ্বৰা শক্তিও হ্ৰাস পায়। চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৰ সংখ্যাও হ্ৰাস পায়। দৰিদ্ৰতাই কোঙা কৰা পৰিয়ালবোৰৰ যুৱকসকলে কাম বিচাৰি জয়পুৰ, ভূপাল, ইণ্ডোৰ, হায়দৰাবাদ, দিল্লী, মুম্বাইলৈ যাবলৈ আৰম্ভ কৰে। কিন্তু ধ্বংসৰ দিশে গতি কৰা গাঁওখনে আজি বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এয়া আশ্চৰ্যৰ কথা নহয়নে?

গাঁওখনক পুনৰ জীয়াই তোলাৰ আঁৰত আছে এজন ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম। তেওঁৰ নাম হৈছে শ্যাম সুন্দৰ পালিৱাল। শ্যাম সুন্দৰ পালিৱালে নতুন ৰূপ দিয়া পিপলান্ত্ৰি গাঁওখন চাবলৈ প্ৰতি বছৰে বিভিন্ন প্ৰান্তৰ পৰা মানুহ আহে, চৰকাৰী প্ৰতিনিধি আহে। ইতিমধ্যে ডেনমাৰ্কৰ প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত এই গাঁওখনৰ সফলতা আৰু কাম-কাজৰ বিষয়ে পাঠ অন্তৰ্ভুক্ত কৰা হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ বিষয়ে অধ্যয়ন কৰি নিজৰ দেশৰ প্ৰতি থকা দায়িত্ব পালন কৰিবলৈ প্ৰেৰণা দিয়া হৈছে। ৰাজস্থান চৰকাৰৰ শিক্ষা বিভাগেও সপ্তম আৰু অষ্টম শ্ৰেণীৰ পাঠ্যক্ৰমত এই গাঁওখনৰ বিষয়ে পাঠ অন্তৰ্ভুক্ত কৰিছে আৰু ছাত্ৰ-ছাত্ৰীয়ে গাঁওখনৰ বিষয়ে পঢ়ি তেনে কাম কৰাৰ অনুপ্ৰেৰণা লাভ কৰিছে। আৰ্জেণ্টিনাৰ এটা দলে আহি এই গাঁওখনক লৈ 'Tree Sisters' নামৰ এখন চিনেমা নিৰ্মাণ কৰে। বহুতেই এই গাঁৱক লৈ শতাধিক তথ্যচিত্ৰ কৰিছে। 'পিপলান্ত্ৰি' নামৰ এখন হিন্দী ছবিও নিৰ্মাণ হৈছে।

শ্যাম সুন্দৰ পালিৱালৰ যি সময়ত জন্ম হৈছিল, সেই সময়ত পিপলান্ত্ৰি গাঁৱৰ অৱস্থা আছিল দুখলগা। মাত্ৰ ছবছৰ বয়সতে তেওঁ মাতৃক হেৰুৱাইছিল। তাৰ পিছত জীৱন সংগ্ৰামৰ বাবে তেওঁ গাঁও এৰি যাবলগীয়া হয়। কিন্তু গাঁৱৰ পৰা আঁতৰি যোৱাৰ পিছতো তেওঁৰ মনৰ পৰা গাঁৱৰ দুখ লগা পৰিস্থিতিৰ ছবিখন মচ খোৱা নাছিল। গতিকে তেওঁ এটা সময়ত গাঁৱলৈ ঘূৰি আহে। গাঁৱলৈ ঘূৰি অহাৰ পিছত তেওঁ কঠোৰ সংগ্ৰাম আৰম্ভ কৰে। কিন্তু মাৰ্বলৰ বৃহৎ খনিয়ে সকলো শেষ কৰি আহিছিল। ভূগৰ্ভৰ পানী ৮০০ ফুট তললৈ নামি গৈছিল। ইয়াৰ ফলত গাঁৱৰ ৰাইজে সকলো আশা এৰি দিছিল। কিন্তু ২০০৫ চনত শ্যাম সুন্দৰ পালিৱালে গাঁওখনৰ মুখিয়ালৰ দায়িত্ব লাভ কৰাৰ পিছত সকলো সলনি হয়। এদিনৰ এটা ঘটনাই সকলো সলনি কৰি দিয়ে। সেইদিনা অসুখত ভুগি থকা

তেওঁৰ কন্যা কিৰণৰ মৃত্যু হয়। কন্যাৰ মৃত্যুত ম্ৰিয়মান হৈ পৰা পালিৱালে এয়া নিয়তিৰ ইচ্ছা বুলি ভাবি লৈ কন্যাৰ স্মৃতিত এটা গছপুলি ৰোপণ কৰে। সেইদিনাই তেওঁ গাঁৱত এটা নতুন নিয়ম প্ৰৱৰ্তন কৰিলে। সেইটো হ'ল, গাঁওখনত জন্ম হোৱা প্ৰতিজনী কন্যা সন্তানৰ নামত ৰাইজে ১১১-টা গছপুলি ৰোপণ কৰিব লাগিব আৰু 'কিৰণ নিধি যোজনা'ৰ অধীনত এই কাম আৰম্ভ হয়। ২০০৫-২০১০ চনলৈ গাঁৱৰ মুখিয়াল হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্যাম সুন্দৰ পালিৱালে গ্ৰহণ কৰা এই একক আৰু মহৎ প্ৰচেষ্টাই গোটেই গাঁওখনকে এটা নতুন জীৱন দিলে। তেওঁ গাঁৱৰ প্ৰতিগৰাকী লোকক চাৰিটা দায়িত্ব অৰ্পণ কৰে। সেই চাৰিটা দায়িত্ব হ'ল—কন্যা সন্তানক ল'ৰা সন্তানৰ দৰেই ভালকৈ ডাঙৰ-দীঘল কৰা, পানী সংৰক্ষণ কৰা, গছ-গছনি ৰুই প্ৰতিপালন কৰা আৰু খেতি-বাতি কৰি নিজৰ প্ৰয়োজন পূৰণ কৰা। গাঁৱৰ ৰাইজে এই চাৰিটা দায়িত্ব পালন কৰিবলৈ আৰম্ভ কৰাৰ ফলত গাঁৱৰ চেহেৰাই সলনি হ'বলৈ ধৰিলে। শ্যাম সুন্দৰ পালিৱালে জানিছিল যে প্ৰকৃতিক ৰক্ষা কৰিবলৈ হ'লে কেৱল গছপুলি ৰোপণ কৰিলেই নহ'ব, সেইবোৰ প্ৰতিপালনো কৰিব লাগিব আৰু পানী সংৰক্ষণত গুৰুত্ব দিবই লাগিব। কাৰণ গছে এডোখৰ শুকান ঠাইক পুনৰ সেউজীয়া কৰাৰ লগতে ইয়াক সাৰুৱা কৰি তোলে আৰু ভূগৰ্ভৰ পানীৰ স্তৰ ওপৰলৈ অনাত সহায় কৰে। আনহাতে বৰষুণৰ পানীক সংৰক্ষণ কৰিব পাৰিলে সেইবোৰ পুনৰ ব্যৱহাৰৰ উপযোগী হোৱাৰ উপৰিও ই ভূগৰ্ভত পানীৰ পৰিমাণ বৃদ্ধি কৰাত সহায় কৰে। ইয়াৰ ফলত উক্ত স্থানত খেতি-পথাৰৰো উৰ্বৰা শক্তি বৃদ্ধি হয়।

আমাৰ দেশৰ বিভিন্ন ৰাজ্যত এতিয়াও কন্যা সন্তানৰ প্ৰতি বৈষম্যৰ ভাব পোষণ কৰা হয়। বহুতে কন্যা সন্তানক পেলাই দিবলৈ বিচাৰে বা গৰ্ভতে হত্যা কৰিবলৈ বিচাৰে। ভ্ৰূণ-হত্যা অতিশয় গুৰুতৰ অপৰাধ যদিও বহুতে গোপনে গৰ্ভস্থ সন্তানৰ লিংগ পৰীক্ষা কৰাই ছোৱালী সন্তান বুলি জানিলে গৰ্ভপাত কৰায়। ইয়াৰ ফলত দেশৰ কিছুমান ৰাজ্যত ল'ৰা আৰু ছোৱালীৰ অনুপাতৰ অনাকাংক্ষিতভাৱে তাৰতম্য ঘটিছে। কিন্তু পিপলান্ত্ৰি গাঁৱৰ মুখিয়াল শ্যাম সুন্দৰ পালিৱালে কন্যা সন্তানৰ প্ৰতি গাঁওখনৰ লোকসকলৰ মনোভাৱ সলনি কৰে। তেওঁৰ আহ্বানত গাঁৱত ছোৱালী সন্তান জন্ম হোৱাৰ লগে লগে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ছোৱালী জন্ম হ'লে দুখ কৰাৰ সলনি আনন্দ-উল্লাস কৰা হয় আৰু সেই ছোৱালীজনীৰ নামত ১১১-টা গছপুলি ৰোপণ কৰা হয়। তেওঁ নিয়ম কৰি দিছিল—গাঁৱৰ কোনো লোকে কন্যা ভ্ৰূণ হত্যা কৰিব নোৱাৰিব। দ্বিতীয়তে, ছোৱালীজনীক যেনেদৰে আলফুলে তুলি-তালি ডাঙৰ কৰা হ'ব, সেই একেই মৰম-চেনেহ আৰু যত্নৰে ১১১-টা গছপুলিকো প্ৰতিপালন কৰিব লাগিব। তৃতীয়তে, কোনো ছোৱালীকে শিক্ষাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। চতুৰ্থতে, কোনো পৰিস্থিতিতে ছোৱালীৰ বাল্যবিবাহ সম্পন্ন কৰিব নোৱাৰিব। পঞ্চমতে, ছোৱালীৰ নামত বেংকত থোৱা ৩১,০০০ টকা ছোৱালীৰ পঢ়া বা বিয়াৰ কামতহে খৰচ কৰিব পাৰিব। শেষত, ছোৱালীৰ জন্মৰ সময়ত ৰোৱা গছপুলিবোৰ গাঁৱৰ সম্পত্তি হ'ব। এখন ষ্টাম্প পেপাৰত এই নিয়মৰ চুক্তিত স্বাক্ষৰ কৰি প্ৰতিশ্ৰুতি দিবলগীয়া হয় গাঁৱৰ ৰাইজে।

পিপলান্ত্রি গাঁৱত এতিয়া ৮০০০-ৰো অধিক লোক আছে। প্ৰতি বছৰে গাঁৱত এশৰো অধিক সন্তান জন্ম হয় আৰু ইয়াৰ আধাই হৈছে কন্যা সন্তান। যেতিয়া কন্যা সন্তান এটি জন্ম হয়, তেতিয়া গাঁৱৰ ৰাইজে ২১,০০০ টকা তোলে আৰু সন্তানৰ পিতৃ-মাতৃৰ পৰা ১০,০০০ টকা লোৱা হয়। মুঠ ৩১,০০০ টকা উক্ত কন্যা সন্তানটিৰ নামত বেংকত 'ফিক্সড ডিপ'জিট' কৰি ৰখা হয়। এই ধনখিনি পিতৃ-মাতৃয়ে কোনো কাৰণতে আগতীয়াকৈ বেংকৰ পৰা উলিয়াব নোৱাৰিব। পঢ়া-শুনা কৰি ছোৱালীয়ে যেতিয়া বিয়াৰ উপযুক্ত বয়সত উপনীত হ'ব, তেতিয়াহে এই ধন বেংকৰ পৰা উলিয়াব পাৰিব। ফিক্সড ডিপ'জিট হিচাপে ৰখা সেই ধনখিনি তেতিয়া লাখৰো অধিক হ'বগৈ। ছোৱালীৰ বাহিৰে সেই ধনখিনি যাতে বেলেগত খৰচ কৰা নহয়, তাৰো নিয়ম কৰা হৈছে। আনহাতে, ছোৱালীজনীৰ জন্মৰ সময়ত ৰোৱা গছপুলিটোও এজোপা পূৰ্ণাংগ গছলৈ ৰূপান্তৰিত হয় আৰু ১১১-জোপা গছৰ মূল্যও ১ কোটি ১১ লাখ টকা হয়। কাৰণ এই গছবোৰ অতি মূল্যৱান প্ৰজাতিৰ। কিন্তু গছে দিয়া অক্সিজেন তাতোকৈও অধিক মূল্যৱান। গতিকে প্ৰতিটো গছপুলিক এজোপা পূৰ্ণাংগ গছলৈ ৰূপান্তৰিত কৰাৰ দায়িত্ব গাঁৱৰ প্ৰতিজন লোকেই পালন কৰি আহিছে। ৰাখী-বন্ধনৰ দিনা গাঁৱৰ ছোৱালী আৰু মহিলাসকলে গছত ৰছী বান্ধে আৰু ইয়াৰ দ্বাৰা গছ আৰু মানুহৰ মাজৰ সম্পৰ্ক আৰু অধিক গভীৰ হৈ পৰে। ২০০৫ চনৰ পৰা যেতিয়া পিপলান্ত্রি গাঁৱৰ মানুহে কন্যা সন্তান জন্ম হ'লে ১১১ -টা মূল্যৱান প্ৰজাতিৰ গছপুলি ৰোপণ কৰা কাম আৰম্ভ কৰিলে, তেতিয়াৰে পৰাই গাঁৱৰ সুদিন আৰম্ভ হ'ল। লাহে লাহে গাঁওখন সেউজীয়া হ'বলৈ আৰম্ভ কৰে। গছ-গছনিৰ সংখ্যা বৃদ্ধি পোৱাত পুনৰ চৰাই-চিৰিকটি, জীৱ-জন্তুৰ আগমন ঘটিল। প্ৰদূষিত বতাহৰ সলনি মুক্ত আৰু বিশুদ্ধ বায়ু বলিবলৈ ল'লে। অধিক গৰমৰ প্ৰকোপ কমিল আৰু সময় মতে বৰষুণ আহিবলৈ লোৱাত ভূ-গৰ্ভৰ পানীৰ স্তৰ ওপৰলৈ উঠিল। পুখুৰী-জলাশয়ত পানী ভৰি পৰিল। খেতি-বাতিৰ বাবেও পৰ্যাপ্ত পৰিমাণৰ পানী লাভ কৰিবলৈ সক্ষম হ'ল গাঁৱৰ ৰাইজে। লাহে লাহে গাঁৱলৈ সুখ-সমৃদ্ধি ঘূৰি আহিল।

এতিয়া পিপলান্ত্রি গাঁৱত থকা বিভিন্ন প্ৰজাতিৰ চৰাই চাবলৈকে প্ৰতিবছৰে বিভিন্ন ঠাইৰ পৰা মানুহ আহে। কাষত চলি থকা প্ৰকৃতি ধ্বংসকাৰী অবৈধ খনিবোৰ বন্ধ কৰি দিয়ে চৰকাৰে। পিপলান্ত্রি গাঁৱক চাবলৈ বিদেশৰ পৰাও যেতিয়া মানুহ আহিবলৈ ধৰিলে, বিশেষকৈ গৱেষকৰ দল, তথ্য-চিত্ৰ নিৰ্মাণকাৰী দল, চিনেমা নিৰ্মাণকাৰী দল আহিবলৈ আৰম্ভ কৰিলে, তেতিয়া ৰাজস্থান চৰকাৰে গাঁওখনৰ ৰাস্তাবোৰ পকী কৰি দিলে।

চৰকাৰৰ তৰফৰ পৰা বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰি দিয়াৰ লগতে গাঁও পঞ্চায়তৰ কাৰ্যালয় স্থাপন কৰি দিয়ে, অংগনবাড়ী কাৰ্যালয়, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰি দিয়াৰ লগতে বিভিন্ন চৰকাৰী আঁচনিবোৰৰ সুবিধাও কৰি দিয়ে। গাঁৱৰ ৰাইজৰ যি যি সমস্যা আছে, সেইবোৰ লৈ তেওঁলোক চৰকাৰৰ

ওচৰলৈ যোৱা নাই, চৰকাৰৰ লোকে নিজেই আহি যি যি সমস্যা আছে, সেইবোৰৰ বুজ লৈ সমাধান কৰি দিছে। ৰাজস্থান চৰকাৰৰ প্ৰতিখন জনকল্যাণসমূলক আঁচনিৰ সফল ৰূপায়ণ হৈছে পিপলান্ত্ৰি গাঁৱত।

খ্ৰীষ্টীয় ২০০৭ চনত তেতিয়াৰ ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামে পিপলান্ত্ৰি গাঁৱলৈ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ আগবঢ়ায়। চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণ কৰা বাবেই পিপলান্ত্ৰি গাঁৱে ৰাজস্থান চৰকাৰৰ পৰা বিভিন্ন পুৰস্কাৰ লাভ কৰিছে। ভাৰত চৰকাৰে ২০১৫ চনত আৰম্ভ কৰা 'স্বচ্ছ ভাৰত অভিযান'ৰ বহু আগেয়েই পিপলান্ত্ৰি গাঁৱত সম্পূৰ্ণ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ কাম চলিছিল। মুকলি স্থানত কোনোৱে শৌচ-প্ৰস্ৰাৱ নকৰে। বাহিৰৰ পৰা অহা লোকে গাঁওখনৰ কোনো ঠাই লেতেৰা কৰিব নোৱাৰে। দেশৰ এনে এখন বাতৰি কাকত নাই, সংবাদ মাধ্যম নাই, যিয়ে পিপলান্ত্ৰি গাঁৱৰ বিষয়ে লিখা নাই বা প্ৰচাৰ কৰা নাই। ইউটিউব, ফেচবুক, টুইটাৰ আদি সামাজিক মাধ্যমতো পিপালান্ত্ৰি গাঁৱৰ বিষয়ে যথেষ্ট তথ্য প্ৰকাশ পাইছে। গাঁওখনৰ বিধৱা, শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকেও গছক ৰক্ষণাবেক্ষণ কৰাৰ কামত নিজকে নিয়োজিত ৰাখিছে। বৰ্তমান গাঁওখনৰ কোনোবা লোক ঢুকালে তেওঁৰ স্মৃতিতো ১১-টা গছপুলি ৰোপণ কৰা হয়। ইউনিয়ন বেংক অব ইণ্ডিয়াই গাঁওখনৰ তিনিশ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে ৬০ লাখ টকা আগবঢ়ায়।

আমাৰ বহুতেই প্ৰায়ে অভিযোগ আনে যে চৰকাৰ-প্ৰশাসন আদিয়ে আমাক একো নিদিয়ে। খেতি কৰিবলৈ পানীৰ অভাৱ। কিন্তু আমি কেৱল অভিযোগ কৰি হাত সাবটি থাকিলেই হ'বনে? আমাৰ চকুৰ আগতেই একাংশ লোকে বাৰটা মাহত তেৰটা খেতি কৰে। ফলত তেওঁলোকে নিজে খোৱাৰ উপৰিও উৎপাদিত সামগ্ৰী বিক্ৰী কৰি ধন আৰ্জে। অথচ আমাৰ সৰহভাগ লোকেই চৰকাৰ বা প্ৰশাসনৰ মুখলৈ চাই, কাম-বন নকৰি আৰামত জীৱন কটাব বিচাৰে। পানী নাই বুলি কোৱাতকৈ বৰষুণৰ পানী সংৰক্ষণ কৰি তাক পুনৰ ব্যৱহাৰৰ বাবে প্ৰচেষ্টা ল'লে বা গছপুলি ৰোপণ কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিলে সময় মতে বৰষুণ হোৱাৰ লগতে মাটিৰ উৰ্বৰা শক্তিও বৃদ্ধি পায়। লগতে বৰ্তমান হোৱা পৰিৱেশ প্ৰদূষণো ৰোধ হয়। গতিকে, শ্যাম সুন্দৰ পালিৱাল আৰু পিপলান্ত্ৰি গাঁৱৰ লোকে দেশৰ প্ৰতিগৰাকী নাগৰিকলৈ আহ্বান জনাইছে যে গছপুলি ৰোপণ কৰক, প্ৰতিপালন কৰক, কাম-কাজ কৰক, তেতিয়া নিজে বাস কৰা স্থানেই হৈ পৰিব স্বৰ্গসদৃশ। এতিয়া ৰাজস্থানৰ আন আন ঠাইতো পিপলান্ত্ৰি গাঁৱৰ আৰ্হি গ্ৰহণ কৰা হৈছে। আমাৰ ৰাজ্যতো যদি এই গাঁওখনৰ আৰ্হি গ্ৰহণ কৰা হয়, তেতিয়া প্ৰকৃতি ৰক্ষণাবেক্ষণৰ লগতে প্ৰতিখন গাঁৱেই সমৃদ্ধিশালী হৈ উঠিব।

**লেখক-পৰিচয় ঃ**

জন্ম ধেমাজি জিলাৰ মাছখোৰা মৌজাৰ বৰবাম গোহাঁই গাঁৱত। ধেমাজি মহাবিদ্যালয়ৰ পৰা সমাজশাস্ত্ৰ বিভাগত সুখ্যাতিৰে ডিগ্ৰী গ্ৰহণ কৰাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজশাস্ত্ৰত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। দুবছৰ ধেমাজিৰ মৰিঢল মহাবিদ্যালয়ত অধ্যাপনা (চুক্তিভিত্তিত) কৰাৰ পিছত বৰ্তমান অসমৰ আগশাৰীৰ দৈনিক বাতৰি কাকত 'আমাৰ অসম'ৰ জ্যেষ্ঠ উপ-সম্পাদক হিচাপে কৰ্মৰত। ইতিমধ্যে বাতৰি কাকতত বিভিন্ন ধৰণৰ লেখা প্ৰকাশ পাইছে।

**পাঠবোধ ঃ**

'পিপলান্ত্ৰি গাঁও' পাঠটিৰ জৰিয়তে মানুহৰ মানসিক দৃঢ়তা, সুনিৰ্দিষ্ট পৰিকল্পনা, উদ্যম, আগ্ৰহ আদিৰ দ্বাৰা কেনেকৈ অসম্ভৱ বুলি ভবা কাম এটাও সম্ভৱ কৰি তুলিব পাৰি তাৰ আভাস দিয়া হৈছে। যৌথ প্ৰচেষ্টাৰে সমাজ তথা নিজৰ নিজৰ অঞ্চলৰ সৰ্বাংগীন বিকাশৰ বাবে আমি সকলোৰে আগবাঢ়ি অহা উচিত। কন্যা সন্তানৰ প্ৰতি দেখুওৱা অবহেলাৰ বিপৰীতে ল'ৰা আৰু ছোৱালী সকলো সন্তানেই পিতৃ-মাতৃৰ বাবে সমান হ'ব লাগে। সমাজৰ প্ৰতি আমি সকলোৰে সমানে দায়বদ্ধ।

**শব্দাৰ্থ আৰু টোকা ঃ**

অক্লান্ত : ভাগৰ নলগাকৈ থকা; ক্লান্ত নোহোৱা।
অনায়াসে : সহজে।
আৰ্হি : যাক চাই আন বস্তু বা কাৰ্য সম্পাদন কৰা হয়; চানেকি।
আলফুল : অতি কোমল; ঢিলা; আলসুৱা।
উৰ্বৰা : সাৰুৱা বা সাৰ থকা; শস্য বেছিকৈ হোৱা (মাটি)।
কোঙা : বাঢ়িব, লৰচৰ কৰিব বা উদ্‌গতি কৰিব নোৱৰা।
জলাশয় : নৈ, বিল, পুখুৰী, হ্ৰদ আদি পানী থকা ঠাই; জলাধাৰ।
তথ্যচিত্ৰ : ৰেডিঅ', টেলিভিছন আদিত প্ৰচাৰৰ কাৰণে দিয়া কোনো বিষয়ৰ বিস্তৃত বৰ্ণনা থকা আলেখ্য।
প্ৰতিশ্ৰুতি : অংগীকাৰ।
ভূ-গৰ্ভ : পৃথিৱীৰ ভিতৰভাগ।
ভ্ৰূণ : গৰ্ভত থকা সন্তান।
মচ্ : কোনো বস্তু মোহাৰি গুচা।
ৰক্ষণা-বেক্ষণ : মনোযোগেৰে ৰক্ষা কৰা কাৰ্য।
সাৰোগত কৰা : অতি মূল্যৱান ৰূপে গ্ৰাহ্য কৰা।
হ্ৰাস : কমি যোৱা অৱস্থা।

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক ঃ**

১। চমুকৈ উত্তৰ লিখা ঃ

(ক) ৰাজপুত বীৰ মহাৰাণা প্ৰতাপৰ জন্ম ক'ত হৈছিল?

(খ) পিপলান্ত্ৰি গাঁওখন ক'ত অৱস্থিত?

(গ) কিহৰ বাবে পিপলান্ত্ৰি গাঁওখনে 'গ্ৰীনিজ ৱৰ্ল্ড ৰেকৰ্ড'ছত স্থান পাইছিল?

(ঘ) পৃথিৱীৰ কোনখন দেশৰ পাঠ্যক্ৰমত পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী অন্তৰ্ভুক্ত হৈছে?

(ঙ) 'Tree Sisters' নামৰ চিনেমানখন কোনে নিৰ্মাণ কৰিছিল?

(চ) কিৰণ কোন আছিল?

(ছ) ৰাখী-বন্ধনৰ দিনা পিপলান্ত্ৰি গাঁৱৰ ছোৱালী আৰু মহিলাসকলে কি কৰে?

(জ) 'কিৰণ নিধি যোজনা'ৰ আঁৰৰ মানুহজন কোন?

(ঝ) কোনো এজন মানুহৰ মৃত্যুত পিপলান্ত্ৰি গাঁৱৰ মানুহে কি কৰে?

২। পিপলান্ত্ৰি গাঁৱৰ পৰিৱেশ কিয় দূষিত হৈছিল?

৩। শ্যাম সুন্দৰ পালিৱাল কোন? পিপলান্ত্ৰি গাঁওখন পৃথিৱীবিখ্যাত হোৱাত তেওঁৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

৪। 'কিৰণ নিধি যোজনা' কি? এই যোজনাৰ অধীনত পিপলান্ত্ৰি গাঁৱৰ মানুহে কি কি বিশেষ চাৰিটা দায়িত্ব পালন কৰিব লাগে?

৫। কন্যা সন্তান সুৰক্ষাৰ বাবে শ্যাম সুন্দৰ পালিৱালে কেনেধৰণৰ আঁচনি হৈছিল?

৬। পিপলান্ত্ৰি গাঁৱত প্ৰকৃতি আৰু মানুহৰ মাজত কেনেদৰে আত্মিক সম্পৰ্ক গঢ় লৈ উঠিছিল পাঠৰ সহায়ত লিখা।

৭। পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী কোনে কেনেকৈ প্ৰচাৰ কৰিছে?

৮। পিপলান্ত্ৰি গাঁওখন কিয় এখন আদৰ্শ গাঁও বুলি তুমি ভাবা? পাঠটোৰ শিক্ষণীয় দিশ কোনবিলাক?

৯। বহলাই, বুজাই লিখা ঃ

(ক) বাৰটা মাহত তেৰটা খেতি।

(খ) স্বচ্ছ ভাৰত অভিযান।

(গ) সামাজিক মাধ্যম।

**ভাষা-বিষয়ক ঃ**

১০।বাক্য ৰচনা কৰা ঃ

হাতে কামে; নিয়ম-শৃংখলা; দিনে-নিশাই; খেতি-বাতি; আনন্দ-উল্লাস; ডাঙৰ-দীঘল; সুখ-সমৃদ্ধি।

১১।কিয় মূৰ্দ্ধন্য 'ণ' হৈছে লিখা ঃ

বৰযুণ; পৰিমাণ; ৰূপায়ণ।

১২।তলৰ শব্দবোৰৰ প্ৰতিটোৰে একোটাকৈ সমাৰ্থক শব্দ লিখা ঃ

মুক্ত; বায়ু; বৃহৎ; পানী; গছ; চকু; গাঁও।

১৩।তলৰ উপসৰ্গকেইটাৰে একোটিকৈ শব্দ গঠন কৰা ঃ

প্ৰতি; অধি; উপ; অৱ; দুৰ্।

# যুঁজ

**ড° মৃণাল কলিতা**

একেটা ঘটনাৰ পুনৰাবৃত্তি হ'ল। এদিন দুদিনকৈ আজি কেবাদিনো। আজি প্ৰশান্তৰ বেগৰ পৰা টকা চুৰি হ'ল। প্ৰশান্তই অভিযোগ দিয়াৰ লগে লগে সিহঁতৰ শ্ৰেণী শিক্ষক মহেন্দ্ৰ মাষ্টৰ খঙত অগ্নিশৰ্মা হৈ পৰিল। হ'বই। মাথোঁ দুদিনমান আগতে তেওঁ সকলোকে সাৱধান কৰি দিছিল। খঙত তেওঁ গৰ্জি উঠিল।

'তহঁতক কৈছিলোঁ যে স্কুললৈ সৰহকৈ টকা নানিবি। দৰ্কাৰ নাথাকিলে নানিবিয়েই।'

'ছাৰ, দুখন বহী কিনিব লগা আছিল।' — প্ৰশান্তই কৈফিয়ৎ দিবলৈ চেষ্টা কৰিলে। তাৰ কথালৈ ভ্ৰূক্ষেপ নকৰি তেওঁ কৈ গ'ল।

'তহঁতক আৰু কৈছিলোঁ যে চোৰ যদি ধৰা পৰে, এইখন স্কুলৰ পৰা খেদা খাব লাগিব। এইখন স্কুলত চোৰৰ বাবে ঠাই নাই।'

এইবাৰ তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ ফালে আগবাঢ়িল আৰু এফালৰ পৰা সকলোৰে জেপ আৰু বেগবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে। সিদ্ধাৰ্থৰ বেগটো খুলি মহেন্দ্ৰ মাষ্টৰে তাৰ মুখলৈ তীক্ষ্ণ দৃষ্টিৰে চাই ৰ'ল। বেগত দুখন পঞ্চাশ টকীয়া আৰু সৰু কেইখনমান নোট। প্ৰশান্তৰো দুখন পঞ্চাশ টকীয়া নোট হেৰাইছে।

'মোৰ নিজৰ, মায়ে দিছে।'

'ফাকি মাৰিবলৈ আহিছ?'— মহেন্দ্ৰ মাষ্টৰ গৰ্জি উঠিল।

'পৃথিৱীত পঞ্চাশটকীয়া নোট কি মাত্ৰ দুখনেই?'— মহেন্দ্ৰ মাষ্টৰৰ চকুৰ ফালে চাই সিদ্ধাৰ্থ প্ৰায় চিঞঁৰি উঠিল। খঙত সি কঁপিবলৈ ধৰিছে।

সকলো হতভম্ব হৈ গ'ল। সিহঁতৰ শ্ৰেণীত শিক্ষকক আজিলৈ কোনেও এনেধৰণে ব্যৱহাৰ

কৰি পোৱা নাই। মহেন্দ্ৰ মাষ্টৰৰ দৰে কঢ়া শিক্ষকৰ চকুৰ ফালে চাই এনেধৰণে কথা কোৱাৰটো প্ৰশ্নই নুঠে। গোটেই শ্ৰেণীকোঠা কাঁহ পৰি জীণ যোৱাৰ দৰে হ'ল। মাষ্টৰে কোনোমতে নিজকে চম্ভালি লৈ শান্ত কিন্তু দৃঢ়ভাবে ক'লে—

'ঠিক আছে। কিন্তু যিদিনাই প্ৰমাণসহ ধৰা পৰ সিদিনাই এইখন স্কুলত তোৰ শেষ দিন জানিবি।'

(২)

ইচ্ছা কৰিয়েই নিৰ্মল অলপ পলমকৈ স্কুলৰ গে'টৰ বাহিৰ ওলাল। কিবা এটা কৌতূহল আৰু সন্দেহৰ বশবৰ্তী হৈ সি পাণদোকানখনলৈ আগবাঢ়িল। অনুমান কৰামতেই সি দূৰৰ পৰাই সিদ্ধাৰ্থক পাণদোকানখনত দেখা পালে। নিৰ্মলে তাক এই দোকানখনত প্ৰায়েই দেখা পায়। দুই-এদিন দোকানৰ আঁৰত লুকাই সিদ্ধাৰ্থক চিগাৰেট টানি থকাও সি দেখা পাইছে। প্ৰথমতে দেখি সি হতভম্ব হৈ গৈছিল। সিহঁতৰ দৰে ইমান সৰু ল'ৰাক নিৰ্মলে চিগাৰেট খোৱা আগতে দেখা নাই।

এই দোকানীজনক নিৰ্মলৰ কিবা ভাল নালাগে। দোকানলৈ যোৱা ল'ৰা-ছোৱালীবোৰক তেওঁ খুব মন দি নিৰীক্ষণ কৰে যেন লাগে তাৰ। নিৰ্মলকো দোকানীজনে কেইবাদিনো লক্ষ্য কৰাৰ পিছত এদিন তাৰ ঘৰৰ কথা সুধিছিল। তাৰ মাক-বাপেক, ভনীয়েকৰ বিষয়ে সোধা কথাবোৰত সি অকণো আন্তৰিকতা বিচাৰি পোৱা নাছিল। বৰং আনৰ ঘৰৰ কথা জনাৰ অতিৰিক্ত আগ্ৰহে নিৰ্মলৰ চকুত মানুহজনক এক ৰহস্যময় চৰিত্ৰ কৰি তুলিছিল। পৰাপক্ষত সি এই দোকানখনলৈ নাযায় আজিকালি। এই দোকানীজনৰ লগত সিদ্ধাৰ্থৰনো কি ইমান কথা পাতিব লগা থাকে। সেই কথা নিৰ্মলে কোনোদিনে সোধা নাই। হয়তো সিদ্ধাৰ্থৰ বেপৰোৱা স্বভাৱৰ বাবেই আনসকলৰ দৰে নিৰ্মলেও তাক এৰাই চলিবলৈ আৰম্ভ কৰিছিল।

কিন্তু সিদ্ধাৰ্থ আগতে এনেকুৱা নাছিল। সি সিহঁতৰ লগত হাঁহিছিল, খেলিছিল। আজি কেইমাহমানৰ পৰা সি গহীন, খিংখিঙীয়া আৰু বেপৰোৱা হৈ পৰিছে, বন্ধুসকলৰ পৰা আঁতৰি শ্ৰেণীত পিছফালে বহিবলৈ লৈছে, শিক্ষকে কৰিবলৈ দিয়া ঘৰৰ কাম প্ৰায়েই নকৰে, আনকি মাজে মাজে স্কুলো খতি কৰিবলৈ লৈছে। নিৰ্মলে সিদ্ধাৰ্থৰ মাক-দেউতাকৰ বিষয়ে কিছুমান কথা ইকাণ-সিকাণকৈ শুনিবলৈ পাইছিল। ভাবিছিল তাৰ এই পৰিবৰ্তনো চাগে সেইবোৰ কাৰণতে হৈছে। হয়তো সেই কথা সঁচাও। কিন্তু এই ৰহস্যময় দোকানখনত তাৰ সঘন উপস্থিতিয়ে যেন নিৰ্মলক এক দুৰ্বোধ্য সাঁথৰৰ মাজলৈ টানি লৈ গ'ল। এই সাঁথৰৰ সমাধান, এই ৰহস্যৰ উদ্‌ঘাটন কৰিব লাগিব। এটা ৰহস্যৰ পকনীয়াত আপোন বন্ধু এজনক হেৰাই যাবলৈ দিব নোৱাৰি। অকলে পঢ়াত ভাল হোৱাত, আচল সুখ নাথাকে। নিৰ্মল দোকানখনৰ ফালে আগবাঢ়ি গ'ল।

(৩)

‘কি লাগে?’— দোকানীজনৰ কণ্ঠস্বৰত ফুটি উঠা বিৰক্তিৰ সুৰটো নিৰ্মলৰ চিনিবলৈ টান নহ’ল।

‘সিদ্ধাৰ্থক লাগে।’ — নিৰ্মলেও বেপৰোৱাভাৱে উত্তৰ দিলে। এইবাৰ সি সিদ্ধাৰ্থৰ ফালে চাই প্ৰায় কৰ্তৃত্বৰ সুৰত ক’লে—

‘তোৰ লগত মোৰ কথা আছে।’

হয়তো দায়িত্ববোধে কৰ্তৃত্বও প্ৰদান কৰে। সেই কৰ্তৃত্বৰ পৰা উৎসাৰিত নিৰ্দেশত যেন সিদ্ধাৰ্থৰ দৰে গুৰু গোসাঁই নমনা ল’ৰাজনো দুৰ্বল হৈ পৰিল। নিৰ্মলৰ পিছে পিছে সি খোজ ল’লে। দোকানখনৰ পৰা কিছু দূৰত নিৰ্মল ৰ’ল। কোনো পাতনি নেমেলাকৈ নিৰ্মলে তাক পোনপটীয়াকৈ প্ৰশ্ন কৰিলে।

‘প্ৰশান্তৰ পৰা টকা কিয় চুৰ কৰিলি?’

‘তহঁত সকলোৱে মোকেই কিয় সন্দেহ কৰ?’ সিদ্ধাৰ্থই নিজেও বুজি পালে তাৰ কথাত জোৰ কমি গৈছে, আত্মবিশ্বাসৰ চিনো তাত নাই। তথাপি সি শেষ চেষ্টা এটা কৰি চালে—

‘মই চুৰ কৰা নাই।’

‘মোৰ চকুৰ ফালে চাই ক।’—নিৰ্মলৰ কথাৰ সুৰত নিজে নজনাকৈয়ে যেন হঠাতে কোমলতা এসোপা মিহলি হৈ গ’ল।

‘তোৰ চকুৰ ফালে চাব নোৱাৰিব লগা কি আছে।’— তলমূৰকৈ সিদ্ধাৰ্থই ক’লে।

কেইটিমান মুহূৰ্ত অস্বস্তিকৰ নীৰৱতাৰে পাৰ হৈ গ’ল। নিৰ্মলে দেখিলে মহেন্দ্ৰ মাষ্টৰৰ চকুত চকু থৈ ভেকাহি মাৰি উঠা উদণ্ড বেপৰোৱা ল’ৰাজন যেন তাৰ সন্মুখত নিষ্প্ৰভ হৈ পৰিছে।

‘তোৰ কি হৈছে, মোক ক’বি?’

নাই, সিদ্ধাৰ্থই একো কোৱা নাই। সি একো ক’ব খোজা নাই। সি একো ক’ব নোৱাৰে। কি হ’ল জানো—নিৰ্মলে কিবা বুজি পোৱাৰ আগতেই সিদ্ধাৰ্থই চকুৰ আগেৰে পাৰ হৈ যাব ধৰা চিটি বাছ এখনৰ পিছে পিছে দৌৰিবলৈ আৰম্ভ কৰিলে। কোনোবা এপাকত সি জাঁপ মাৰি পাওদানিত ওলমি দিলে কোনোমতে। সি শুনিবলৈ পালে নিৰ্মলৰ কণ্ঠস্বৰ।

‘তোৰ কি হৈছে মোক ক’বই লাগিব সিদ্ধাৰ্থ!’

(৪)

সিদ্ধাৰ্থ প্ৰায় এসপ্তাহ বিদ্যালয়লৈ যোৱা নাই। যাবলৈ তাৰ সাহস হোৱা নাই। নিৰ্মলৰ কথাষাৰ তাৰ যন্ত্ৰণাদগ্ধ বুকুৰ মাজত বাজি শান্তিৰ সংগীত হৈ ৰৈছে।

‘তোৰ কি হৈছে মোক ক’বই লাগিব সিদ্ধাৰ্থ!’

এইযাৰ কথা ক'ব পৰা মানুহবোৰেই সিদ্ধাৰ্থৰ জীৱনৰ পৰা বহু দূৰলৈ গুচি গ'ল। নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে। কাৰ ওপৰত এই অভিমান সিদ্ধাৰ্থই যেন নিজেও বুজি নাপায়।

মহেন্দ্ৰ মাষ্টৰৰ কৰ্কশ কঠোৰ বাক্যবাণৰ মুখামুখি হোৱা যেন সহজ—তাৰ দৰে বেপৰোৱা উদণ্ড ল'ৰা এজনৰ বাবে চকুত চকু থৈ সেই আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াও সহজ; কিন্তু নিৰ্মলৰ দৰে ল'ৰাৰ মুখামুখি হোৱা সহজ নহয়। তাৰ দৰে ল'ৰাৰ কথাৰ উত্তৰ দিব নোৱাৰি অস্বস্তিকৰ মৌনতাৰ মাজত মাথোঁ ছটফটাইহে ৰ'ব পাৰি।

নিৰ্মলৰ মুখামুখি হ'বলৈ সিদ্ধাৰ্থক অলপ মানসিক প্ৰস্তুতিৰ দৰকাৰ।

নিৰ্মলৰ সৈতে মুখামুখি হোৱাৰ ভয় নে নিৰ্মলৰ কথাবোৰে অনা প্ৰৱল প্ৰতিৰোধ সিদ্ধাৰ্থই বুজি নাপায়। সি এসপ্তাহ পাণ দোকানখনলৈ যাব পৰা নাই। হয়তো সেইবাবেই পুৰণি বিষাদৰ পোৰণিবোৰ বাঢ়িছে, অস্থিৰতাও বাঢ়িছে; কিবা এক অনিশ্চয়তা আৰু ভীতিৰ ভাবে প্ৰবল ৰূপ লৈ তাক যেন গ্ৰাস কৰিবলৈ খেদি আহিছে বাৰে বাৰে। সিদ্ধাৰ্থই মন কৰিলে তাৰ হাত-ভৰিৰ কঁপনিবোৰ বাঢ়িছে।

পাণদোকানীজন, নিৰ্মল আৰু যিবোৰ মানুহ তাৰ আপোন আছিল, আপোন হৈ থাকিব লাগিছিল। সেইসকলৰ ভিন্নমুখী টনা-আজোৰা আৰু স্মৃতিৰ অসহনীয় ভৰত বিছনাত ছটফটাই থাকে সি। অকলশৰে। ঘৰটোৰ মৃত্যুশীতল নিৰ্জনতাত ডুবি থাকে সি। তাৰ বুকুৰ মাজত সঞ্চিত কেইটামান শব্দই যেন চৌচিৰা কৰি পেলায় তাৰ নিজৰ নিঃসংগ নিৰ্জন জগতখন—

'তোৰ কি হৈছে, মোক ক'বই লাগিব সিদ্ধাৰ্থ।'

(৫)

শ্ৰেণীকোঠাত সোমায়েই মহেন্দ্ৰ মাষ্টৰে ছাত্ৰ-ছাত্ৰীসকলৰ মুখবোৰত চকু ফুৰালে। তাৰ পিছত যেন এটা সন্তুষ্টিৰ হাঁহি মাৰি তেওঁ ক'লে—'এই বজ্জাতটো আজিও স্কুললৈ অহা নাই। চোৰ ধৰা পৰি এতিয়া লাজতে আহিব নোৱৰা হৈছে।'

নিৰ্মলৰ মনটো যেন সেমেকি গ'ল। কিবা এটা ক'বলৈ ওলায়ো সি ৰৈ গ'ল। মানুহে দেখা ঘৃণনীয় সত্যৰ আঁৰতো হয়তো কেতিয়াবা লুকাই থাকে আন কিছুমান কৰুণ সত্য। সেইবোৰকে সি বিচাৰি ফুৰিছে। সেইবোৰ সি বিচাৰি উলিয়াবই।

(৬)

কোঠাটোৰ ভিতৰত আন্ধাৰে জুম বান্ধিছে। বিছনাৰ পৰা উঠি গৈ লাইটটো জ্বলাবলৈ সিদ্ধাৰ্থৰ মন যোৱা নাই। মাক সম্ভৱতঃ এতিয়াও ঘৰ পোৱাহি নাই। আজি অতদিনে সি স্কুললৈ যোৱা নাই, তাকে লৈ মাকৰ কোনো উদ্বিগ্নতা নাই। মাথোঁ এদিনেই সুধিছিল—'স্কুললৈ নাযাব?' সি গা বেয়া বুলি কৈ সামৰি থৈছিল। তাৰ উত্তৰত মাক ইমান সহজেই আশ্বস্ত হৈছিল যে তাৰ পিছত আৰু এদিনো তাক একো নুসুধিলে। নাই, নাই, তাৰ অভিমান হোৱা নাই। যিবোৰ আঘাত আৰু দুখ প্ৰাত্যহিক হৈ পৰে, সেইবোৰে হয়তো মানুহক অভিমানী কৰিব পৰাৰ ক্ষমতাও হেৰুৱাই পেলায়।

দেউতাকে সিহঁতক এৰি যোৱাৰ দুবছৰেই হ'ল কিজানি। বুজা হোৱা বয়সৰ পৰাই সি দেখিছিল তাৰ মাক-বাপেকৰ মাজৰ দুৰ্বাদল কাজিয়া। প্ৰচণ্ড চিঞৰ-বাখৰ, উফৰি অহা তীক্ষ্ণ গালি-গালাজৰ শ্বাসৰুদ্ধকৰ সময়খিনিত সি নিৰ্বাক হৈ চাই ৰৈছিল মাক-বাপেকৰ প্ৰস্তৰ কঠিন মুখ দুখন। মাক নে বাপেক কাৰ পক্ষ ল'ব সি—সেই নিদাৰুণ প্ৰশ্নৰ আঘাতত অবিৰত ৰক্তক্ষৰণ হৈছিল তাৰ কোমল বুকুৰ ভিতৰখনত। উজাগৰ ৰাতিবোৰত তাৰ চকুৰ পানীবোৰ চকুতে শুকাইছিল—সেইবোৰ মচি দিব পৰাকৈ তাৰ মাকৰ হাতদুখনৰ কোমলতাখিনি যেন ক'ৰবাত হেৰাই গৈছিল। বাপেকৰো।

আৰু এদিন বাপেকে সিহঁতক এই ঘৰটোত এৰি থৈ ক'ৰবালৈ গুচি গৈছিল।

মাক-বাপেকৰ মাজত কি এনে এক প্ৰচণ্ড, অমোঘ, অমীমাংসিত প্ৰশ্ন আহি পৰিছিল, যি প্ৰশ্নই তেওঁলোকৰ নিজৰ সন্তানকো দুখ-যন্ত্ৰণাৰ অতল আৰু পাৰাপাৰহীন সাগৰত নিক্ষেপ কৰাৰ পৰা বাৰণ কৰিব পৰা নাছিল?

আহিছিল। সপ্তাহ-পষেকৰ মূৰে মূৰে দেউতাকে তাক স্কুল ছুটীৰ পিছত আহি লগ ধৰিছিল। দেউতাকে তালৈ বিধে বিধে চ'কলেট লৈ আহিছিল। ঘৰলৈ আহি যেতিয়া সি চ'কলেটত কামোৰ দিছিল, চ'কলেটৰ স্বাদ তাৰ জিভাত লগাৰ আগতেই দুচকু ভৰি পৰিছিল পানীৰে; অবাধ্য চকুপানীবোৰ সৰসৰকৈ সৰি পৰিছিল।

মাক-বাপেকৰ কি সেই অমীমাংসিত প্ৰশ্ন, যি আছিল তাৰ চকুপানীবোৰতকৈও গধুৰ।

খুব সোনকালেই বাপেকে অনা চ'কলেটৰ সাঁচি ৰখা কাগজবোৰেৰে ভৰি পৰিছিল সিদ্ধাৰ্থৰ এটা ডাঙৰ পেঞ্চিল বক্স। তাতকৈও সোনকালে ভৰি পৰিছিল তাৰ বুকুখন—অসহনীয় শূন্যতাৰে। হাঁহিব নোৱাৰি, খেলিব নোৱাৰি, শুব নোৱাৰি—ইমানেই তীব্ৰ সেই শূন্যতাৰ ভাৰ, দুখৰ দাহন।

আৰু এদিন সি দেউতাকক কৈছিল—'তুমি আৰু মোক লগ ধৰিবলৈ নাহিবা।'

দেউতাকৰ মুখলৈ সি চোৱা নাছিল, তাৰ ভয় হৈছিল—দেউতাকৰ চকুৰ কোণত জমিবলৈ

ধৰা চকুপানীবোৰে তাকো আমনি কৰে বুলি।

'কিন্তু কিয়?'

দেউতাকৰ প্ৰশ্নৰ উত্তৰ সি দিয়া নাছিল। দেউতাককো সি কোনোদিনে সোধা নাছিল—কিয় এৰি গৈছিল তাক!

(৭)

কথাবোৰ ক'ৰ পৰা ক'ত পালেগৈ সেইবোৰত সিদ্ধাৰ্থৰ যেন নিয়ন্ত্ৰণ নাছিল। ব'ঠা নাইকিয়া নাও এখনত যেন সি উটি-ভঁাহি ফুৰিছিল। নৈৰ সোঁত আৰু ধুমুহাই নাওখন য'লৈকে নিয়ে সেয়াই যেন হৈ পৰিছিল তাৰ গন্তব্য।

আছে, সকলো মনত আছে তাৰ।

ঘৰত তাৰ ভাল নলগা হৈ আহিছিল। স্কুল ছুটীৰ পিছত অনাই-বনাই ঘূৰি ফুৰি পলমকৈ ঘৰ চাপিছিল। মাকৰ তাৰ প্ৰতি মনোযোগ কমি গৈছিল। কেতিয়াবা মাকে কিবা প্ৰশ্ন কৰিলেও সি হৈ পৰিছিল বেপৰোৱাভাবে আক্ৰমণাত্মক। হয়তো মাকৰ বিৰুদ্ধেও আছিল তাৰ তীব্ৰ আক্ৰোশ। পাবলগীয়া মৰমবোৰ হেৰুৱাই এখন ভাগি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্ৰোহী অথচ কৰুণ চৰিত্ৰ।

সকলো অৱলম্বন হেৰুৱাই সি বিচাৰিছিল এটা অৱলম্বন, নিৰাশ্ৰয় হৈ বিচাৰিছিল কাৰোবাৰ সামান্য স্নেহৰ ছায়া, ডুবন্ত মানুহৰ দৰে দুহাত মেলি সি বিচাৰি ফুৰিছিল সামান্য এডাল খেৰকুটা।

তেনে সময়তে সিদ্ধাৰ্থই লগ পাইছিল এই পাণদোকানীজনক। তেওঁৰ সৈতে কথা পাতি পাৰ কৰিছিল সি বহু সময়। দোকানীজনৰ সামান্য স্নেহস্পৰ্শত উথলি উঠিছিল তাৰ বুকুখন। বুকু উজাৰ কৰি সি কৈ গৈছিল তাৰ দুখৰ কাহিনী।

আৰু এদিন দোকানীজনে তাৰ হাতত তুলি দিছিল এটা চিগাৰেট। প্ৰথমতে সি খাব খোজা নাছিল। মানুহজনে তাক প্ৰলুব্ধ কৰিছিল—'খাই চোৱাচোন, দেখিবা তোমাৰ দুখ বহুত কমি গৈছে, মনটো বহুত ভাল লাগি গৈছে।'

কম্পিত আঙুলিৰ ফাকত চিগাৰেটডাল লৈ সি মনৰ মাজত বিচাৰি ফুৰিছিল এনে এখন মুখৰ ছবি যিখন দেখিলে সি অনায়াসে পেলাই দিব পাৰে সেই চিগাৰেটডাল।

সি বিচাৰি পোৱা নাছিল।

চিগাৰেটডাল শেষ হোৱাৰ অলপ সময় পিছতে সি অনুভৱ কৰিছিল তাৰ দেহৰ ভিতৰেদি বাগৰি ফুৰিছে এটা উল্লাসৰ ঢৌ—সেই ঢৌবোৰে উটুৱাই লৈ গৈছে তাৰ দুখৰ ভাৰ! কোনোদিনে অনুভৱ নকৰা এটা প্ৰশান্তিৰ ভাবত আচ্ছন্ন হৈ পৰিছিল তাৰ দেহ-মন।

বহুদিন পিছত সেইদিনা ৰাতি তাৰ দীঘলীয়া আৰু গভীৰ টোপনি হৈছিল। পিছদিনা ৰাতিপুৱা সাৰ পাই উঠাৰ কেইঘণ্টামান পিছত সি ভীষণভাবে অস্থিৰ হৈ উঠিছিল। পুৰণি দুখ-যন্ত্ৰণাবোৰে এইবাৰ যেন আগতকৈও বেছি তীব্ৰভাবে যাতনা দিবলৈ আৰম্ভ কৰিছিল। দ্বিতীয় এটা চিগাৰেটৰ বাবে সি পাগলৰ দৰে হৈ পৰিছিল আৰু উপস্থিত হৈছিলগৈ পাণদোকানৰ সন্মুখত। দোকানীজনে তাৰ ফালে চাই মিচিকিয়াই হাঁহিছিল। হাঁহিটো তাৰ ভাল লগা নাছিল; কিন্তু সেই হাঁহিটোক ঘৃণা কৰিবলৈ সাহস দিবলৈ তাৰ কান্ধত নাছিল স্নেহময় হাতৰ স্পৰ্শ।

খুব সোনকালেই সিদ্ধাৰ্থই বুজি পাইছিল ছিগাৰেটবোৰত ধপাতৰ লগত মিহলি হৈ আছে নিষিদ্ধ ড্ৰাগছ। ইতিমধ্যে সি নিচাসক্ত হৈ পৰিছিল। এদিন দোকানীজনে তাক কৈছিল—

'এইবোৰৰ বহুত দাম। অনাৰো ৰিস্ক আছে, পুলিচৰ ঝামেলা আছে। এতিয়াৰে পৰা পইচা দিবা, বস্তু ল'বা।'

এদিন মাকে গা ধুবলৈ বাথৰুমত সোমাওঁতে সি চুৰ কৰিছিল মাকে খুলি থোৱা খাৰুযোৰ। যি সময়ত সি সোণৰ খাৰুযোৰ পাণদোকানীজনৰ হাতত তুলি দিছিল, সেই সময়তে পুলিচে সিহঁতৰ ঘৰৰ কাম কৰা ছোৱালীজনীক বান্ধি নি লকআপত ভৰাইছিল।

অন্তৰ্দ্বন্দ্ব হৈছিল তাৰ। ভাল-বেয়া, ভুল-শুদ্ধ, কাম কৰা ছোৱালীজনীৰ কৰুণ মুখখন আৰু নিচাৰ প্ৰতি তীব্ৰ আসক্তি—এই সকলোবোৰৰ টনা-আজোৰাৰ মাজেৰে এটা বিনিদ্ৰ ৰাতি পাৰ কৰি এসময়ত সি অনুভৱ কৰিছিল—তাৰ ভিতৰৰ মানুহটোৰ ইতিমধ্যে মৃত্যু হৈছে।

আজি-কালি সেইবোৰ সি একো নাভাবে। মাকে দিয়া হাত খৰচ, মাকে অসাৱধানতাৰে অ'ত ত'ত ৰখা টকাবোৰ সকলোবোৰ সি তুলি দিয়ে দোকানীজনৰ হাতত। মাজে মাজে সি খুচৰিব লগা হৈছে সহপাঠীসকলৰ বেগবোৰ।

আন্ধাৰৰ মাজত খেপিয়াই গাৰুৰ কাষতে ৰখা পেঞ্চিল বক্সটো হাতত তুলি ল'লে সি। এইটো পেঞ্চিল বক্সতে এসময়ত সি বৰ হেঁপাহেৰে দেউতাকে দিয়া চকলেটৰ কাগজবোৰ সাঁচি ৰাখিছিল। বক্সটো খুলি ভিতৰখন চুই চালে সি—ছিগাৰেট, গুড়ি টেবলেট সকলোবোৰ প্ৰায় শেষ হৈ গ'ল। বহুদিন সি পাণদোকানখনলৈ যোৱা নাই। স্কুললৈ সদ্যহতে যোৱাৰ কথা ভাবিব পৰা নাই। কাইলৈ পাণদোকানখনলৈ এবাৰ—

'তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ।'

আন্ধাৰৰ বুকুৰ তলিৰ পৰা হঠাৎ যেন ওপৰলৈ উঠি আহিব খোজে নিৰ্মলৰ মাতযাৰ।

সিদ্ধাৰ্থই বিছনাত শোৱাৰ পৰাই দেখিলে আন্ধাৰ কোঠাটোৰ ভিতৰত এটা কণমানি জোনাকী পৰুৱা। হয়তো সিদ্ধাৰ্থই নজনাকৈয়ে খোলা আছিল কোনোবা এখন খিৰিকি। হয়তো সেইফালেদিয়েই জোনাকী পৰুৱাটো সোমাই যেনি-তেনি উৰি অ'ত-ত'ত পোহৰাই ডাঠ আন্ধাৰৰ মাজত গঢ়িব লাগিছে এটা-দুটাকৈ পোহৰৰ অজস্ৰ বিন্দু!

(৮)

সিদ্ধাৰ্থৰ ঘৰটো কোনেও চিনি নাপায়। আজিলৈ কোনেও তাৰ ঘৰলৈ যোৱা নাই। যাবলৈ বিচাৰিলে সিদ্ধাৰ্থই নিব নোখোজে। বাধ্য হৈ নিৰ্মলে স্কুল ছুটীৰ পিছত পাণদোকানখনলৈ বাট পোনালে। নিৰ্মলক দেখিয়েই দোকানীজনৰ মুখৰ ৰং সলনি হৈ গ'ল। দোকানখনৰ সন্মুখত বাইকত বহি থকা ল'ৰা দুজনেও যেন তাক সন্দেহৰ দৃষ্টিৰে চাবলৈ ধৰিলে।

'সিদ্ধাৰ্থ আহিছিল নেকি?'—অস্বস্তিৰ মাজেৰেই নিৰ্মলে দোকানীজনক সুধিলে।

'নাই অহা। আজি কেবাদিনো অহা নাই।'—চেপি ৰখাৰ পিছতো দোকানীজনৰ মুখৰ শব্দবোৰ ক্ষোভ মিহলি হৈ ওলাল। নিৰ্মলে তাৰ পৰা আহিবলৈ লওঁতে দোকানীজনে তাক আকৌ ক'লে—

'শুন। কাম নাথাকিলে ইয়ালৈ আহি বিৰক্ত নকৰিবি।'—কথাষাৰ সতৰ্কবাণীৰ দৰেই শুনা গ'ল।

নিৰ্মল গুচি আহিল। খোজ কাঢ়ি স্কুলৰ গে'ট পাৰ হোৱাৰ পিছতে আচম্বিতে ঘটি গ'ল ঘটনাটো। নিৰ্মলৰ গাৰ কাষ পাওঁতেই বাইক এখনৰ গতি কমিল আৰু বাইকৰ পিছফালে বহি অহা ল'ৰাজনে প্ৰচণ্ড জোৰেৰে তাৰ মুখৰ ফালে লক্ষ্য কৰি ঘোচা এটা মাৰি দিলে। নিৰ্মলে কিবা এটা কৰাৰ আগতেই গতি বঢ়াই বাইকখন মুহূৰ্ততে আঁতৰি গৈ সন্মুখৰ কেঁকুৰিটোত অদৃশ্য হৈ গ'ল। নিৰ্মলৰ নাক ভাগি তেজৰ সোঁত এটা বৈ আহিল। প্ৰচণ্ড যন্ত্ৰণাত পথৰ দাঁতিত মুখ ঢাকি নিৰ্মল বহি পৰিল।

ৰাস্তাৰ সিপাৰৰ পৰা চিটিবাছৰ পৰা নামিয়েই ঘটনাটো দেখিলে সিদ্ধাৰ্থই। দৌৰি সি নিৰ্মলৰ ওচৰ পালে।

'কোনে মাৰিলে তোক?'

'পাণদোকানখনলৈ গৈছিলোঁ। তাৰ পৰা আহোঁতেই—হয়তো দোকানখনৰ সন্মুখত বাইকত বহি থকা ল'ৰা দুজনে—সেই দোকানীজন ভাল নহয় বুজিছ' —একে উশাহতে কৈ উঠে নিৰ্মলে।

'কিয় গৈছিলি দোকানখনলৈ?'—প্ৰচণ্ড খঙত যেন কঁপি উঠিছে সিদ্ধাৰ্থ।

'তোক বিচাৰি।'

'নাযাবি তালৈ। কেতিয়াও।'

'তই যাৱ বাবেহে যাব লগা হ'ল।'

সিদ্ধাৰ্থ নিৰুত্তৰ হৈ ৰ'ল। ক'বৰ বাবে কেইটামান শব্দ বিচাৰি সি যেন হায়ৰাণ হ'ল। তীব্ৰ যন্ত্ৰণাৰ মাজেৰে উচ্চাৰিত কেইটামান শব্দ সিদ্ধাৰ্থৰ কাণত পৰিল—

'তই মোক বিচাৰি আহিছিলিনে পাণ দোকানখনলৈহে আহিছিলি?'

সিদ্ধাৰ্থই দেখিলে মুখৰ পৰা হাত দুখন আঁতৰাই নিৰ্মলে উত্তৰৰ আশাৰে তাৰ মুখলৈ চাই ৰৈছে। তাৰ নাকটো ফুলি প্ৰকাণ্ড হৈ উঠিছে। নাকেৰে তেজ তেতিয়াও বৈ আছে।

'তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ।'—সেহাই সেহাই নিৰ্মলে আকৌ ক'লে।

সিদ্ধাৰ্থই মন কৰিলে—তেজেৰে ৰাঙলী হৈ পৰিছে নিৰ্মলৰ দুহাত, যন্ত্ৰণাত কঁপি আছে ল'ৰাটো।

(৯)

আজি বহুদিনৰ মূৰত সিদ্ধাৰ্থ পঢ়া মেজত বহিছে। কিন্তু পঢ়াত সি একেবাৰে মন বহুৱাব পৰা নাই। মাথোঁ খালী হৈ যোৱা পেঞ্চিল বক্সটো লিৰিকি বিদাৰি খোলা খিৰিকিখনেৰে বাহিৰলৈ চাই ৰৈছে। সেই ঠাইখিনি পিতনি, বোকাৰে ভৰা। সোনকালেই হয়তো তাত গজি উঠিব এটা ফ্লেট। পিতনিৰ কচুৰনিৰ ওপৰেদি হাজাৰ-বিজাৰ জোনাকী পৰুৱা উৰিছে—জ্বলিছে—নুমাইছে। এনেকুৱা সৰু সৰু দৃশ্যবোৰ কিমান দিন যে মন দি চোৱা নাই সি। শূন্য পেঞ্চিল বক্সটোলৈ এবাৰ চালে সি—লগে লগেই তাৰ নিৰ্মলৰ কথা মনত পৰিল! কি দৰ্কাৰ তাৰ তাক বিচাৰি পাণদোকানখনলৈ যোৱাৰ? কি দৰ্কাৰ তাৰ কথাবোৰ জনাৰ? কি লাভ হ'ব তাৰ? সিদ্ধাৰ্থৰ চকুৰ সন্মুখত নিৰ্মলৰ ৰক্তাক্ত মুখখনৰ ছবি ভাঁহি উঠিল। লাভ-লোকচানৰ হিচাব-নিকাচৰ বাহিৰৰ পৃথিৱী এখনো আছে নেকি এইখন পৃথিৱীত?

সেইখন পৃথিৱীকে বিচাৰি এবাৰ নিৰ্মলৰ ওচৰলৈ যাবলৈ বৰ মন গৈছে তাৰ।

(১০)

বিলম্বিত লয়ত চহৰখনলৈ গধূলি নামিছে। সন্মুখত নৈখন লৈ ছাঁ-পোহৰৰ মাজত বহি আছে সিদ্ধাৰ্থ আৰু নিৰ্মল। ধীৰ, শান্ত গতিত নৈখন বৈ গৈছে।

কিবা অচিন চৰাই এটাই চোঁ মাৰি যেন ঠোঁটেৰে নৈৰ পানীখিনি চোওঁ নোচোওঁ কৰি আকৌ

ওপৰলৈ উঠি উৰি গুচি গৈছে। নাই—সিদ্ধাৰ্থৰ বাবে এইবোৰ এখন অচিনাকি জগত। আনকি বুৰ যাবলৈ ধৰা হেঙুলীয়া ৰঙৰ বেলিটোও তাৰ বৰ চিনাকি নহয়। শান্ত মৃদু স্বৰেৰে সিদ্ধাৰ্থই ক'লে—

'হয়তো জীৱনটোৱে মোক প্ৰবঞ্চনা কৰিলে।'

নিৰ্মলে ক'ব খোজা কথাৰ সোঁতত বাধা দিবলৈ চেষ্টা নকৰিলে। কওক, সিদ্ধাৰ্থই বুকু উজাৰ কৰি কথাবোৰ কওক। তাৰ বুকুখন জুৰ পৰক! অলপ ৰৈ সিদ্ধাৰ্থই আকৌ ক'লে—'সাধুকথা শুনি খুব ভাল পাইছিলোঁ জান! পিছে সাধু ক'বলৈহে কোনো নাছিল।'

শৈশৱৰ যি সময়ছোৱাত নিৰ্মলহঁতে মাক বা দেউতাকৰ পৰা পক্ষীৰাজ ঘোঁৰাত উঠি মেঘৰ মাজত ঘূৰি ফুৰা কোনোবা ৰাজকোঁৱৰৰ সাধু শুনিছিল, সেই ৰাতিবোৰ সিদ্ধাৰ্থই মাক-দেউতাকৰ কাজিয়াৰ মাজত উজাগৰে পাৰ কৰিছিল।

নিৰ্মলে বুজি পালে বাহিৰত বেপৰোৱা আপাত কঠিন সিদ্ধাৰ্থৰো এটা স্পৰ্শকাতৰ ধুনীয়া মন আছিল, হয়তো আছে এতিয়াও ক'ৰবাত—নিৰালম্বন, নিৰাশ্ৰয় হৈ পৰা সেই মনটো থাউনি নোপোৱা দুখত হয়তো ককবকাই আছে বহু বছৰ জুৰি।

অতদিনে জোৰকৈ বান্ধি ৰখা কথাৰ প্ৰবল সোঁত এটাহে যেন মুকলি হৈ গ'ল হঠাতে। সিদ্ধাৰ্থই কৈ গ'ল সকলো কথা—তাৰ দুখ, যন্ত্ৰণা, একাকীত্ব আৰু চকুপানীৰ সমস্ত দস্তাবেজ। নিজকে মুকলি কৰি দিবলৈ নিৰ্মলৰ ৰূপত সি যেন অপ্ৰত্যাশিত অৱলম্বন এটা পাই গ'ল। সিদ্ধাৰ্থই কৈ গ'ল তাৰ মাক-দেউতাকৰ বিচ্ছেদৰ পৰা সি ড্ৰাগছ আসক্ত হোৱালৈ সকলো, অকপটে—স্পৰ্শকাতৰ আবেগেৰে জীপাল ল'ৰা এজন নিষিদ্ধ, অপৰাধসুলভ আন্ধাৰ জগত এখনলৈ ক্ৰমশঃ সোমাই যোৱাৰ দুখৰ এটা দীঘল কাহিনী। এসময়ত সিদ্ধাৰ্থই তাৰ কাহিনী সামৰি ক'লে—

'বেলি বুৰিল। আন্ধাৰ হ'ল।'

সিপাৰৰ ঘৰবোৰত এটা-দুটাকৈ লাইটবোৰ জ্বলিছিল।

বেলি বুৰে। আন্ধাৰো হয়। তথাপি এই আশা, এই প্ৰতিশ্ৰুতি সদায়েই জাগৰূক হৈ থাকে যে কাইলৈ বেলিটো ৰঙা হৈ আকৌ ওলাব। বেলি বুৰে, আন্ধাৰ হয়—সেয়াই শেষ সত্য নহয়। একে সময়তে আন ক'ৰবাত বেলি ওলায়, তাত পোহৰ হয়—সেয়াও সত্য। নিৰ্মলে মনে মনে ভাবিলে।

নিৰ্মলে দেখিলে—সিদ্ধাৰ্থই আন্ধাৰৰ মাজত ৰহস্যময় হৈ পৰা নৈখনলৈ চাই আছে একেথিৰে। হয়তো আন্ধাৰ সদায়েই ৰহস্যময়। নিৰ্মলে ক'বলৈ আৰম্ভ কৰিলে—'সমস্যা এটাৰ পৰা পলাই নিচাসক্ত হৈ তই একো ভাল কাম কৰা নাই। বৰং নতুন সমস্যা এটা বঢ়াই ল'লি।'

অলপ ৰৈ নিৰ্মলে সিদ্ধাৰ্থক ক'লে—'তই এইবোৰ এৰিব লাগিব সিদ্ধাৰ্থ।'

হয়তো কথাষাৰ অনুৰোধ, মৰম, শাসন সকলোবোৰ মিহলি হৈ ওলাল। অলপ চিন্তা কৰি সিদ্ধাৰ্থই হতাশাত ভাগি পৰা মাতেৰে নিৰ্মলক অসহায়ভাবে কৈ উঠে—'বৰ সহজ নহয় অ'। আজি মই ড্ৰাগছ লোৱা নাই। চা চোন—মোৰ হাত ভৰিবোৰ কেনেদৰে কঁপিবলৈ ধৰিছে।

নিৰ্মলে দেখিলে—সঁচাকৈয়ে সিদ্ধাৰ্থৰ হাত-ভৰিবোৰ ঠাণ্ডাত কঁপাৰ দৰে কঁপিছে। আনকি তাৰ জিভাৰ শব্দবোৰো যেন ক'ৰবাত লাগি ধৰিব খোজে।

'সহজ নহয়, জানো। হয়তো তোৰ ড্ৰাগছৰ ওপৰত নিৰ্ভৰতা বাঢ়ি গৈছে। কিতাপ-আলোচনীত মই অলপ পঢ়িছিলোঁ, জান। ড্ৰাগছৰ এই ভুল পথে মানুহক অকাল মৃত্যু আৰু অপৰাধ জগতলৈ সোনকালে টানি লৈ যায়।'

'জানো, হয়তো ময়ো সেই পথত।'—হুমুনিয়াহ এৰি সিদ্ধাৰ্থই ক'লে। আতংকৰ সলনি তাৰ মুখত যেন হতাশাৰ গভীৰ ছায়া।

'ৰ—ইমান সহজে ভাগি পৰিলে কেনেকৈ হ'ব?'—নিৰ্মলে সিদ্ধাৰ্থক ধমক দি ক'লে। পথ এটা বিচাৰি সি—'মই অকলে নোৱাৰিম। হয়তো তোক ডাক্তৰৰ সহায় লাগিব। কথাবোৰ মই কাৰোবাক ক'ব লাগিব।'

সিদ্ধাৰ্থ যেন আতংকিত হৈ উঠিল—'ওহো ন'কবি—কাকো নকবি।'

'ৰ—ভয় কৰিলে নহ'ব। মহেন্দ্ৰ ছাৰক নকওঁ। ক'লেই তোক স্কুলৰ পৰা খেদি দিব। সেইটো সমাধান হ'ব নোৱাৰে। কথাবোৰ অনুভৱ ছাৰক ক'ম। তেওঁ বুজি পায়, বুজি পাব। তেওঁ বাট এটা বিচাৰি উলিয়াব—মই জানো।'

সিদ্ধাৰ্থই এইবাৰ কোনো প্ৰতিবাদ নকৰিলে। বহুদিনৰ পিছত কাৰোবাৰ আশ্ৰয়ত অকমান জিৰাবলৈ মন গৈছে তাৰ।

'আচল কথা কি জান? মনটো! তই কৈছিলি জীৱনটোৱে তোক প্ৰবঞ্চনা কৰিলে। জীৱনটোক ভাল পালে জীৱনটোৱে কেতিয়াও প্ৰবঞ্চনা নকৰে। এই নদী, পাহাৰ, মূৰৰ ওপৰৰ আকাশ, জোনটো, তৰাবোৰ মন গ'লেই ভাল পাব পাৰি, আপোন কৰি ল'ব পাৰি। এইবোৰ ভাল পোৱা মানুহ কেতিয়াও নিঃস্ব নহয়, শূন্য নহয়। আচলতে মন গ'লেই সুখী হ'ব পাৰি জান। প্ৰকৃতিৰ জগতখন যেনেদৰে আছে, তেনেদৰে আছে গানৰ জগত, কিতাপৰ জগত। গান গাব নোৱাৰিব পাৰোঁ, গল্প, উপন্যাস লিখিব নোৱাৰিব পাৰোঁ—কিন্তু মন গ'লেই ধুনীয়া ধুনীয়া গানবোৰ শুনিব পাৰোঁ, ধুনীয়া ধুনীয়া কবিতাবোৰ পঢ়িব পাৰোঁ!'

কথাবোৰ নিৰ্মলে নিজকেই কৈছে নে তাকেই কৈছে সিদ্ধাৰ্থই যেন বুজিব নোৱাৰিলে। সিদ্ধাৰ্থই

অনুভৱ কৰিলে—তাৰ এই লগৰীয়াজন যেন সিহঁততকৈ বহুত ডাঙৰ, চকুৰ আগত থাকিও যেন তেনেই অচিনাকি।

'সকলো মানুহৰেই জীৱনবোৰ একো একোখন যুঁজ। সেই যুঁজখনতেই হয়তো জীৱনৰ আমেজ—হয়তো যুঁজখনেই জীৱনটো! নিয়মৰ মাজেৰেই জীৱনৰ যুঁজখন যুঁজি যাব লাগিব। নিয়মৰ বাহিৰ হৈ খেলিলে নিজেই বজাব লাগিব ৰেফাৰীৰ হুইছেলটোও।'

ৰহস্যময় নৈখনৰ ফালে চাই নিৰ্মলে কৈ গ'ল—

'অহা সপ্তাহত মই বাহিৰলৈ যাম—বহুত দিনৰ বাবে। মোৰ দেহত এটা জটিল ৰোগ বুজিছ। ময়ো যুঁজিছোঁ। সবেই যুঁজে—মাথোঁ সকলোৰে যুঁজবোৰ বেলেগ বেলেগ।

নিৰ্মলৰ জটিল ৰোগৰ আকস্মিক খবৰৰ প্ৰচণ্ড আঘাতত যেন নিৰ্বাক, নিস্পন্দ হৈ পৰিল সিদ্ধাৰ্থ। কি ক'ব ভাবি পোৱাৰ আগতেই নিৰ্মলৰ কোমল শব্দবোৰ আন্ধাৰ উজাই তাৰ কাণলৈ আহিল—

'বাধা দিবলৈ, বুজাবলৈ, সাহস দিবলৈ মই নাথাকিলেও তই সেই পাণদোকানখনলৈ নাযাবি।'

সিদ্ধাৰ্থৰ বুকুখন যেন মোচৰ খাই উঠিলে। সিদ্ধাৰ্থই অনুভৱ কৰিলে এই অনুৰোধৰ উত্তৰ সি দিবই লাগিব। নিৰ্মলৰ হাত এখনত খামুচি সেপ ঢুকি সিদ্ধাৰ্থই ক'লে—

'মই নিশ্চয় চেষ্টা কৰিম নিৰ্মল। চকুৰ সন্মুখত নাথাকিলেও মোৰ বুকুৰ ভিতৰৰ পৰাই তই মোক বাধা দি থাকিবি—মই জানো।'

কোমল হাঁহি এটা বিয়পি পৰিল নিৰ্মলৰ মুখমণ্ডলত। মহেন্দ্ৰ মাষ্টৰক চকু পাতি ধৰি ভেকাহি মাৰি উঠা ল'ৰাজনেও এনেকৈ কথা ক'ব পাৰেনে? অলপ আগতে সিদ্ধাৰ্থই নিৰ্মলক কৈছিল—তাৰ ভিতৰৰ মানুহজন কেতিয়াবাই মৰি গ'ল। ওঁহো ভিতৰৰ মানুহজন কেতিয়াও মৰি নাযায়। হয়তো কেতিয়াবা শুই পৰে। হয়তো শুই পৰা ভিতৰৰ মানুহজনক মাজে মাজে কোনোবাই জগাই দিব লাগে।

সিদ্ধাৰ্থই খামুচি ধৰি থকা নিৰ্মলৰ হাতখন জোকাৰ খাই উঠিছে—নিচাসক্তিৰ কঁপনিৰ বাবে নহয়। হয়তো সিদ্ধাৰ্থই কান্দিছে—হয়তো তাৰ দুচকু ভৰি পৰিছে পানীৰে—ঘন আন্ধাৰত তাৰ উমান পাব নোৱাৰি।

আন্ধাৰত যদি নীৰৱে সৰি পৰিছে এটোপাল দুটোপাল চকুপানী—ক্ষতি কি?

**লেখক-পৰিচয় ঃ**

জন্ম কামৰূপ (গ্ৰাম্য) জিলাৰ বামুন্দীত। গল্পকাৰ ঔপন্যাসিক আৰু নিবন্ধকাৰ হিচাপে কলিতাই অসমীয়া সাহিত্যত এক সুকীয়া স্থান অধিকাৰ কৰিছে। ছাত্ৰাৱস্থাৰে পৰা সাহিত্যচৰ্চা কৰি অহা কলিতা মূলতঃ গল্পকাৰ হিচাপে অধিক পৰিচিত। তেওঁৰ গল্পৰ বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু কলা-কৌশলে পঢ়ুৱৈক মুগ্ধ কৰে। সহজ-সৰল ভাষাৰ মাজেৰে পঢ়ুৱৈয়ে তেওঁৰ গল্পত এখন সজীৱ পৃথিৱী বিচাৰি পায়।

গল্পৰ দৰে উপন্যাসতো কলিতাই সমাজ জীৱনৰ নানা ছবি আৰু ব্যক্তি জীৱনৰ নানা দ্বন্দ্ব অংকন কৰিছে। 'বকুল ফুলৰ দৰে' নামৰ উপন্যাসখনৰ জৰিয়তে তেওঁ অসমীয়া সাহিত্যলৈ মূল্যৱান বৰঙণি যোগাইছে। এতিয়ালৈকে প্ৰকাশিত কলিতাৰ গ্ৰন্থসমূহ হৈছে—'অনুশীলন' (গল্প), 'অযান্ত্ৰিক অনুশীলন' (গল্প), 'মৃত্যুৰ সিপাৰে' (গল্প), 'গডফাদাৰৰ হাত আৰু চয়তানৰ মগজু' (ভিন্নধৰ্মী ৰচনা সংকলন), 'গণিতৰ বৰ্ণিল জগত' (গণিত বিষয়ক ৰচনাৰ পুথি) আৰু 'বকুল ফুলৰ দৰে' (উপন্যাস)।

ড° মৃণাল কলিতা সম্প্ৰতি পাণ্ডু মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ৰূপে কৰ্মৰত।

**পাঠবোধ ঃ**

'যুঁজ' গল্পটোত এজন নিচাসক্ত কিশোৰৰ মনৰ জগতখন অংকন কৰা হৈছে। সিদ্ধাৰ্থ নামৰ সংবেদনশীল কিশোৰজনে পাৰিবাৰিক কাৰণত নিঃসংগতা আৰু হতাশাত ভুগি ড্ৰাগছৰ আশ্ৰয় লৈছে। কিন্তু সেই অন্ধকূপৰ পৰা সিদ্ধাৰ্থ উভতি অহাৰ ইংগিত দেখা গৈছে। তাৰ বন্ধু নিৰ্মলৰ মৰম আৰু দায়িত্ববোধে সিদ্ধাৰ্থক পোহৰৰ বাট দেখুৱাইছে। নিচাসক্তি এখন যুঁজৰ দৰে। নিজৰ বিৰুদ্ধে যুঁজি মানুহে ইয়াৰ পৰা মুক্ত হ'ব পাৰে। আনহাতে গল্পটোত নিৰ্মলে যুঁজিছে নিজৰ জটিল ৰোগৰ বিৰুদ্ধে। হৰা-জিকা পাছৰ কথা; কিন্তু যুঁজ কৰি যাবই লাগিব— সহজ-সৰল কথনভংগীৰে গল্পকাৰে আমাক এই বাৰ্তা দিছে। 'যুঁজ' গল্পটোত নিচাসক্তজনৰ প্ৰতি থাকিবলগীয়া সামাজিক গুৰুত্বৰ প্ৰসংগও উত্থাপিত হৈছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | | |
|---|---|---|
| অগ্নিশৰ্মা | : | মহাক্ৰোধী বা খঙাল মানুহ। |
| পকনীয়া | : | নৈৰ সোঁতৰ পাক, চাকনৈয়া। |
| পাওদানি | : | যান-বাহনৰ দুৱাৰত ভৰি থোৱা ঠাই। |
| পোৰণি | : | জ্বলন; পুৰি যোৱাৰ দৰে লগা। |
| মৃত্যুশীতল | : | মৃত্যুৰ দৰে শীতল অনুভূতি। |
| সঞ্চিত | : | সাঁচি থোৱা। |
| পাৰাপাৰহীন | : | ইপাৰ-সিপাৰ নোহোৱা। |
| ডুবন্ত | : | ডুবিবলৈ ধৰা, বুৰ যাবলৈ ধৰা। |
| আচ্ছন্ন | : | ঢাক খাই থকা। |
| কেঁকুৰি | : | ভাঁজ। |
| বিনিদ্ৰ | : | নিদ্ৰাহীন, টোপনি নহা। |

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক ঃ**

১। অতি চমুকৈ উত্তৰ লিখা ঃ

(ক) কাৰ বেগৰ পৰা টকা চুৰ হৈছিল?

(খ) সিদ্ধাৰ্থহঁতৰ শ্ৰেণী শিক্ষকগৰাকীৰ নাম কি?

(গ) নিৰ্মলে কাক বিচাৰি দোকানখনলৈ থৈছিল?

(ঘ) সিদ্ধাৰ্থই পেঞ্চিলবক্সত কি সাঁচি থৈছিলে?

(ঙ) নিৰ্মলে কিয় বহুদিনৰ বাবে বাহিৰলৈ যাবলগীয়া হৈছিল?

২। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(ক) সিদ্ধাৰ্থই কিয় প্ৰশান্তৰ বেগৰ পৰা পইচা চুৰ কৰিছিল?

(খ) কি কি কাৰণত সিদ্ধাৰ্থ নিচাসক্ত হৈ পৰিছিল?

(গ) নিৰ্মলে সিদ্ধাৰ্থক বিচাৰি কিয় পাণদোকানখনলৈ গৈছিল?

(ঘ) সিদ্ধাৰ্থই প্ৰথমতে কিয় নিৰ্মলৰ মুখামুখি হ'ব খোজা নাছিল?

(ঙ) নিৰ্মলৰ জটিল ৰোগৰ কথা জানি সিদ্ধাৰ্থই কি কৈছিল?

৩। 'তোৰ কি হৈছে, মোক ক'বই লাগিব সিদ্ধাৰ্থ' — নিৰ্মলৰ এই কথাখিনিয়ে সিদ্ধাৰ্থক কেনেকৈ প্ৰভাৱিত কৰিছিল?

৪। সিদ্ধাৰ্থই কিয় নিঃসংগতাত ভুগিছিল বুজাই লিখা।

৫। নিৰ্মলে কেনেদৰে সিদ্ধাৰ্থক ভুল বাটৰ পৰা আঁতৰাই আনিছিল বিৱৰি লিখা।

৬। 'তাৰ দৰে ল'ৰাৰ কথাৰ উত্তৰ দিব নোৱাৰি; অস্বস্তিকৰ মৌনতাৰ মাজত মাথোঁ ছট্‌ফটাবহে পাৰি'— কথাষাৰৰ অন্তৰ্নিহিত ভাব বিশ্লেষণ কৰা।

৭। 'হাঁহিব নোৱাৰি, খেলিব নোৱাৰি, শুব নোৱাৰি—ইমানেই তীব্ৰ সেই শূন্যতাৰ ভাৰ—দুখৰ দাহন'— কথাষাৰ কাৰ বিষয়ে আৰু কিয় কোৱা হৈছে বুজাই লিখা।

৮। সিদ্ধাৰ্থই কিহৰ তাড়নাত মাকৰ খাৰুযোৰ চুৰ কৰিছিল আৰু পাছত তাৰ কিয় অন্তৰ্দ্বন্দ হৈছিল বুজাই লিখা।

৯। 'আচলতে মন গ'লেই সুখী হ'ব পাৰি জান।'—নিৰ্মলে কি প্ৰসংগত সিদ্ধাৰ্থক এনেদৰে কৈছিল বুজাই লিখা।

১০।ব্যাখ্যা কৰা ঃ

(ক) নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে।

(খ) মানুহে দেখা ঘৃণনীয় সত্যৰ আঁৰতো হয়তো কেতিয়াবা লুকাই থাকে আন কিছুমান কৰুণ সত্য।

(গ) পাবলগীয়া মৰমবোৰ হেৰুৱাই এখন ভাগি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্ৰোহী অথচ কৰুণ চৰিত্ৰ।

(ঘ) সকলো মানুহৰেই জীৱনবোৰ একো একোখন যুঁজ।

১১।'যুঁজ' গল্পটোৰ শিৰোনামৰ তাৎপৰ্য বুজাই লিখা।

**ভাষা-বিষয়ক ঃ**

১২। ব্যাসবাক্যসহ সমাসৰ নাম লিখা ঃ

মৃত্যুশীতল; অসহনীয়; অতল; অমীমাংসিত; বেপৰোৱা; অচিনাকি।

১৩।বাক্য ৰচনা কৰা ঃ

উজাগৰ; অবাধ্য; অৱলম্বন; খেৰকুটা।

১৪। সমাৰ্থক শব্দ লিখা ঃ

নীৰৱতা; বিষাদ; প্ৰস্তৰ; একাকীত্ব; আন্ধাৰ।

**অতিৰিক্ত প্ৰশ্ন ঃ**

১৫। ড° মৃণাল কলিতাৰ 'যুঁজ' গল্পটোৰ ড্ৰাগছ আসক্ত মানুহৰ প্ৰতি কেনেধৰণৰ মানৱীয় সঁহাৰি দেখুওৱা হৈছে বুজাই লিখা।

১৬। নিচাসক্ত মানুহৰ প্ৰতি থকা মানৱীয় সঁহাৰি কেনেধৰণৰ হ'ব লাগে নিজৰ কথাৰে লিখা।

● ● ●

Q6G1B6

# লোকসংস্কৃতি

**ড° নবীন চন্দ্ৰ শৰ্মা**

'লোকসংস্কৃতি' নো কাক বোলে— এই বিষয়ে আলোচনা কৰাৰ আগতে 'লোক' আৰু 'সংস্কৃতি' পদ দুটাৰ বিষয়ে কিছু কথা কোৱা উচিত হ'ব।

আমি পোনতে আলোচনা কৰোঁ 'লোক' পদটোৰ অৰ্থৰ বিষয়ে। লোক শব্দটোৰ সলনি জন, গঞা, গণ আদি শব্দ ব্যৱহাৰ কৰিব পাৰি। আমি ৰাইজ বুলিলে যি বুজোঁ— তেনে অৰ্থকেই 'লোক' পদটোৱে বুজায়। লোকসংস্কৃতিৰ পণ্ডিত ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে 'বিশেষভাৱে লিখা-পঢ়া নথকা গঞা লোককে'ই সাধাৰণতে লোক বা জন বুলি আখ্যা দিছিল। লোক বা জনৰ যি আচাৰ-অনুষ্ঠান, গীত-পদ, নৃত্য-নাচ, খোৱা-লোৱা, পিন্ধা-উৰা, পূজা-উপাসনা, ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, খেলা-ধূলা আদিৰ সমষ্টিকে লোককৃষ্টি বা লোকসংস্কৃতি বা গঞাসংস্কৃতি বুলিব পাৰি। চমুকৈ জনসাধাৰণৰ বা লোকসাধাৰণৰ আচৰণৰ সমষ্টিয়েই হ'ল লোকসংস্কৃতি বা গঞাসংস্কৃতি বা সৰ্বসাধাৰণৰ সংস্কৃতি।

লোক বা জন বা গঞালোক আৰু সমাজৰ বিশেষ কিছুমান বৈশিষ্ট্য আছে। যেনে — লোক বা জন বা গঞালোকসকল সাধাৰণতে গাঁৱে-ভূঞে বাস কৰে। তেওঁলোক সাধাৰণতে চাকৰিজীৱী বা শিল্পজীৱী নহয়, কৃষিজীৱীহে। এই ফালৰ পৰা তেওঁলোক খেতিয়ক। খেতিয়কসকল প্ৰায়ে নিৰক্ষৰ, অৰ্থাৎ পঢ়া-শুনা কৰিব নাজানে। তেওঁলোকে প্ৰায়ে হাতেৰে নানা বিধৰ সা-সঁজুলি সাজে। এনে সা-সঁজুলি প্ৰায়ে মাটি, বাঁহ, কাঠ, বেত আদিৰ পৰা প্ৰস্তুত কৰে। যন্ত্ৰশিল্প অৰ্থাৎ যন্ত্ৰত প্ৰস্তুত কৰা সঁজুলি গঞা ৰাইজে ব্যৱহাৰ কৰিব নোখোজে। তেওঁলোকৰ মাজত লিখা-পঢ়াৰ গুৰুত্ব তুলনামূলকভাৱে কম। ছপা-সমল বা কিতাপ-আলোচনী আদিত তেওঁলোকে কম গুৰুত্ব দিয়ে। মুখে মুখে চলি অহা গীত-পদ, কথা-কাহিনী, যোজনা-পটন্তৰ আদিত তেওঁলোকে তুলনামূলকভাৱে অধিক গুৰুত্ব দিয়ে। পিতাক-আতাক-ককাক, আবু-আইতাকৰ দিনৰে পৰা মুখে মুখে চলি

অহা সাধুকথা বা ৰামায়ণ-মহাভাৰত বা কোৰান, বাইবেল, জাতক আদিৰ কথা শুনি তেওঁলোকে সীমাহীন আনন্দ লাভ কৰে। নতুন কথা, নতুন উপদেশ আদিতকৈ তেওঁলোকে পীৰিয়ে পীৰিয়ে চলি অহা কথাবোৰতহে অধিক গুৰুত্ব দিয়ে।

লোকসমাজত পুৰণি দিনৰ কথাৰহে অধিক সমাদৰ। চহৰীয়া বা নগৰীয়া মানুহৰ তুলনাত গঞাঁলোক কিছু পৰিমাণে পিছ পৰা। লোকজীৱনত যুক্তিতকৈ বিশ্বাসত অধিক গুৰুত্ব দিয়া হয়। গভীৰ বিশ্বাসে পুৰণি ধৰণ-কৰণ, ৰীতি-নীতি, ভূত-প্ৰেত, ধৰ্মীয়কৃত্য, ঔষধ-চিকিৎসা আদিৰ প্ৰতি তেওঁলোকৰ মন-প্ৰাণ সদা-সৰ্বদাই আকৃষ্ট কৰি থাকে। অতীতৰ প্ৰতি থকা বিশ্বাস আৰু আস্থাই তেওঁলোকক যাদু-পৰায়ণ কৰি তোলে। সেই কাৰণে তেওঁলোকে সৰ্বত্ৰতে অশৰীৰী ভূত-প্ৰেত, বাক-দ'ত, দেৱ-দেৱতাৰ লীলা-খেলা দেখিবলৈ পায়। বেমাৰ-আজাৰ, ৰোগ-ব্যাধি, প্ৰাকৃতিক ঘটনা-দুৰ্ঘটনা আদিতো তেওঁলোকে এই কাৰণে অদৃশ্য শক্তিৰ লীলা-খেলা দেখিবলৈ পায়।

লোকসমাজক কোনো কোনো লোকতত্ত্ববিদে সমাজৰ নিম্নস্তৰৰ বুলি ক'ব খোজে যদিও এনে ধাৰণা গ্ৰহণ কৰিব নোৱাৰি। বিজ্ঞানসন্মত দৃষ্টিভংগী হ'লেই যে কোনো এখন সমাজ উচ্চতৰ হ'ব আৰু তাৰ বিপৰীতে লোক বা গঞাঁসমাজ নিম্নতৰ হ'ব লাগিব তেনে কোনো কথা নাই। লোকসমাজৰ অংগীভূত মানুহে প্ৰায়ে গাঁৱে-ভূঞে বাস কৰে আৰু অভিজাত শ্ৰেণীৰ লোকসকল নগৰ-চহৰ আদিত বাস কৰে। হ'লেও এই ধাৰণা সদা-সৰ্বদাই গ্ৰহণযোগ্য হ'ব নোৱাৰে। কাৰণ, গাঁৱতো শিক্ষিত মানুহে বাস কৰে। তাৰ বিপৰীতে চহৰ বা নগৰতো গঞাঁলোকৰ বসতি দেখা যায়। নগৰ-চহৰৰ বিভিন্ন কাম-কাজৰ বাবে গঞাঁলোকৰ প্ৰয়োজন হয়। তেতিয়া গঞাঁলোকে চহৰ-নগৰত থাকি মজদুৰ বা কামিলাৰ ভূমিকা পালন কৰে আৰু এইদৰে তেওঁলোকে চহৰ বা নগৰবাসী হয়।

**লোকসংস্কৃতি** : গঞাঁ সমাজে তেওঁলোকৰ বাবে প্ৰয়োজনীয় কৰ্ম সম্পাদন কৰে— এয়ে কৃতি অৰ্থাৎ কাম আৰু এই কামবোৰেই লোককৃতিৰূপে পৰিচয় লাভ কৰে। তাৰ বাহিৰেও বিভিন্ন কৰ্মৰ মাজতে তেওঁলোকে ঋতু, মাহ, পষ আদি অনুসৰি বিবিধ সভা-উৎসৱ সম্পাদন কৰে। সেই সভা-উৎসৱত গীত-নাচ, অভিনয় কৰা হয়। এই কামবোৰৰ সমষ্টিকে লোককৃষ্টি বোলে। লোককৃষ্টিৰ সাধাৰণ উত্তৰণেই লোকসংস্কৃতি। লোককৃষ্টিৰ পৰিমাৰ্জনৰ জৰিয়তে শাস্ত্ৰীয় সংস্কৃতিৰ জন্ম হয়।

লোকসংস্কৃতিৰ বিষয়বস্তু প্ৰধানভাৱে দুটা ভাগত ভগাব পাৰি। যেনে :

১। লোকসাহিত্য বা বাচিক কলা।

২। লোকজীৱন।

লোকসাহিত্য বা বাচিক কলাক কেইটিমান উপভাগত ভগাব পাৰি। যেনে :

(ক) লোক বা মৌখিক কবিতা বা বাচিক কবিতা বা লোকগীত;

(খ) গদ্যধৰ্মী লোককথা;

(গ) প্ৰবচন, বচন, লোকোক্তি, যোজনা, পটন্তৰ;

(ঘ) সাঁথৰ, আৰু

(ঙ) লোকভাষা।

লোক বা মৌখিক কবিতা বা বাচিক কবিতা আৰু লোকগীত কেইটিমান উপশ্ৰেণীত বিভক্ত। যেনে — লোককবিতা বা লোকগীত : মালিতা বা কাহিনীগীত, ধৰ্মীয় গীত, প্ৰণয়গীত, কৰ্মগীত, উৎসৱ-অনুষ্ঠানৰ গীত বা সংস্কাৰমূলক গীত, কেঁচুৱা ল'ৰা-ছোৱালীক শোৱাবলৈ গোৱা গীত বা নিচুকনী গীত, শিশুৰ খেল-ধেমালিৰ লগত জড়িত গীত, তত্ত্বপূৰ্ণ গীত, বিদ্ৰূপাত্মক গীত ইত্যাদি।

গদ্যধৰ্মী লোককথাৰ ভিতৰত পৰে : পুৰাণ- কথা, জনশ্ৰুতি আৰু সাধুকথা আদি।

তলত দুটি-এটি উদাহৰণ দিয়া হ'ল :

১। **ধৰ্মীয় গীত** : ধৰ্মীয় প্ৰসংগত গোৱা গীতৰাজিয়েই ধৰ্মীয় গীত। যেনে ঃ

**দিহা** ঃ অহে গোবিন কি দিবো যাদৱ ৰায়।
অহে ব্ৰহ্মাণ্ডৰ ভিতৰে যতবস্তু আছে
সমস্ত তোমাতে পায়।

**পদ** : কিবা মই আসন। দিবো নাৰায়ণ। গৰুড়ে যাৰ বাহন।
কিবা অলংকাৰে। ৰঞ্জিবো তোমাৰে। কৌস্তুভে যাৰ ভূষণ।।
হেন জানি হৰি। শৰণ পশিলো। তেজিবাক নুযুৱায়।।

২। **চিয়া বা দেহবিচাৰৰ গীত** :

বৈকুণ্ঠত আছিল দেৱৰ দামে কলা। আহিল ভাৰস্তত নামি।
পূবলৈ আগকৈ পশ্চিমলৈ গুৰিকৈ। মেৰুৰে মূৰতে থপা।।

৩। **জিকিৰ** :

চিন্তো হেৰা মোৰ মন আল্লাৰ নামত।
ভজো হেৰা মোৰ মন গুৰুৰ পাৰত।।
চোৱা চোৱা জীৱসকল ভেলৰ বিলাই।।

৪। **বিহুগীত** :

আইৰ ঘৰতে। আছিলো এজনী। ফুলক নুবুলিলো ফুল,
কুমলীয়া তামোল। কোঁচ নভৰিলে। খোপাই নধৰিলে ফুল।

৫। **হুঁচৰিগীত** :

দেউতাৰ বৰে ঘৰ। দেখোতে ভয়ঙ্কৰ। শৰণ খেৰ মেলিয়ে চায়;
মুগাৰে বটীয়া। ন-শ গাঠনি। সৰিয়হ বাগৰি যায়।

৬। **বিয়াগীত** :

অ বৰ ঘৰৰ পৰা ওলাই আহা লগৰী ঐ।
অ মাৰাৰ মোহকে ছাৰি ফুলচনো লগৰী ঐ।।

**৭। ভাৰাইয়া-ছুতকা :**

কিসেৰ মোৰ ৰান্ধন, কিসেৰ মোৰ বাঢ়ন।
মোৰ প্ৰাণধন অন্যেৰ বাৰী যায়।

**৮। নিচুকনী গীত :**

আমাৰে ভাইটি শুব এ। বাৰীতে বগৰি ৰুব এ,
বাৰীৰে বগৰি পকি সৰিব। ভাইটিয়ে বুটলি খাব এ।।

**৯। মালিতা-হাইদাংগীত :**

হা-অ-হা-অ-হা-এ-হা-হা
হা-ইয়হ নমো নাৰায়ণ। হা-ইয়হ পৃথিৰী হেনো সৃজইছে।।

**১০। মণিৰাম-দেৱানৰ গীত :**

অতিকৈ চেনেহৰে। মুগাৰে মহুৰা। অতিকৈ চেনেহৰ মাকো,
অতিকৈ চেনেহৰ। মণিৰাম দেৱান। নেকান্দি কেনেকৈ থাকো।

**১১। লোক কথা বা সাধুকথা :**

শিয়াল আৰু বান্দৰৰ সাধু; নিগনি আৰু সিংহ, শিয়াল আৰু হাতী।

**১২। প্ৰবচন :**

ধনেই ধৰ্মৰ মূল; পখী মৰে বৈ, মানুহ মৰে কৈ; পৰত আশ বনত বাস।

**১৩। সাঁথৰ :**

গল বা ডিঙি আছে মূৰ নাই। কাণ আছে, চকু নাই, পেট আছে হাত নাই
মুখ আছে, জিভা নাই— সেইটো কি কোৱা ভাই। **উত্তৰ** : কলহ। ঘটি।

লোকজীৱন তিনিটা ভাগত বিভক্ত; যেনে :

(ক) সামাজিক আচাৰ-অনুষ্ঠান,

(খ) ভৌতিক বা বস্তুসংস্কৃতি আৰু

(গ) পৰিৱেশ্য কলা।

**(ক) সামাজিক আচাৰ-অনুষ্ঠান** : মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন। পৰম্পৰাগত জীৱন, মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। সমাজ আৰু পৰিয়ালৰ মাজত অনুষ্ঠিত কৃষি বা খেতি-বাতি, জন্ম-বিবাহ মৃত্যু আদি বিষয়ক ৰীতি-নীতি, আচাৰ-ব্যৱস্থা-অনুষ্ঠান আদিয়েই সামাজিক আচাৰ-অনুষ্ঠান। এইবোৰ প্ৰধানভাৱে লোকবিশ্বাসৰ সৈতে জড়িত। সামাজিক আচাৰ-অনুষ্ঠান চাৰিটা ভাগত বিভক্ত। যেনে : উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকঔষধ আৰু লোকধৰ্ম।

**(খ ) ভৌতিক বা বস্তুসংস্কৃতি** : ভৌতিক বা বস্তুসংস্কৃতি হ'ল লোকসংস্কৃতিৰ দৃশ্যমান দিশ। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সমল নিৰ্মাণ, নাইবা খোৱা-লোৱা বস্তু সামগ্ৰী আদিৰ ৰন্ধা-বঢ়া, প্ৰস্তুতি আদিয়েই

ভৌতিকসংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী। ভৌতিক সংস্কৃতিৰ উপ-বিভাগকেইটি হৈছে : লোককলা, লোকশিল্প, লোক-স্থপতিকলা, লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালী।

**(গ) লোকপৰিৱেশ্য কলা** : লোকজীৱনৰ শেষভাগটো হৈছে—লোক পৰিৱেশ্য কলা। পৰম্পৰাগত সংগীত, নৃত্য-নাচ আৰু নাট- আদিয়েই লোক পৰিৱেশ্য কলাৰ উপাদান। কোনো এটা সাধুকথা কোৱা অথবা লোকগীতি গোৱাকে পৰিৱেশন কৰা বোলে। এনে ধৰণৰ পৰিবেশন পদ্ধতি এজন বা কেইবাজনো লোকে লোক বাদ্য-যন্ত্ৰ, নৃত্যৰ পোছাক-পৰিচ্ছদ আৰু দৃশ্য-বিৱৰণিৰ সৈতে ৰূপায়ণ কৰা পদ্ধতিৰ তুলনাত আকস্মিক ধৰণৰ। পৰিৱেশ্য কলাৰ পৰিসৰে গীত, নৃত্ত-নৃত্য, নাটক, বাদ্যযন্ত্ৰ আদিক সামৰে। লোকনাট হ'ল গীত আৰু নৃত্যৰ সমষ্টি। সংলাপৰ তুলনাত লোকনাটত গীত আৰু নৃত্যৰ গুৰুত্ব বেছি।

আমি লোকসংস্কৃতিৰ বিষয়ে কিছু কথা জানিলোঁ। আমি আৰু এটা কথা জানি থোৱা উচিত হ'ব যে, সমাজৰ পৰিবৰ্তনৰ লগে লগে লোকসংস্কৃতিৰো পৰিবৰ্তন ঘটে। পৰিবৰ্তিত সমাজত লোকসংস্কৃতিয়ে দ্বিতীয় অস্তিত্বত জীয়াই থাকে।

বিহু-গীত,হুঁচৰি গীত, জাৰীগীত আদিয়ে লিখিত ৰূপ পাইছে। তেনেদৰে আমাৰ আই-আইতাৰ মুখে মুখে চলি অহা সাধুকথাসমূহেও দ্বিতীয় ৰূপ পাইছে। যেনে : লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদন কৰা 'বুঢ়ী আইৰ সাধু'। তেনে দৰে ড° ভূপেন হাজৰিকা দেৱে গোৱা —

অ' মাই যশোৱা হে' মাইহে যশোৱা
আমাক লাগিয়া অলপ তোৰ মৰম নাই।।
— এই গীতটিক তেওঁ পোনতে লিখিত ৰূপ দিছে, তাৰ পিছতে গাইছে।

এইদৰে চালে দেখা যায় যে লোকসংস্কৃতিৰ উপাদানৰাজি যুগে যুগে মুখপৰম্পৰাত প্ৰচলিত হৈ বা শিক্ষিত লোকৰ হাতত পৰি আধুনিক ৰূপ লৈ যুগসাপেক্ষ বা সময়সাপেক্ষ স্থিতি লাভ কৰে। তেনে অৱস্থাতো লোকসংস্কৃতিয়ে নিজৰ স্বৰূপ নেহেৰুৱায়। সেইকাৰণে ক'ব পাৰি লোকসংস্কৃতি পুৰণি হৈও নতুন, নতুন হৈও পুৰণি।

**লেখক-পৰিচয় :**

ড° শৰ্মাই প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত সামৰণি মাৰে। সুদীৰ্ঘ ৪৬ বছৰ শিক্ষকতা কৰি শিক্ষাৰ ক্ষেত্ৰত এক লেখত ল'বলগীয়া অৱদান আগবঢ়ায়। বিশেষকৈ অসমৰ লোকসাহিত্য আৰু লোকসংস্কৃতিৰ বিষয়ে তেওঁ গভীৰ জ্ঞান আয়ত্ত কৰে। 'অসমৰ ওজাপালি' নামৰ পুথিখনৰ যোগেদি তেওঁ হেৰাই যাব ধৰা ওজাপালি অনুষ্ঠানটোক অসমৰ ৰাইজৰ ওচৰত মেলি ধৰে। ড° শৰ্মাই আমেৰিকাৰ কেলিফৰ্ণিয়ালৈকো লোক-সাহিত্যৰ সন্ধানত গৈছিল। তাত তেওঁ এই সংক্ৰান্তত কেইবাখনো বিশ্ববিদ্যালয় দৰ্শন কৰে। লোক-সাহিত্য বিষয়ক আৰু পুৰণি সাহিত্যকে ধৰি তেওঁ প্ৰায় ৯৭- খন পুথি ৰচনা কৰি প্ৰকাশ কৰিছে। কৰ্মজীৱনত কেইবাটিও বঁটা লাভ কৰা ড°শৰ্মাই অসম চৰকাৰৰ পৰা সাহিত্যিক পেঞ্চনো লাভ কৰে।

**পাঠবোধ :**

লোকসংস্কৃতি অবিহনে কোনো সমাজেই উন্নতি সাধন কৰিব নোৱাৰে। সমাজত জীয়াই থাকিবলৈ মানুহে কিছুমান কাম সম্পাদন কৰিব লগা হয়। সমাজভেদে এই কামো ভিন ভিন। সভা-সমিতি, উৎসৱ-পাৰ্বণ আদি উপভোগ কৰি মানুহে জীয়াই থকাৰ প্ৰেৰণা লাভ কৰে। মানুহে সম্পাদন কৰা এই সকলোবোৰকে কৃষ্টি আৰু ইয়াৰ উত্তৰণকে সংস্কৃতি বোলা হয়। আজিৰ সমাজত মানুহে যান্ত্ৰিক জীৱনৰ ব্যস্ততাৰ বাবে নিজৰ নিজৰ কৃষ্টি-সংস্কৃতিক পাহৰি যাবলৈ ধৰিছে। ই সমাজ আৰু সভ্যতাৰ বাবে ভাল লক্ষণ নহয়। সেয়েহে এই পাঠটিৰ জৰিয়তে উঠি অহা প্ৰজন্মক নিজৰ নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি সজাগ কৰি তুলিব পৰা যাব বুলি আশা কৰা হৈছে। সংস্কৃতিনো কি তাক উপলব্ধি কৰি এটি সুৰুচিসম্পন্ন জীৱন কটাবলৈ ছাত্ৰ-ছাত্ৰীসকলে যাতে প্ৰেৰণা লাভ কৰে এই পাঠটিৰ জৰিয়তে তাৰেই চেষ্টা কৰা হৈছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | | |
|---|---|---|
| অংগীভূত | : | অংগ হিচাপে পৰিগণিত। |
| আচৰণ | : | ব্যৱহাৰ, চাল-চলন। |
| অশৰীৰী | : | শৰীৰবিহীন। |
| আবু | : | আইতা। |
| পীৰিয়ে-পীৰিয়ে | : | এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ। |
| লোককৃতি | : | সমাজত প্ৰচলিত কাম। |
| উত্তৰণেই | : | উন্নতিয়েই। |
| পৰম্পৰাগত | : | প্ৰজন্মৰ পৰা প্ৰজন্মলৈ। |
| সমল | : | দ্ৰব্য, বয়-বস্তু। |
| জাতক | : | বুদ্ধদেৱৰ পূৰ্বজন্মৰ কাহিনীৰে পৰিপূৰ্ণ এখন ধৰ্মীয় পুথি। এই পুথিখন পালি ভাষাত ৰচিত। |
| পয | : | পোন্ধৰ দিনৰ সময়সীমা, পযেক। |

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক :**

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা ঃ

(ক) লোককৃষ্টিৰ সাধাৰণ উত্তৰণক কি বোলা হয়?

(খ) লোকসমাজত কোন সময়ৰ কথাৰ অধিক সমাদৰ?

(গ) লোককৃষ্টি কাক বোলা হয়?

(ঘ) লোকসংস্কৃতিৰ দৃশ্যমান দিশক কি বোলা হয়?

(ঙ) পাঠত উল্লিখিত লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা সাধুকথাৰ পুথিখনৰ নাম কি?

২। লোকসমাজ সম্পৰ্কে কিছুমান লোকতত্ত্ববিদে দিয়া কি ধাৰণা গ্ৰহণ কৰিব নোৱৰি বুলি লিখকে কৈছে? এই ধাৰণা গ্ৰহণ কৰিব নোৱৰাৰ কাৰণ কি?

৩। চমু টোকা লিখা :
নিচুকনী গীত, মালিতা বা কাহিনী গীত, সাঁথৰ, জনশ্ৰুতি, জিকিৰ, দেহবিচাৰৰ গীত, হুঁচৰি গীত।

৪। 'লোকজীৱন তিনিটা ভাগত বিভক্ত' — লোকজীৱন কি কি তিনিটা ভাগত বিভক্ত? প্ৰত্যেকটি ভাগৰে চমু আভাস দিয়া।

৫। বহলাই লিখা ঃ
(ক) সামাজিক আচাৰ-অনুষ্ঠান
(খ) লোক পৰিবেশ্য কলা
(গ) ভৌতিক বা বস্তু-সংস্কৃতি

৬। লোকনাট কিহৰ সমষ্টি বুলি লিখকে কৈছে? এই শ্ৰেণীৰ নাটত সংলাপৰ ওপৰত গুৰুত্ব দিয়া হয়নে? তোমাৰ নিজৰ কথাৰে লিখা।

৭। লোকসাহিত্যক কেইটা আৰু কি কি উপভাগত ভগাব পাৰি? ভাগবোৰৰ নাম লিখা।

৮। ভৌতিক বা বস্তু-সংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী কি? ইয়াৰ উপ-বিভাগ কি কি?

৯। 'অ' মাই যশোৱা হে, মাইহে যশোৱা...' গীতটি কোনে লিখিত ৰূপ দিয়ে?

১০। তাৎপৰ্য ব্যাখ্যা কৰা :
(ক) লোকসংস্কৃতি পুৰণি হৈও নতুন, নতুন হৈও পুৰণি।
(খ) সমাজৰ পৰিবৰ্তনৰ লগে লগে লোকসংস্কৃতিৰো পৰিবৰ্তন ঘটে।

**ভাষা-বিষয়ক :**

১১। তলৰ শব্দকেইটাত মূৰ্দ্ধন্য 'ণ' আৰু 'ষ' হোৱাৰ কাৰণ দৰ্শোৱা :
কৃষি; অনুষ্ঠান; ধাৰণ; আহৰণ।

১২। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা :
বিশ্বাস; মৌখিক; সংযোগ; প্ৰয়োজনীয়; জন্ম; উচিত।

১৩। সমাৰ্থক শব্দ লিখা :
গঞা; পিতা; বেমাৰ; চহৰ; লোক।

●●●

W9Z4M2

# হনুমন্তৰ লঙ্কাদৰ্শন

**মাধৱ কন্দলী**

লঙ্কাপুৰী দেখিলন্ত ত্ৰিকূট উপৰে।
দুতী অম্ৰাৱতী যেন সমুদ্ৰ ভিতৰে।।
সুবেল গিৰিৰ শৃঙ্গ আতি বিতোপন।
তহিতে পৰিলা গৈয়া পৱন নন্দন।।
সুবেলত বসিয়া গুনন্ত মহাবীৰ।
প্ৰয়াস নভৈল মোৰ সুস্থসে শৰীৰ।।
সাগৰ তৰিয়া আইলো ইটো কোন গহ।
কোটি যোজনক যাইবো তাকো আছে সাহ।।
শতেক যোজন আইলো ইটো কোন কাজ
ইসব কাহিনী কহিবাকো লাগে লাজ।।
তৰিলন্ত সাগৰ নভৈল কিছু শঙ্কা।
সুবেলত বসিয়া বীৰে দেখিলন্ত লঙ্কা।।
মাথা তুলি দেখন্ত আদিত্য অস্ত যান্ত।
কৰ যোৰে হনুমন্তে দিলন্ত সিদ্ধান্ত।।
জানু শিৰ কৰি জুৰিলন্ত যোৰহাত।
ত্ৰৈলোক্যৰ দীপ বুলি নমিলন্ত মাথ।।
খানিতেক তম্ভিয়োক ৰাম কাৰ্য্য সাওঁ।
দিবাভাগে লঙ্কাৰ গড়ক ফুৰি চাওঁ।।

হেন শুনি তুষ্ট ভৈলা কাশ্যপ নন্দন।
দেখি হনুমন্তৰ হৰিষ ভৈল মন।।
সুবেলৰ হন্তে বীৰ দৃষ্টি বলাই চান্ত।
দিবা ভাগে লঙ্কাৰ গড়ক দেখিলন্ত।।
সুবেলৰ নামি নগৰীক লাগি যান্ত।
অনেক বনক হনুমন্তে দেখিলন্ত।।
গুঞ্জৰিত শবদে ভ্ৰমৰা মধুপান।
পদ্মিনী দিঘী জলাশয় ৰম্য থান।।
সৰল পিয়াল খৰ নিখৰ খৰ্জ্জুৰ।
শাল তাল তমাল গমাৰি বীজপুৰ।।
অশ্বত্থ কপিত্থ বট নাৰঙ্গ বদৰ।
তেন্তেলি কন্টকি আম জাম নাগেশ্বৰ।।
খাজুৰি হাৰিঠা আমলখি ডহাফল।
ছাতিয়াল গুৱা নাৰিকেল যে শ্ৰীফল।।
সলঙ্গা মহৰি আৰু কমলা টেঙ্গৰা।
কৰ্দ্দৈ পিচুমৰ্দ্দক যে সোলঙ্গা আমৰা।।
কদম্ব গুলাল পাৰিজাতক আশেষ।
সেৰতী মালতী গুটিমালী যে বিশেষ।।
বাৰয় বসন্তে অনুকূলে বহে বাৰ।
ষড়ঋতু নছাড়য় কোকিলৰ ৰাৱ।।
অনেক আছয় পশু চটক আশেষ।
সুবৰ্ণ মাণিক মণি ৰতন বিশেষ।।
সাগৰে উথাৰি থৈল মুকুতাৰ দাম।
চিত্ৰ বিচিত্ৰ তাক দেখি অনুপাম।।
লঙ্কাৰ সমীপ বনে দিন গোট নিল।
গধূলিকা বেলা বীৰে পৰামৰিশিল।।
ইসব শৰীৰে যেবে পেষওঁ নগৰ।
ৰাক্ষসে বান্ধিয়া ফুৰাইবে ঘৰে ঘৰ।।
বিৰাল সমান সঙ্কুচিত কলেৱৰে।
হনুমন্তে চড়িলন্ত প্ৰাঞ্চিৰ উপৰে।।

গোধূলিকা বেলা শ্ৰী দেখিলা লঙ্কাৰ।
দূতী অম্ৰাৱতী যেন জগততে সাৰ।।
অনেক প্ৰবন্ধে বিশ্বকৰ্ম্মেসে নিৰ্ম্মিল।
লঙ্কা বেঢ়ি সুৱৰ্ণৰ গড় প্ৰাঞ্চি দিল।।
অনেক যোজন পথ গগনে উধাৰ।
সুবৰ্ণ মাণিক মণি জ্বলে ঠাৱে ঠাৱ।।
ঠাইখান দেখিলন্ত বহল বিস্তাৰ।
গড়গোটে বেঢ়ি আছে সকলে লঙ্কাৰ।।
নানা যন্ত্ৰ সাজি তাত আছে শাৰী শাৰী।
দেৱাসুৰ সবে তাক লঙ্ঘিতে নপাৰি।।
বিষম সঙ্কট আতি দুৰ্গমৰ থান।
দেখি চিন্তাবিষ্ট ভৈলা বীৰ হনুমান।।
অঙ্গদ সুগ্ৰীৱ নীল আমি সমে চাৰি।
এতেকেসে সাগৰক তৰিবাক পাৰি।।
শতেক যোজন পথ সাগৰক তৰি।
ইঠাৱক বানৰ আসিবে কেনে কৰি।।
বানৰ বৰ্গৰ ইঠাৱত কোন কাম।
কিবা কৰিবন্ত আসি দাশৰথী ৰাম।।
ৰাম লক্ষ্মণ যাতো অচিন্ত্য প্ৰভাৱ।
সি কাৰণে মনত কিঞ্চিত দিওঁ ঠাৱ।। ৪০৯৫

**কবি-পৰিচয় :**

অসমীয়া সাহিত্যৰ শংকৰ-পূৰ্ব যুগৰ কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ কবিগৰাকী আছিল কবিৰাজ মাধৱ কন্দলী (চতুৰ্দশ শতিকা)। মাধৱ কন্দলীৰ পৃষ্ঠপোষক ৰজাজনৰ নাম আছিল বাৰাহ (বৰাহী) ৰজা মহামাণিক্য। পুৰণি অসমৰ পূব-মধ্যাঞ্চলৰ কোনো অঞ্চলত এই ৰজাজনে ৰাজত্ব কৰিছিল বুলি ধাৰণা কৰা হয়। এইজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিয়ে মাধৱ কন্দলীয়ে বাল্মীকি-ৰচিত সংস্কৃত ৰামায়ণ মহাকাব্যখন অসমীয়ালৈ অনুবাদ কৰিছিল। মাধৱ কন্দলীয়ে সম্পূৰ্ণ ৰামায়ণখন অনুবাদ কৰিছিল; কিন্তু বৰ্তমান মাধৱ কন্দলীৰ ৰামায়ণৰ আদিকাণ্ড আৰু উত্তৰাকাণ্ডৰ বাহিৰে মাজৰ পাঁচোটা কাণ্ডহে পোৱা যায়। পৰৱৰ্তী সময়ত আদিকাণ্ড মহাপুৰুষ মাধৱদেৱে আৰু উত্তৰাকাণ্ড মহাপুৰুষ শংকৰদেৱে ৰচনা কৰি মাধৱ কন্দলীৰ ৰামায়ণখন সম্পূৰ্ণ কৰিছিল।

উত্তৰ ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ ভিতৰত প্ৰথমতে অসমীয়া ভাষাতেই মাধৱ কন্দলীয়ে সংস্কৃত ৰামায়ণখন অনুবাদ কৰে। শংকৰদেৱে মাধৱ কন্দলীৰ কাব্য-প্ৰতিভাক সন্মান জনাই অপ্ৰমাদী কবি বুলি অভিহিত কৰিছিল।

**পাঠবোধ :**

মাধৱ কন্দলীৰ ভাষা আৰু সাহিত্যৰ ধাৰণা লাভ কৰিবৰ বাবে তেওঁৰ সুন্দৰাকাণ্ড ৰামায়ণৰ পৰা 'হনুমন্তৰ লঙ্কাদৰ্শন' শিৰোনামাৰে এই কাব্যাংশ নিৰ্বাচিত কৰা হৈছে। উল্লিখিত কাব্যাংশত সীতাৰ অন্বেষণত যোৱা হনুমানে বিশাল সাগৰ পাৰ হৈ সুবেল বা ত্ৰিকূটগিৰি শৃংগত অৱতৰণ কৰা আৰু ত্ৰিকূট পৰ্বতৰ ওপৰত দেখা ৰজা ৰাৱণৰ লংকা নগৰীৰ কিছু বিৱৰণ সন্নিবিষ্ট হৈছে। ৰামায়ণৰ সুন্দৰাকাণ্ডৰ ঘাইকৈ দ্বিতীয় সৰ্গৰ আধাৰত অনুবাদ কৰা এই অংশত মাধৱ কন্দলীয়ে মূলৰ বিষয়বস্তু চমু ৰূপত উপস্থাপন কৰিছে। অৱশ্যে তাৰ মাজতেই কবিৰ নিজস্ব কথা দুই-এটাও সংযোজিত হৈছে।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| অচিন্ত্য প্ৰভাৱ | : | চিন্তা কৰিব নোৱাৰা প্ৰভাৱযুক্ত। |
| অম্ৰাৱতী | : | বিশ্বকৰ্মা নিৰ্মিত দেৱপুৰী, ইন্দ্ৰৰ ৰাজধানী। |
| অশ্বত্থ | : | পবিত্ৰ বৰগছ, আঁহত গছ। |
| কণ্টকি | : | কাঁইটীয়া গছ। |
| কপিত্থ | : | ঔ টেঙা। |
| কমলা টেঙ্গৰা | : | কমলা টেঙা। |
| কলেৱৰ | : | শৰীৰ। |
| গড় | : | দুৰ্গ; ইটা, মাটি বা কাঠৰ শকত আৰু ওখ প্ৰাচীৰ। |
| গগনে | : | আকাশলৈ। |
| গহ | : | গৰ্ব, মই বৰ ভাৱ। |
| গুনন্ত | : | ভাবিলে। |
| গুৱা | : | তামোল। |
| চটক | : | ঘনচিৰিকা। |
| ছাতিয়াল | : | ছতিয়না গছ। |
| তমাল | : | ডাঠ ক'লা বাকলিৰে এবিধ গছ। |
| তন্তিয়োক | : | ৰওক। |
| তহিতে | : | তাত। |
| দাশৰথী ৰাম | : | দশৰথৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰ। |
| দিবা ভাগে | : | দিনৰ ভাগতে। |
| দুতী | : | দ্বিতীয়। |
| দৃষ্টি বলাই চান্ত | : | দৃষ্টি প্ৰসাৰিত কৰি চালে। |

| | | |
|---|---|---|
| দেখন্ত/দেখিলন্ত | : | দেখিলে। |
| নাৰঙ্গ | : | কমলা টেঙাৰ গছ। |
| পদ্মিনী দিঘী | : | পদুম ফুলৰ পুখুৰী। |
| পৱন নন্দন | : | বায়ু দেৱতাৰ পুত্ৰ হনুমান। |
| পিয়াল | : | আঙুৰ গছ। |
| পেষওঁ | : | প্ৰবেশ কৰোঁ। |
| প্ৰবন্ধে | : | প্ৰচেষ্টাৰে। |
| প্ৰাঞ্চিৰ | : | প্ৰাচীৰৰ, দেৱালৰ। |
| বদৰ | : | বগৰী গছ, এবিধ লতা। |
| বিৰাল | : | মেকুৰী। |
| বীজপুৰ | : | নেমুৰ দৰে এবিধ টেঙাৰ গছ। |
| যোজন | : | আঠ মাইল দৈৰ্ঘ্যৰ। |
| সলঙ্গা | : | সোলং, সোলেং (এবিধ বৰ উগ্ৰ টেঙা ফল)। |
| হাৰিঠা | : | মনিছাল বা ৰিঠা গছ। |
| অঙ্গদ | : | কিষ্কিন্ধ্যাৰ বানৰ-ৰাজ বালীৰ পুত্ৰ। অতিশয় বলশালী অংগদে সীতা-উদ্ধাৰ অভিযানত শ্ৰীৰামচন্দ্ৰক সহায় কৰে। |
| কাশ্যপ নন্দন | : | সূৰ্যদেৱতা (ৰামায়ণ আৰু দুই-এখন পুৰাণ শাস্ত্ৰমতে সূৰ্যদেৱতা কাশ্যপ আৰু অদিতিৰ পুত্ৰ)। |
| ত্ৰিকূট | : | ৰামায়ণ কাব্য অনুসৰি লৱণ সমুদ্ৰৰ মাজত থকা পৰ্বত। ইয়াৰ ওপৰতে লংকা নগৰ প্ৰতিষ্ঠাপিত হৈছে। |
| নীল | : | সীতা-অন্বেষণ আৰু সাগৰত সেঁতু বান্ধোতে ৰামচন্দ্ৰক সহায় কৰা এজন সেনাপতি। |
| বিশ্বকৰ্মা | : | দেৱতাসকলৰ বিমান আৰু অলংকাৰ নিৰ্মাণ কৰা দেৱতা হিচাপে জনা যায়; শিল্পীগণৰ ভিতৰত শ্ৰেষ্ঠ বুলিও কোৱা হয়। |
| সুগ্ৰীৱ | : | ৰামায়ণ অনুসৰি বানৰৰাজ বালীৰ ভায়েক। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক :**

১। চমুকৈ উত্তৰ দিয়া ঃ

(ক) মাধৱ কন্দলী কোন আছিল?

(খ) মাধৱ কন্দলীয়ে কোনখন মহাকাব্য অনুবাদ কৰিছিল?

(গ) মাধৱ কন্দলীৰ ৰামায়ণত কেইটা কাণ্ড পোৱা যায়?

(ঘ) মাধৱ কন্দলীক শংকৰদেৱে কি কবি বুলি অভিহিত কৰিছিল?

(ঙ) মাধৱ কন্দলীৰ ৰামায়ণত বৰ্তমানে সন্নিবিষ্ট কোনটো কাণ্ড শংকৰদেৱে ৰচনা কৰে?

(চ) 'হনুমন্তৰ লঙ্কাদৰ্শন'—কাব্যাংশ কোনটো কাণ্ডৰ পৰা লোৱা হৈছে?

২। মাধৱ কন্দলীৰ বাহিৰে শংকৰ-পূৰ্ব যুগৰ কবিকেইজনাৰ নাম উল্লেখ কৰা।

৩। মাধৱ কন্দলীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল? তেওঁ ক'ৰ ৰজা আছিল?

৪। তলত দিয়াবোৰৰ টোকা লিখা ঃ

হনুমন্ত, সুগ্ৰীৱ, নীল, অম্ৰাৱতী, কাশ্যপ নন্দন, বিশ্বকৰ্মা।

৫। লংকা নগৰীৰ কাষৰ বন-বননিত হনুমন্তই কি কি ফল-ফুলৰ গছ দেখিবলৈ পাইছিল?

৬। হনুমন্তই কি ৰূপ ধৰি লংকা নগৰীত প্ৰবেশ কৰিছিল? তেওঁ সেই ৰূপ ধৰাৰ কাৰণ কি আছিল?

৭। হনুমন্তই গধূলি সময়ত দেখা লংকা নগৰীৰ এটি বৰ্ণনা দিয়া।

৮। সুৰক্ষিত লংকা নগৰী দেখি হনুমন্তৰ মনলৈ কেনে ধৰণৰ চিন্তা আহিছিল?

৯। সুবেল শৃংগত বহি হনুমন্তই কি ভাবিছিল?

১০। 'হনুমন্তৰ লঙ্কাদৰ্শন' কাব্যাংশৰ মূল কথাখিনি তোমাৰ নিজৰ কথাৰে লিখা।

**ভাষা-বিষয়ক :**

১১। তলৰ শব্দবোৰৰ আধুনিক ৰূপ লিখা :

কণ্টকি; ছাতিয়াল; তহিতে; দেখিলন্ত।

১২। সমাৰ্থক শব্দ লিখা :

গগন; বিৰাল; গড়; সমুদ্ৰ; পৱন।

● ● ●

C7U8W3

# সুখ

**আনন্দ চন্দ্ৰ আগৰৱালা**

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ;
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।
দেখিও নেদেখা কিয় দিন-কণা,
সুখ যে হাততে আছে;
যিয়ে দিব পাৰে স্বাৰ্থ বলিদান,
সুখ ফুৰে পাছে পাছে।
অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে,
সংসাৰ সুখৰ ঠাই।
পৰৰ অভাৱ পৰৰ দুখত,
হিয়া যদি পমি যায়,
পৰক আপোন কৰিব পাৰিলে,
সংসাৰত দুখ নাই।
শক্তি-সামৰথ পৰৰ সুখত
বিলাব পাৰিলে ভাই,

পৰৰ কাৰণে কান্দিব জানিলে
কান্দোনতো সুখ পায়।
সকলো আপোন যত নৰ-নাৰী
কাকনো বুলিম পৰ?
পৰম পিতাৰ সকলো সন্তান
পৃথিৱী আমাৰ ঘৰ।
গাই-গোটো পেটে ভঁৰাল নহবা
লোকৰ দুখলৈ চোৱা,
মানুহৰ সেৱা মানুহৰ পূজা,
পৱিত্ৰ বৰত লোৱা।
'মই' 'মোৰ' বুলি নাথাকিবা মজি
মোহৰ জালত পৰি,
'মই' 'মোৰ' ভাবে তললৈ বুৰাব
নাপাবা ৰক্ষাৰ তৰী।
সুখ দুখৰ মনেই কাৰণ
মনক ৰাখিবা থিত,
ভাগ্যত লভিবা পৰম-সন্তোষ,
সাধিবা লোকৰ হিত।
স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজেপতি বিন্ধে হুলে,
নিস্বাৰ্থৰ বাট, সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে।
যথাৰ্থ নিস্বাৰ্থ ধৰমী জীৱন
বিশ্বপ্ৰেম ভৰপূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ
সুখৰ নপৰে ওৰ।

**শব্দাৰ্থ ঃ**

| | | |
|---|---|---|
| দিনকণা | ঃ | দিনতেই নেদেখা; দেখিলেও মন নকৰা। |
| সামৰথ | ঃ | সামৰ্থ্য, যোগ্যতা। |
| তৰী | ঃ | নাও, নৌকা। |
| পৰ | ঃ | অন্য, আপোন নোহোৱা বা নিলগীয়া। |
| ওৰ | ঃ | গুৰি; কোনো বিষয়ৰ মূল কথা। |
| হিত | ঃ | কল্যান, মংগল, গৰ্ভ। |
| য'ত | ঃ | যিমান। |
| পৰম-পিতা | ঃ | ভগৱান, ঈশ্বৰ। |
| গাই গোটা পেটে ভঁৰাল | ঃ | নিজৰ কাৰণেহে ভবা, স্বাৰ্থপৰ। |

**কবি পৰিচয় ঃ**

**আনন্দ চন্দ্ৰ আগৰৱালা ঃ** (১৮৭৪-১৯৩৯) জন্ম তেজপুৰত। তেওঁ পুলিচ বিভাগৰ ডাঙৰ বিষয়া আছিল। তেওঁ ছাত্ৰাৱস্থাৰপৰাই সাহিত্য-চৰ্চা কৰিছিল। আগৰৱালাই কেইবাটিও ইংৰাজী কবিতা অসমীয়ালৈ সুৰলাকৈ ভাঙনি কৰে। সেই কাৰণে তেওঁক ভাঙনি কোঁৱৰ আখ্যা দিয়া হৈছে। তেওঁৰ ৰচিত পুথি—'কোমল পাঠ', 'আদি পাঠ', 'জিলিকণি' আদি। 'সুখ' কবিতাটো 'জিলিকনি'ৰ পৰা অনা হৈছে।

**পাঠবোধ ঃ** সুখ হৈছে মূলতঃ মন বা শৰীৰত অনুভূত হোৱা তৃপ্তিকৰ অৱস্থা; মানসিক বা শাৰীৰিক সন্তুষ্টি। সুখ বিচাৰি মানুহ ব্যাকুল হ'লেও প্ৰকৃত সুখ পাবলৈ হ'লে মানুহে স্বাৰ্থ ত্যাগ কৰিব পাৰিব লাগিব, আনৰ কাৰণে খাটিব লাগিব বা আনৰ দুখত দুখী হ'ব পাৰিব লাগিব। সকলোকে আপোন কৰি ল'ব পৰা গুণেও মানুহক সুখী কৰে। নিস্বাৰ্থ মানুহবোৰ সুখী হয়। যিয়ে নিস্বাৰ্থ মনোভাৱেৰে এক সুন্দৰ জীৱন যাপন কৰে, সকলোৰে মাজত বিশ্বপ্ৰেমৰ বাণী বিলাই আদৰ্শ জীৱনৰ গৰাকী হয় — তেওঁৰ বাবে সুখৰ ওৰ নপৰে বুলিও কবিয়ে কৈছে।

## প্ৰশ্নাৱলী

**ভাৱ-বিষয়ক ঃ**

১। অতি চমু উত্তৰ দিয়া ঃ

(ক) মানুহৰ সুখ-দুখৰ আচল কথা কি?

(খ) কেনেকুৱা ধৰণৰ ভাবে মানুহক তললৈ বুৰায় বুলি কবিয়ে কৈছে?

(গ) নিস্বাৰ্থৰ বাট কেনেকুৱা?

(ঘ) কবি আনন্দ চন্দ্ৰ আগৰৱালাক কিয় 'ভাঙনি কোঁৱৰ' বুলি কোৱা হয়?

(ঙ) কাক আপোন কৰিব পাৰিলে সংসাৰত দুখ নাই বুলি কবিয়ে ব্যক্ত কৰিছে?

(চ) কবিৰ মতে প্ৰকৃত সুখ কেনেকৈ পাব পাৰি?

২। কবিতাটোৰ মূল কথাখিনি নিজৰ ভাষাত লিখা।

৩। ব্যাখ্যা কৰা ঃ

(ক) অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই।

(খ) গাই-গোটা পেটে ভঁৰাল নহবা
লোকৰ দুখলৈ চোৱা,
মানুহৰ সেৱা মানুহৰ পূজা
পৱিত্ৰ বৰত লোৱা।

(গ) স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজেপতি বিন্ধে হুলে,
নিস্বাৰ্থৰ বাট সেন্দুৰীয়া আলি
সুগন্ধি কুসুম ফুলে।

**ভাষা-বিষয়ক ঃ**

১। উদাহৰণটো চাই বাকীকেইটা কৰা ঃ

উদাহৰণ ঃ আপোন — পৰ
দুখ —
স্বাৰ্থ —
অভাৱ —
সন্তোষ —
হাঁহি —

১। উদাহৰণটো চাই বাকীকেইটা কৰা ঃ

উদাহৰণ ঃ সামৰথ — সামৰ্থ্য
ধৰম —
কৰম —
বিৰিখ —
যতন —
মুকুতি —

• • •

H3S7T9

# চোৰধৰা

**শ্ৰীশ্ৰীমাধৱদেৱ**

কথা ঃ গোপী বোল-হে মাই যশোদে, তোহোঁ তাপ তেজহ। হামু তোহাৰি বালক কানাই দেখল। এক গোৱালীক লৱনু চোৰি কৰিতে ঘৰ মহ পৈসল। আহে পেখি সে গোৱালী লৱণু-চোৰ ধৰিয়ে থিক। শ্ৰীকৃষ্ণ তাহেক উত্তৰ কৰাইছে, আহে ঢাণ্ডি হামু কৈছে চোৰ। বালক সমে ৰাজ মাৰগে ফিৰত। তোহোঁ আপনে দধি খায়া হামাক চোৰ বোলত। তাহে শুনি গোপী পড়াক গোপী সাখী মানত। শ্ৰীকৃষ্ণ আপন হাতক লৱণু গোপীক মুখে মাখিয়ে বোলত, আহে গোপীসৱ, দেখু দেখু, আৰৱ সাখীত কমন প্ৰয়োজন? উনিকৰ মুখহ সাক্ষী। শুনি গোপী লাজ পাৱল। কৃষ্ণক উত্তৰে আটয়ে নাহি পাৰি গোপীসৱ ভঙ্গ মানল। তাহে পেখি শ্ৰীকৃষ্ণ আঞ্চোলে ধৰি টানিয়ে আনত। গোপী কাতৰ কয় বোলত, হে কানাই, তোহো হামাক ছাড়হ। তোহাক হামু লৱণু দেৱব। তাহে শুনি শ্ৰীকৃষ্ণ গোপীক ছাড়ল। গোপী কৃষ্ণক লৱণু দেলহ। শ্ৰীকৃষ্ণ তাহেক ভোজন কয়কহু আনন্দে নৃত্য কয়ল। আহে মাই যশোদে, তোহোঁ কি পুণ্য কয় শ্ৰীকৃষ্ণ পুত্ৰ পাৱল। শ্ৰীকৃষ্ণ সৱ গোকুলবাসীক আনন্দ কৰাৱয় থিক। অব তোহাৰি কানাই বহুত চোৰ চাতুৰীয়ে গোপীক ভঙ্গ কৰাই নানা বিধ কৌতুক নৃত্য কৰিয়ে থিক। ইহা জানি হে মাই চিন্তা-শোক ছাড়হ।

সূত্ৰ ঃ তদন্তৰে যশোদা আপুন পুত্ৰক শুভ বাত শুনিয়ে কহুঁ, গোপীক ভঙ্গ কৰাই, নানাবিধ কৌতুক-নৃত্য কৰিয়ে থিক। ইহা শুনি চিন্তা-শোক তেজিৰে পৰম হৰষিত ভেল।।

কথা ঃ যশোদা বোল-হে মাই গোৱালী, কোন ঠামে হামাৰ বালক থিক। তথি হামাক নিয়া যাব।।

সূত্ৰ ঃ ওহি বুলি গোপী যশোদা সহিত গৈয়া, গোৱালীসৱক ঠামে শ্ৰীকৃষ্ণক দেখাঅল। শ্ৰীকৃষ্ণ গোপীসৱক মধ্যে নৃত্য কয় থিক। আপুন পুত্ৰক দেখিয়ে যশোদাক সৱ শৰীৰ জুড়াৱল। কৃষ্ণক কোলে কয়ে, গলে বান্ধি বদন চুম্বন কয়ে পৰম আনন্দ পাৱল। শ্ৰীকৃষ্ণ মাৱক স্তন পান কয়ে, মাৱক বদন নিৰেখি, কান্দি কান্দি গোপী সৱ বৃত্তান্ত শুনাৱল। শুনি যশোদা গোৱালীসৱক গাৰি দিয়ে জৈচন বোল তো দেখহ শুনহ।।

কথা ঃ যশোদা বোল-আহে ঢাণ্ডি, গোৱালীসৱ, দাসীক দাসী, তোহোঁসৱ হামাৰ ওহি বালক কৃষ্ণক চোৰ বুলিয়ে কলঙ্ক কৰসি। ছিঃ তোহাৰি মুখে ছাৰ পৰোক। হে বাপু কৃষ্ণ, ওহি বান্দীসৱক থানে আৰৰ নাহি আৱব। হামাৰ ঘৰে দধি দুগ্ধ লৱণু কে পুছত? যত খাইতে পাৰ তত হামু দেৱব। তোহাৰি বালাই লঞ, আহে বাপু তোহো হামাৰ কৌটি পুৰুষক দেৱকো পৰম দেৱতা, মাথাক মুকুট, গলাক সাতসৰী বুকেৰ শীতল চন্দন।।

সূত্ৰ ঃ ওহি বুলি যশোদা গোৱালীসৱক ঠেঙ্গনা দিয়ে খেদাই কহুঁ, আপুনে আঞ্চোৰে কৃষ্ণক ধুলা ঝাৰি, বুকে বান্ধি কোলে কৰি বদন চুম্বন দিয়ে, পৰম আনন্দে আপুন গৃহে আনি, শীতল জলে স্নান কৰাই, পঞ্চামৃত ভোজন কৰাৱল। সুগন্ধ চন্দনে, দিব্য বস্ত্ৰ-অলঙ্কাৰে ভূষিত কৰাই, কৃষ্ণক সুন্দৰ বদন নিৰেখিয়ে, মোক্ষতো অধিক আনন্দ লভিয়ে পৰম সন্তোষে ৰহল। আহে সভাসদলোক, শ্ৰীকৃষ্ণক পৰম কৃপালু গুণ দেখহ। কোটি ব্ৰহ্মাণ্ডক ঈশ্বৰ হুয়া নন্দক গৃহে বেকত হুয়া, নানান বিনোদন-নৃত্য কয়ল। ইহাক শ্ৰৱণ-কীৰ্ত্তন কৰিয়ে, সব লোক সংসাৰ ঘোৰ নিকাৰ তৰব। ইহা জানি শ্ৰীকৃষ্ণ চৰণে শৰণ সাৰ কৰিয়ে নিৰন্তৰে হৰি বোল হৰি বোল।

**লেখক-পৰিচয় :**

**শ্ৰীশ্ৰীমাধৱদেৱ (১৪৮৯-১৫৯৬)**-ৰ লক্ষিমপুৰৰ নাৰায়ণপুৰত জন্ম হয়। অসমৰ নৱবৈষ্ণৱ ভক্তিধৰ্ম আন্দোলনৰ এগৰাকী গুৰি ধৰোঁতা। জীৱনৰ প্ৰথমছোৱাত শাক্তধৰ্মী আছিল। শংকৰদেৱৰ সৈতে তেওঁ আহোম ৰাজ্যৰ উজনি অসম পৰিত্যাগ কৰে আৰু নামনিৰ কোচৰাজ্যৰ বৰপেটা অঞ্চলত থাকিবলৈ লয়। শংকৰদেৱে বৰপেটাৰ ওচৰৰ চূণপোৰা এৰি পাটবাউসীত থাকিবলৈ লোৱা সময়তে মাধৱদেৱে গণককুছিত থাকিবলৈ লয়। এইসময়তে গুৰু শংকৰৰ সৈতে তেওঁ তীৰ্থভ্ৰমণলৈও যায়। মহাপুৰুষ শংকৰদেৱৰ বিয়োগৰ পাছত মহাপুৰুষ মাধৱদেৱে অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ গুৰু দায়িত্ব গ্ৰহণ কৰে। মাধৱদেৱে জীৱনৰ শেষ সময়খিনি কোঁচবেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ ৰাজ্যৰ ভেলাদুৱাৰত থাকিবলৈ লয়। তাতেই তেওঁৰ মহাপ্ৰয়াণ ঘটে।

মহাপুৰুষ মাধৱদেৱে ধৰ্মপ্ৰচাৰৰ উপৰি সাহিত্য ৰচনাতো বিশিষ্ট বৰঙণি আগবঢ়ায়। পুৰণি ধৰ্মগ্ৰন্থৰ আধাৰত আখ্যানমূলক কাব্য, তত্ত্বমূলক ৰচনা, নাট, বৰগীত ৰচনা কৰে। মাধৱদেৱ-ৰচিত নামঘোষা, ভক্তি ৰত্নাৱলী, বৰগীত আৰু নাট-ঝুমুৰাসমূহ অসমীয়া লোকৰ অতি আদৰৰ।

**পাঠবোধ :**

মাধৱদেৱে ৰচনা কৰা নাটসমূহৰ একমাত্ৰ 'দধিমথন' বা 'অৰ্জুন-ভঞ্জন'ৰ বাহিৰে বাকীকেইখনক ঝুমুৰা বুলিহে কোৱা হয়। একোটা সম্পূৰ্ণ বিষয়বস্তু বা ঘটনাৰ সলনি ক্ষুদ্ৰ ঘটনা বা পৰিস্থিতিক লৈ চমু পৰিসৰত ৰচনা কৰা নাটককেই ঝুমুৰা বুলি কোৱা হয়। ইয়াত 'চোৰধৰা' ঝুমুৰাৰ নিৰ্বাচিত একাংশ তুলি দিয়া হৈছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এই শ্ৰেণীৰ সাহিত্যৰ আভাস পাব আৰু শিশু কৃষ্ণৰ চতুৰালি দেখি আমোদ লাভ কৰিব। মাধবদেৱৰ ঝুমুৰা সম্পৰ্কেও কিছু আভাস পাব।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| তাপ | : | দুখ। |
| তেজহ | : | ত্যাগ কৰা। |
| হামু | : | মই। |
| দেখল | : | দেখিলোঁ। |
| ঘৰ মহ | : | ঘৰৰ ভিতৰত। |
| থিক | : | আছে। |
| পৈসল | : | প্ৰৱেশ কৰিলে, সোমালে। |
| পেখি | : | দেখি। |
| উত্তৰ কৰাইছে | : | উত্তৰ দিছে। |
| ঢাণ্ডি | : | শকত-আৱত, লুধুমী। |
| কৈছে | : | কেনেকৈ। |
| ৰাজ মাৰগে | : | ৰাজবাটত। |
| ফিৰত | : | ঘূৰি ফুৰা। |
| পড়াক | : | চুবুৰীৰ। |
| সাখী মানত | : | সাখী(সাক্ষী) কৰিলে। |
| মাখিয়ে | : | সানি। |
| উনিকৰ | : | এওঁৰ। |
| পাৱল | : | পালে। |
| উত্তৰে আটয়ে নাহি পাৰি | : | উত্তৰত বলে নোৱাৰি। |
| ভঙ্গ মানল | : | পৰাজয় স্বীকাৰ কৰিলে। |
| কয় কহুঁ | : | কৰি পেলাই। |
| চোৰ চাতুৰীয়ে | : | চলে-কৌশলে। |
| বাত | : | বাৰ্তা। |
| ঠামে | : | ঠাইত। |
| তথি | : | তালৈ। |
| জুড়াৱল | : | শান্ত হ’ল। |
| গাৰি | : | গালি। |
| জৈচন | : | যেনেকৈ। |
| কলঙ্ক কৰসি | : | বদনাম ৰটিছে। |

| | | |
|---|---|---|
| মুখে ছাৰ পৰক | : | মুখত ছাই পৰক অৰ্থাৎ মৰি যাওক। |
| বালাই লঞো | : | অশুভ বা বিপদ মূৰ পাতি লওঁ। |
| বেকত হুয়া | : | ব্যক্ত হৈ, আৱিৰ্ভাৱ হৈ। |
| বিনোদ নৃত্য | : | আনন্দাদায়ক নাচ। |
| ঠেঙ্গনা | : | গালি। |
| আঞ্চোৰে | : | আঁচলেৰে। |
| নিকাৰ | : | যন্ত্ৰণা। |
| পঞ্চামৃত | : | এৰাঁ গাখীৰ, দৈ, ঘিউ, মৌ আৰু চেনি মিহলাই কৰা পানীয়। |

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক :**

১। অতি চমুকৈ উত্তৰ লিখা ঃ

(ক) কানাই বুলি কাৰ কথা কোৱা হৈছে?

(খ) লৱণু-চোৰ কৃষ্ণই গোপীৰ মুখত কি সানি দিছিল?

(গ) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কি?

(ঘ) 'ওহি বান্দীসৱক থানে আৱৰ নাহি।'

— 'আৱৰ নাহি' বুলি কোনে, কাক কৈছিল?

২। (ক) 'হে মাই যশোদে, তোহোঁ তাপ তেজহ।'

— যশোদাৰ মনৰ তাপ গুচাবলৈ গোপীয়ে কিয় ক'ব লগা হৈছিল?

(খ) শ্ৰীকৃষ্ণই গোপীৰ মুখত কিয় লৱণু সানি দিছিল?

৩। 'ইহা শুনি চিন্তা-শোক তেজিৰে পৰম হৰষিত ভেল?'— কোনে, কাৰ আৰু কি কথা শুনি হৰষিত হৈছিল?

৪। মাক যশোদাই কানাইক লগ পাই কি কি কথা কৈছিল আৰু কিদৰে চেনেহ প্ৰকাশ কৰিছিল?

**ভাষা-বিষয়ক :**

৫। তলৰ পুৰণি শব্দবোৰৰ আধুনিক ৰূপ লিখা :

তেজহ; তোহাৰি; হামু; থিক; মাখিয়ে; উনিকৰ; ফিৰত; গাৰি।

৬। বিপৰীত শব্দ লিখা :

চোৰ; উত্তৰ; কাতৰ; পুণ্য; শোক; হৰ্ষ; শীতল।

● ● ●

L4I8A2

# সন্মান

**হেমচন্দ্ৰ বৰুৱা**

ঈশ্বৰ, পিতৃ-মাতৃ, শিক্ষক, দেশৰ অধিকাৰ আৰু বুঢ়া লোক, এইসকল সন্মানৰ পাত্ৰ।

যি আদি কাৰণৰ পৰা এই পৰিদৃশ্যমান জগতৰ উৎপত্তি হৈছে, সেই কাৰণৰ নামেই ঈশ্বৰ। তেওঁ সকলোৰে আদি, কিন্তু তেওঁৰ আদি নাই, সকলোৰে অন্ত আছে, তেওঁৰ অন্ত নাই। তেওঁ দেৱতাৰো দেৱতা, বিধাতাৰো বিধাতা, ৰজাৰো ৰজা আৰু সকলোৰে সৃষ্টি আৰু পালন কৰ্তা। এতেকে তেওঁক শ্ৰদ্ধা আৰু ভক্তি কৰা সকলোৰে উচিত। পৃথিৱীত মানুহৰ যত মান্য লোক আছে, তেওঁ সেই সকলোবিলাকতকৈ অধিক মান্য। সকলো দেশৰ, সকলো জাতিৰ, সকলো ধৰ্মৰ জ্ঞানী লোকবিলাকে তেওঁক বিশ্বাস আৰু ভক্তি কৰে আৰু যাৰ তেওঁত শ্ৰদ্ধা-ভক্তি নাই, তাক নাস্তিক বুলি ঘিণায়। এতেকে তোমাৰ সমুদায় মন, বুদ্ধি আৰু শক্তিৰে তেওঁক শ্ৰদ্ধা আৰু ভক্তি কৰিবা।

ঈশ্বৰৰ পাচতে পিতৃ-মাতৃ আমাৰ মাননীয়; তেওঁবিলাকেই আমাক জন্ম দিছে আৰু তেওঁলোকৰ পৰাই আমি এই বিচিত্ৰ সংসাৰ দেখিবলৈ পাইছোহঁক। আমি যেতিয়া কেঁচুৱা আছিলোঁ, আমাৰ উঠি-পৰি ফুৰিবৰ শক্তি নাছিল, তেতিয়া তেওঁবিলাকে কত দুখ সহি, কোলাত লৈ আমাক তুলিছিল; আমি নাখালে তেওঁবিলাকৰ আহাৰত ৰুচি নহৈছিল; আমি গাত দুখ পালে বা নৰিয়া পৰিলে শোকত বিহ্বল হৈ তেওঁবিলাকে আমাৰ আৰোগ্যৰ নিমিত্তে যত্ন কৰিছিল; আনকি আমাৰ কুশলৰ কাৰণে প্ৰাণকে উচৰ্গিছিল। আমি অলপ ডাঙৰ হ'লত সিবিলাকে আমাক জ্ঞান-বিদ্যা শিকাই ভাল লোক কৰিবৰ নিমিত্তে পাৰে মানে যত্ন কৰিছিল আৰু এতিয়াও আমি ধনী, মানী, যশস্বী হ'লে সিবিলাকৰ আনন্দৰ সীমা নাথাকে; কিন্তু আমাৰ দুৰ্যশ বা দুৰ্ভাগ্যৰ কথা শুনিলে মুখ মলিন আৰু চকু লোতকেৰে পূৰ হয়; সেই পিতৃ-মাতৃতকৈ মনুষ্যৰ ভিতৰত আন কোনো আমাৰ অধিক মান্য নহয়। এতেকে আমি সদায় তেওঁলোকৰ আজ্ঞা মানিব আৰু সিবিলাকক সন্মান কৰিব লাগে। আৰু তেওঁবিলাকৰ বুঢ়া কালত আমাৰ শক্তি অনুসাৰে শুশ্ৰূষা কৰা আৰু পোহ-পাল দি তেওঁবিলাকক সুখেৰে ৰখাও আমাৰ কৰ্তব্য।

কণা মানুহক যিজনে চকু দিয়ে, তেওঁ যে কণাৰ পৰম উপকাৰী আৰু মান্য, তাত একো সংশয় নাই। সেইৰূপে শিক্ষকেও ছাত্ৰক চকু দিয়ে। ছাত্ৰে চকু থাকোঁতেও যি বস্তু নেদেখি আৰু যি কথা নুবুজি কণাৰ নিচিনা হৈ থাকে, অধ্যাপকৰ অনুগ্ৰহত চকু মুকলি হৈ তাক দেখিব আৰু বুজিব পৰা হয়। এনে অধ্যাপকৰ প্ৰতি যি সন্মান নকৰে, তাৰ সমান অশলাগী মানুহ নাই। আমাৰ শাস্ত্ৰত লিখা আছে যে অধ্যাপকে যদি এটি মাথোন আখৰ ছাত্ৰক শিকায়, তেওঁ পৃথিৱীত এনে বস্তু নাই, যাক দি ছাত্ৰে সেই শিক্ষকৰ ধাৰ শুজিব পাৰে। এতেকে তুমি তোমাৰ শিক্ষকৰ প্ৰতি মান-সৎকাৰ কৰিবা আৰু তেওঁৰ বশ হ'বা।

দেশৰ অধিকাৰসকল দুষ্টৰ দমন আৰু শিষ্টৰ পালন কৰোঁতা। যি দেশৰ অধিকাৰ নাই; শাসনকৰ্তা নাই, সেই দেশ অৰাজক আৰু ধুমুহা বতাহত গুৰিয়াল নথকা নাৱৰ দৰে অস্থিৰ। তাত সকলো মানুহে স্বপ্ৰধান হৈ আপোনাৰ ইচ্ছাৰ দৰে আচৰণ কৰে। এই কাৰণে, নিজ বলেৰে নোৱাৰিলে মানুহৰ ধন-প্ৰাণৰ ৰক্ষাই টান হয় আৰু কাৰো সুখ-শান্তিও নাথাকে। কিন্তু দেশৰ অধিকাৰীসকলে দুষ্টক দমি সন্তক পালন কৰা হেতুকেও কাৰো প্ৰতি অন্যায় কৰিব নোৱাৰে আৰু শান্তি দেশত প্ৰবল হয়। এতেকে যিসকলৰ ভয়ত চোৰ, ডকাইত আৰু আন দুষ্ট মানুহবিলাক শঙ্কিত হৈ থকাৰ কাৰণে আমাৰ ধন, প্ৰাণ আৰু মান ৰক্ষা পৰিছে আৰু আমি নিৰ্ভয় মনেৰে আছোহঁক, সেই শাসনকৰ্তাসকল আমাৰ অৱশ্যে মান্য, আমি তেওঁলোকৰ শলাগ ল'ব আৰু সিবিলাকক সন্মান কৰিব লাগে।

যি লোক তোমাতকৈ কোনো কথাত শ্ৰেষ্ঠ, তেৱেঁই তোমাৰ মান্য; বুঢ়া মানুহবিলাক তোমাতকৈ বয়সে শ্ৰেষ্ঠ, তেওঁবিলাকৰ কোনোজন তোমাৰ জ্যেষ্ঠ ভ্ৰাতৃৰ, কোনোজন মাতৃৰ, কোনোজন বা পিতৃৰ বয়সীয়া আৰু কোনোজন তোমাতকৈ বহুদৰ্শী। এতেকে তুমি তেওঁবিলাকৰ প্ৰতি সমুচিত সন্মান কৰিব লাগে আৰু সিবিলাক নিঃকিন হ'লেও উপহাসৰ যোগ্য নহয়।

**লিখক পৰিচয় ঃ**

**হেমচন্দ্ৰ বৰুৱা ঃ** ১৮৩৫ চনত শিৱসাগৰ ৰজাবাহৰ গাঁৱত মুক্তাৰাম বৰুৱাৰ পুত্ৰ হেমচন্দ্ৰ বৰুৱাৰ জন্ম। ইংৰাজী ভাষাৰ জ্ঞান আয়ত্ত কৰাৰ পিছত তেওঁ চৰকাৰী চাকৰি কৰিবলৈ লৈছিল। ১৮৯৬ চনত গুৱাহাটীত তেওঁ জীৱনৰ শেষ নিশ্বাস পেলায়। অসমীয়া ভাষাৰ নতুন যুগৰ দুৱাৰ মুকলি আৰু বৰ্ণবিন্যাসৰ খেলিমেলি আঁতৰ কৰোঁতাসকলৰ ভিতৰত বৰুৱাদেৱ অন্যতম ব্যক্তি। কেইবাখনিও গ্ৰন্থ ৰচনা কৰি তেওঁ অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধন কৰে। তেওঁ লিখা গ্ৰন্থবোৰ হ'ল—'হেমকোষ', 'অসমীয়া ব্যাকৰণ', 'পঢ়াশলীয়া অভিধান', 'অসমীয়া ল'ৰাৰ ব্যাকৰণ', 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী', 'কানীয়া কীৰ্তন', 'পাঠমালা', 'আদিপাঠ', 'স্বাস্থ্যৰক্ষাৰ নিয়ম' আৰু 'অসমীয়া বিবাহ পদ্ধতি'। তেওঁ 'আসাম নিউজ' কাকতৰ সম্পাদকো আছিল।

'সন্মান' নামৰ প্ৰবন্ধটি বৰুৱাদেৱৰ 'পাঠমালা' পুথিৰপৰা লোৱা হৈছে।

**পাঠবোধ ঃ** সন্মান মানে হৈছে গুণ, পদমৰ্যাদা, জ্যেষ্ঠতা আদিৰ ভিত্তিত লাভ কৰা শ্ৰদ্ধা বা আদৰ। এজনে আনজনৰ প্ৰতি দেখুওৱা শ্ৰদ্ধা বা আদৰেই সন্মান। আমাৰ ব্যক্তিগত আৰু সামাজিক উভয় জীৱনতে

এই শ্ৰদ্ধা, আদৰ বা সন্মান অপৰিসীম। সমাজ পাতি বাস কৰা প্ৰত্যেকেই প্ৰত্যেকক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিলে সমাজখন শৃংখলিত হৈ থাকে। পাঠটোত প্ৰকৃত সন্মানৰ পাত্ৰ কোন, সেইসকলক কিয় আৰু কেনেকৈ সন্মান বা শ্ৰদ্ধা কৰিব লাগে, সন্মান প্ৰদৰ্শনে মানুহক কিদৰে মহান কৰে তাৰে এটি আভাস দিবলৈ যত্ন কৰিছে। হেমচন্দ্ৰ বৰুৱা যে নিভাঁজ আৰু সহজ-সৰল অসমীয়া লিখাৰ পক্ষপাতি সেই কথাও প্ৰবন্ধটিৰ মাজেৰে প্ৰকাশ পাইছে।

**শব্দাৰ্থ ঃ**

বিহ্বল = ভয় বা শোকত অতিশয় আতুৰ।
নাস্তিক = ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰা; নিৰীশ্বৰবাদী।
শিষ্ট = নম্ৰ; সজ
মলিন = অপৰিষ্কাৰ, লেতেৰা, স্বাভাৱিক ৰং বা আভা নথকা; ম্লান
লোতক = চকুৰ পানী; চকুলো; অশ্ৰু

## প্ৰশ্নাৱলী

**ভাৱ-বিষয়ক ঃ**

১। অতি চমু উত্তৰ দিয়া ঃ
(ক) অধিকাৰ আৰু শাসনকৰ্তা নথকা দেশ এখনে কেনেকুৱা আচৰণ কৰে?
(খ) ছাত্ৰে শিক্ষকৰ ধাৰ শুজিব পাৰেনে?
(গ) ‘তেওঁ দেৱতাৰো দেৱতা, বিধাতাৰো বিধাতা, ৰজাৰো ৰজা’ — ‘তেওঁ’ কোন?
(ঘ) হেমচন্দ্ৰ বৰুৱা কোনখন কাকতৰ সম্পাদক আছিল?
(ঙ) ‘হেমকোষ’ কি?
(চ) ‘কানীয়াৰ কীৰ্তন’ৰ ৰচক কোন?
২। ‘ঈশ্বৰৰ পাচতে পিতৃ-মাতৃ আমাৰ মাননীয়’ — কথাষাৰ বুজাই লিখা।
৩। শিক্ষকৰ প্ৰতি ছাত্ৰই মান-সৎকাৰ কিয় ৰাখিব লাগে?
৪। ‘সন্মান’ পাঠটোৰ পৰা কি কি শিকিলা, চমুকৈ লিখা।

**ভাষা-বিষয়ক ঃ**

১। তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা ঃ
নৰিয়া; জগত; লোতক; চকু; হেতু; মান।
২। বিপৰীত শব্দ লিখা ঃ
শ্ৰদ্ধা, শলাগ, আদি; দুষ্ট; জ্যেষ্ঠ; ন্যায়।

● ● ●